www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

সাহিত্য সাধনা এটি মহৎ আৰু পবিত্ৰ কাম। ইয়াৰ ফলত অন্তদৃষ্টিৰ সৃষ্টি হয়। ই বাহিৰ আৰু ভিতৰৰ সকলো প্ৰকাৰৰ অন্ধকাৰ দূৰ কৰে। – পাৰ্ল এচ. বাৰ্ক

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

▫প্ৰথম বছৰ ▫সংখ্যা- ১৫৩ ▫ মঙ্গলবাৰ ▫২৪ মাৰ্চ, ২০২৬ চন ▫ Volume/Year- I ▫ Issue- 153 ▫ Tuesday ▫ 24th March, 2026 ▫ Asom Barta, Majuli ▫ PRGI Reg. No.- ASASS/25/A2361 ▫ Price- Rs. 10 ▫ Total Page- 8



১১০গৰাকী সৈনিক আৰু ১২৫জনৰ মৃত্যু

## কলম্বিয়াৰ দক্ষিণ এমাজন অঞ্চলত সেনা বিমানৰ ভয়ংকৰ দুৰ্ঘটনা

**নিউজ ডেস্ক, অসম বাৰ্তা, ২৪ মাৰ্চ ঃ** কলম্বিয়াত এটা ভয়ংকৰ বিমান দুৰ্ঘটনা সংঘটিত হৈছে। কলম্বিয়াৰ সশস্ত্ৰ বাহিনীৰ এখন লকহীড মাৰ্টিন চি-১৩০ হৰকুলিছ মডেলৰ সেনা পৰিবহণ ▫ ৬ পৃষ্ঠাত

▫ ১৩৯৪খন মনোনয়ন পত্ৰৰ ৫৬ গৰাকী প্ৰাৰ্থীৰ মনোনয়ন বাতিল ▫

# ১০২৯ গৰাকী প্ৰাৰ্থীৰ মনোনয়ন বৈধ

**নিউজ ডেস্ক, অসম বাৰ্তা, ২৪ মাৰ্চ ঃ** অসম বিধানসভা নিৰ্বাচনক কেন্দ্ৰ কৰি মনোনয়ন পৰীক্ষণ প্ৰক্ৰিয়াত উল্লেখযোগ্য উন্নতি ঘটিছে। এই প্ৰক্ৰিয়াত মুঠ ৫৬গৰাকী প্ৰাৰ্থীৰ মনোনয়ন বাতিল কৰা হৈছে বুলি নিৰ্বাচনী কৰ্তৃপক্ষই জানিবলৈ দিয়ে। প্ৰাপ্ত তথ্য অনুসৰি, বিভিন্ন সমষ্টিৰ একাধিক প্ৰাৰ্থীৰ মনোনয়ন বিভিন্ন কাৰণত অযোগ্য ঘোষণা কৰা হৈছে। কৰিমগঞ্জ দক্ষিণ সমষ্টিত নিৰ্দলীয় প্ৰাৰ্থী আব্দুল হুছেইন তালুকদাৰ, আলী আহমেদ আৰু বিল্লাল উদ্দিনৰ মনোনয়ন বাতিল কৰা হৈছে। তদুপৰি নাহৰকটীয়া সমষ্টিত ঝাৰখণ্ড মুক্তি মৰ্চাৰ প্ৰাৰ্থী সঞ্জয় বাঘৰ মনোনয়নো বাতিল কৰা হৈছে। ইয়াৰ উপৰি পকা বেতবাৰী সমষ্টিত নিৰ্দলীয় প্ৰাৰ্থী ফাইজান নেছা আৰু শ্বাহজাহান শ্বাহৰ লগতে ভাৰতীয়জন সমাজ পাৰ্টিৰ আব্দুল আৱালৰ মনোনয়ন বাতিল হৈছে। পাথাৰকান্দি সমষ্টিত অপনা জনতা পাৰ্টিৰ জাহাৰুল হকৰ লগতে বিজেপি প্ৰাৰ্থী কৃষ্ণেন্দু পালৰ মনোনয়নো বাতিল কৰা হৈছে। সোণাই সমষ্টিত নিৰ্দলীয় প্ৰাৰ্থী খাইৰুল ইছলাম তালুকদাৰ আৰু ▫ ৬ পৃষ্ঠাত



■ মহানন্দ সৰকাৰ, অশোক সিংহলৰ মনোনয়ন সন্দৰ্ভত পৰ্যালোচনা ■

## বৰপেটা, ঢেকীয়াজুলি সমষ্টিত স্থগিত মনোনয়ন পৰীক্ষণ

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৪ মাৰ্চ ঃ** ৰাজ্যৰ আগন্তুক বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ অংশ হিচাপে মনোনয়ন পৰীক্ষণ প্ৰক্ৰিয়া প্ৰায় সম্পূৰ্ণ হৈছে। ১২৬টা বিধানসভা সমষ্টিৰ ভিতৰত ইতিমধ্যে ১২৪টা সমষ্টিত মনোনয়ন পৰীক্ষণ সফলতাৰে সম্পন্ন কৰা হৈছে বুলি নিৰ্বাচনী কৰ্তৃপক্ষে জনায়। ▫ ৬ পৃষ্ঠাত





বিজেপিৰ ষ্টাৰ কেম্পেইনাৰৰ তালিকা প্ৰকাশ

## বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ চলাবলৈ অসমলৈ আহিব মোদী, শ্বাহ আৰু নীতিন

বিজেপিৰ ৪০ গৰাকী নেতায়ে চলাব নিৰ্বাচনী প্ৰচাৰ

**নিউজ ডেস্ক, অসম বাৰ্তা, ২৪ মাৰ্চ ঃ** অসমত বিধানসভা নিৰ্বাচন ২০২৬ৰ দিন চৰি আহিছে। ৰাজ্যজুৰি নিৰ্বাচনী প্ৰচাৰৰ গৰম বতাহ বিবিধ ৰাজনৈতিক দলে তীব্ৰ কৰি তুলিছে। দিছপুৰৰ গাদী দখলৰ লক্ষ্যৰে প্ৰতিটো ▫ ৬ পৃষ্ঠাত



"ভাৰতৰ বাবে আত্মনিৰ্ভৰশীলতাৰ বাহিৰে আন কোনো বিকল্প নাই"

## হৰমুজ মুকলি কৰা আৰু পশ্চিম এছিয়াৰ উত্তেজনা হ্ৰাস কৰাটোৱেই ভাৰতৰ লক্ষ্য ঃ প্ৰধানমন্ত্ৰী মোদী

**অসম বাৰ্তা, ২৪ মাৰ্চ ঃ** পশ্চিম এছিয়াত চলি থকা সংঘাতে ভাৰতৰ অৰ্থনীতি আৰু শক্তি নিৰাপত্তাৰ ওপৰত গুৰুতৰ প্ৰভাৱ পেলাব পাৰে বুলি সকীয়াই দিছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। মঙলবাৰে ৰাজ্যসভাত ভাষণ দিয়াৰ সময়ত তেওঁ কয় যে, অঞ্চলটোত ▫ ৬ পৃষ্ঠাত

▫ ১০ হাজাৰ ফেক একাউণ্ট খুলি সামাজিক মাধ্যমত আক্ৰমণ ▫



## চীল হ'ব নেকি বাজপেয়ী ভৱনৰ ৫০১ নম্বৰ কোঠাটো ?

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২৪ মাৰ্চ ঃ** অসম বিধানসভা নিৰ্বাচন ২০২৬ৰ পটভূমিত ৰাজ্যিক বিজেপিৰ মুখ্য কাৰ্যালয় বশিষ্ঠস্থিত বাজপেয়ী ভৱনৰ ৫০১ নম্বৰ কোঠাটোক কেন্দ্ৰ কৰি নতুনকৈ বিতৰ্কৰ সৃষ্টি হৈছে। দলীয় টিকট নোপোৱা বিজেপিৰ জ্যেষ্ঠ নেতা জয়ন্ত দাসে এই কোঠাৰ ▫ ৬ পৃষ্ঠাত

কংগ্ৰেছৰ ষ্টাৰ কেম্পেইনাৰৰ তালিকা প্ৰকাশ

## অসমলৈ আহিব ৰাহুল গান্ধী, প্ৰিয়ংকা গান্ধী, মল্লিকাৰ্জুন খাৰ্গে

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২৪ মাৰ্চ ঃ** অসম বিধানসভা নিৰ্বাচনৰ দিন চমু হৈ আহিছে। মাত্ৰ কেইদিনমানৰ পাছতে ২৬ মাৰ্চত মনোনয়ন প্ৰত্যাহাৰৰ অন্তিম দিন। তাৰ পাছতে ৯ এপ্ৰিলত অনুষ্ঠিত হ'ব নিৰ্বাচন। এই পটভূমিত ৰাজ্যজুৰি নিৰ্বাচনী গৰম বতাহ বিয়পিছে। ভাৰতীয় জাতীয় কংগ্ৰেছে ২৬ মাৰ্চৰ ▫ ৬ পৃষ্ঠাত



■ লোকসভাৰ অধ্যক্ষলৈ পদত্যাগ পত্ৰ প্ৰেৰণ ■

## ন-বিজেপি প্ৰদ্যুৎ বৰদলৈয়ে ত্যাগ কৰিলে নগাঁৱৰ সাংসদ পদ

**নিউজ ডেস্ক, অসম বাৰ্তা, ২৪ মাৰ্চ ঃ** অসমৰ ৰাজনৈতিক পৰিৱেশত পুনৰ এবাৰ গুৰুত্বপূৰ্ণ পৰিৱৰ্তন দেখা গৈছে। নগাঁও লোকসভা সমষ্টিৰ কংগ্ৰেছৰ সাংসদ প্ৰদ্যুৎ বৰদলৈয়ে নিজৰ সাংসদ পদৰ পৰা পদত্যাগ কৰিছে। মঙলবাৰে তেওঁ লোকসভাৰ ▫ ৬ পৃষ্ঠাত

৩০ মাৰ্চত বৰ্ষাপাৰা ষ্টেডিয়ামত চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে প্ৰথমখন মেচ

## গুৱাহাটীত উপস্থিত ৰাজস্থান ৰয়েলছ্, আইপিএলৰ পূৰ্বে আৰম্ভ প্ৰস্তুতি

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২৪ মাৰ্চ ঃ** আইপিএল ২০২৬ ছিজনৰ বাবে গুৱাহাটীত উপস্থিত হৈছে ৰাজস্থান ৰয়েলছৰ খেলুৱৈসকল আৰু দলীয় মেনেজমেণ্ট। ▫ ৬ পৃষ্ঠাত

বাক্সাৰ নিকাছি জিলা কাৰাগাৰত চাঞ্চল্যকৰ ঘটনা

## আৰক্ষী জোৱানৰ ছাৰ্ভিচ ৰাইফলেৰে আত্মহত্যাৰ চেষ্টা

কৰ্তব্যৰত আহত জোৱান জনক গুৱাহাটীৰ AIIMSত ভৰ্তি

**ষ্টাফ ৰিপ'ৰ্টাৰ, বাক্সা, ২৪ মাৰ্চ ঃ** বাক্সা জিলাৰ নিকাছিত অৱস্থিত জিলা কাৰাগাৰত সোমবাৰে এক চাঞ্চল্যকৰ আৰু দুখজনক ঘটনা সংঘটিত হৈছে। কাৰাগাৰৰ ভিতৰত কৰ্তব্যৰত থকা অসম আৰক্ষীৰ এজন জোৱানে ▫ ৬ পৃষ্ঠাত

অখিল গগৈৰ অভিযোগ; নিৰ্বাচন আয়োগৰ মনোনয়ন পত্ৰ গ্ৰহণ

## বৈধ ঘোষণা কুশল দুৱৰীৰ মনোনয়ন পত্ৰ



**অসম বাৰ্তা, শিৱসাগৰ সদৰ, ২৪ মাৰ্চ ঃ** অসম বিধানসভা নিৰ্বাচন ২০২৬ৰ আগতে ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে বিজেপি প্ৰাৰ্থী কুশল দুৱৰীৰ মনোনয়ন পত্ৰক লৈ ▫ ৬ পৃষ্ঠাত

মনোনয়ন প্ৰত্যাহাৰৰ উৰা বাতৰি নসাৎ কৰি প্ৰদীপ হাজৰিকাৰ দাবী

## মই নিৰ্বাচনত অৱতীৰ্ণ হ'ম, যুঁজিম আৰু জিকিম

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৪ মাৰ্চ ঃ** মঙলবাৰে শিৱসাগৰত এখন সংবাদমেল আয়োজন কৰি মিত্ৰজোঁটৰ প্ৰাৰ্থী প্ৰদীপ হাজৰিকাই তেওঁৰ মনোনয়ন প্ৰত্যাহাৰৰ বিষয়ে চলি ▫ ৬ পৃষ্ঠাত



▫ নসত্ৰ কৃষ্ণগুৰু সেৱাশ্ৰমত আশীৰ্বাদ গ্ৰহণ কৰিলে মুখ্যমন্ত্ৰীয়ে ▫

## নামনি-উজনিৰ ভেদাভেদ নাথাকিব, মিত্ৰজোঁটে ঐতিহাসিক জয় লাভ কৰিবঃ মুখ্যমন্ত্ৰী



**অসম বাৰ্তা, চেঙা, ২৪ মাৰ্চ ঃ** আগন্তুক নিৰ্বাচনক কেন্দ্ৰ কৰি ৰাজ্যজুৰি ৰাজনৈতিক পৰিৱেশ দিনক দিনে উত্তপ্ত হৈ উঠাৰ মাজতে ▫ ৬ পৃষ্ঠাত



# জয়ৰ আশা বুকুত লৈ দ্বিতীয়বাৰৰ বাবে ৰাতুল পাটোৱাৰীৰ মনোনয়ন দাখিল

**অসম বাৰ্তা, নলবাৰী, ২৩ মাৰ্চ ঃ** আগন্তুক অসম বিধানসভা নিৰ্বাচনৰ প্ৰাক্কালে ৰাজ্যৰ ৰাজনৈতিক পৰিসৰত এক গুৰুত্বপূৰ্ণ ঘটনাৰূপে কংগ্ৰেছৰ যুৱ নেতা ৰাতুল পাটোৱাৰীয়ে ক্ৰমাগত দ্বিতীয়বাৰৰ বাবে নিজৰ মনোনয়ন পত্ৰ দাখিল কৰে। সোমবাৰে তেওঁ নতুনকৈ গঠিত ৪০ নং টিহু বিধানসভা সমষ্টিৰ পৰা ভাৰতীয় জাতীয় কংগ্ৰেছৰ প্ৰাৰ্থী হিচাপে নলবাৰী সংঘত জিলা আয়ুক্ত কাৰ্যালয়ত আনুষ্ঠানিকভাৱে মনোনয়ন দাখিল কৰে। ড়উল্লেখযোগ্য যে, ২০২১ চনৰ বিধানসভা নিৰ্বাচনত ৰাতুল পাটোৱাৰীয়ে পূৰ্বৰ ধৰ্মপুৰ সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰিছিল। সেই সময়ত তেওঁ উল্লেখযোগ্য সমৰ্থন লাভ কৰিছিল যদিও বিজয় লাভ কৰিবলৈ সক্ষম নহ'ল। কিন্তু সেই অভিজ্ঞতাক মূলধন হিচাপে লৈ এইবাৰ অধিক সংগঠিত ৰূপত, অধিক আত্মবিশ্বাসেৰে আৰু নতুন উদ্যমেৰে তেওঁ টিহু সমষ্টিৰ পৰা পুনৰ নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হৈছে। সমষ্টি পুনৰ নিৰ্ধাৰণৰ ফলত টিহু বিধানসভা সমষ্টি নতুনকৈ গঠিত হোৱা পিছত স্থানীয় ৰাইজৰ মাজত নতুন আশা আৰু পৰিৱৰ্তনৰ দাবী জোৰদাৰ হৈ উঠিছে। এই প্ৰেক্ষাপটত ৰাতুল পাটোৱাৰীৰ প্ৰাৰ্থিত্বক এক নতুন বিকল্প হিচাপে গণ্য কৰা হৈছে। তেওঁ নিজৰ বক্তব্যত স্পষ্টকৈ কয় যে, টিহুৰ ৰাইজে এইবাৰ পৰিৱৰ্তন বিচাৰে আৰু সেই পৰিৱৰ্তনৰ নেতৃত্ব দিবলৈ তেওঁ সম্পূৰ্ণৰূপে প্ৰস্তুত। মনোনয়ন দাখিলৰ পাছত সংবাদ মাধ্যমৰ সৈতে হোৱা কথোপকথনত ৰাতুল পাটোৱাৰীয়ে কয়— "মই টিহুৰ ৰাইজক আন্তৰিকভাৱে আহ্বান জনাও যে, মোক একবাৰ সুযোগ দিয়ক। পাঁচ বছৰৰ বাবে মোক বিধায়ক হিচাপে নিৰ্বাচিত কৰক। এই সময়ছোৱাত মই যিমান পাৰো উন্নয়নমূলক কাম কৰিম। তাৰ পিছত মোৰ কামৰ ভাল-বেয়া মূল্যায়ন ৰাইজে নিজে কৰিব।" তেওঁ লগতে কয় যে, এই নিৰ্বাচন কেৱল ৰাজনৈতিক প্ৰতিদ্বন্দ্বিতা নহয়, ই এক পৰিৱৰ্তনৰ আন্দোলন। তেওঁ প্ৰতিশ্ৰুতি দিয়ে যে, যদি ৰাইজে তেওঁক সমৰ্থন কৰে, তেন্তে টিহু সমষ্টিক উন্নয়ন, শিক্ষা, স্বাস্থ্য, যাতায়াত ব্যৱস্থা আৰু যুৱ প্ৰজন্মৰ বাবে নতুন সুযোগ সৃষ্টি কৰাৰ ক্ষেত্ৰত আগবঢ়াই নিয়াৰ প্ৰচেষ্টা চলোৱা হ'ব। ইফালে, মনোনয়ন দাখিলৰ দিনটোত তেওঁৰ সমৰ্থনত এক বিশাল ৰেলী অনুষ্ঠিত হয়, যিয়ে সমগ্ৰ অঞ্চলত এক উৎসৱৰ পৰিৱেশ সৃষ্টি কৰে। কৈঠালকুছিৰ পৰা আৰম্ভ হোৱা এই ৰেলীত হাজাৰ হাজাৰ সমৰ্থকে অংশগ্ৰহণ কৰে। ৰেলীত প্ৰায় ৪-৫ হাজাৰ মটৰচাইকেল আৰু ৪০০-৫০০খন সৰু-বৃহৎ বাহন অংশগ্ৰহণ কৰা বুলি জানিবলৈ দিয়ে। ৰেলীটোত যুৱ সমাজ, মহিলা, বয়োজ্যেষ্ঠ আৰু বিভিন্ন শ্ৰেণীৰ লোকৰ স্বতঃস্ফূৰ্ত অংশগ্ৰহণ বিশেষভাৱে লক্ষ্য কৰা যায়। তেওঁ কয়— "আজিৰ এই সমৰ্থন আৰু জনসমাগমে মোক অধিক দায়িত্বশীল কৰি তুলিছে। এইয়া কেৱল ৰেলী নহয়, ই ৰাইজৰ আস্থা আৰু বিশ্বাসৰ প্ৰতিফলন।" সময়ৰ সীমাবদ্ধতাৰ বাবে তেওঁ আধাতে ৰেলীৰ পৰা ওলাই আহি নিৰ্দিষ্ট সময়ৰ ভিতৰত মনোনয়ন দাখিল কৰে বুলি উল্লেখ কৰে। তথাপিও ৰেলীটোত দেখা পোৱা জনসমাগমে তেওঁৰ প্ৰাৰ্থিত্বক লৈ থকা জনআকৰ্ষণ স্পষ্টকৈ প্ৰতিফলিত কৰে। ৰাতুল পাটোৱাৰীয়ে শেষত সকলো সমৰ্থক, দলীয় কৰ্মী আৰু শুভাকাংক্ষীৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰি কয় যে, আগন্তুক দিনসমূহতো তেওঁলোকৰ এই মৰম, সমৰ্থন আৰু সহযোগিতা অব্যাহত থাকিব বুলি তেওঁ দৃঢ়ভাৱে বিশ্বাস কৰে। লগতে তেওঁ টিহু সমষ্টিৰ প্ৰতিজন ভোটাৰক আগন্তুক নিৰ্বাচনত অংশগ্ৰহণ কৰি এক সুস্থ গণতান্ত্ৰিক পৰিৱেশ গঢ়ি তোলাৰ আহ্বান জনায়।

# কামৰূপ নিৰ্বাচন জিলাত ৩৩ জন প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ দাখিল

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ২৩ মাৰ্চ ঃ** কামৰূপ জিলাৰ ছয়টা বিধানসভা সমষ্টিৰ বাবে মুঠ ৩৩ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰে। সেই অনুসৰি ২৭ নং ছমৰীয়া সমষ্টিৰ বাবে এছ ইউ চি আই (চি)ৰ মনোনীত প্ৰাৰ্থী দেলোৱাৰা হুছেইন, এ আই ইউ ডি এফ দল মনোনীত প্ৰাৰ্থী ইমদাদ হুছেইন, নিৰ্দলীয় প্ৰাৰ্থী নৰুল ইছলাম আৰু মহম্মদ চুমেইৰ লস্কৰ, ভাৰতীয় জাতীয় কংগ্ৰছৰ মনোনীত প্ৰাৰ্থী ৰেকিবুদ্দিন আহমেদ আৰু অসম গণ পৰিষদৰ মনোনীত প্ৰাৰ্থী মঃ নুৰুল ইছলামে মনোনয়ন পত্ৰ দাখিল কৰে। ২৮ নং বকো-ছয়গাঁও সমষ্টিৰ বাবে নিৰ্দলীয় প্ৰাৰ্থী হিচাপে যুমুনা ৰাভা আৰু লাৱণ্য বড়ো ভাৰতীয় জাতীয় কংগ্ৰেছৰ মনোনীত প্ৰাৰ্থী ৰমেন সিং ৰাভা, সৰ্বভাৰতীয় তৃণমূল কংগ্ৰেছৰ মনোনীত প্ৰাৰ্থী ভোগলাল ৰাভা, ভাৰতীয় জনাত পাৰ্টীৰ মনোনীত প্ৰাৰ্থী ৰাজু মেচ, নেচনেল পিপলছ পাৰ্টীৰ মনোনীত প্ৰাৰ্থী গানছেং বি চাংমা, ইউনাইটেড পিপলছ লিবাৰেল পাৰ্টীৰ মনোনীত প্ৰাৰ্থী মনোজ বসুমতাৰীয়ে মনোনয় পত্ৰ দাখিল কৰে। ২৯ নং পলাশবাৰী বিধানসভা সমষ্টিৰ বাবে আম আদমী পাৰ্টীৰ মনোনীত প্ৰাৰ্থী এলভিন বৰুৱা, অসম জাতীয় পৰিষদৰ মনোনীত প্ৰাৰ্থী পংকজ লোচন গোস্বামী, সৰ্বভাৰতীয় তৃণমূল কংগ্ৰেছৰ মনোনীত প্ৰাৰ্থী বিকাশ নাথ, ভাৰতীয় জনতা পাৰ্টীৰ মনোনীত প্ৰাৰ্থী হিমাংশু শেখৰ বৈশ্য, নিৰ্দলীয় প্ৰাৰ্থী জয়ন্ত মহন্ত, যতীন মালী আৰু হিতেশ কলিতাই মনোনয়ন পত্ৰ দাখিল কৰে। ৩০ নং হাজো-শুৱালকুছি বিধানসভা সমষ্টিৰ বাবে নিৰ্দলীয় প্ৰাৰ্থী হিচাপে ৰাজু পাটোৱাৰী আৰু সিদ্ধাৰ্থ দাস, অসম গণ পৰিষদৰ মনোনীত প্ৰাৰ্থী প্ৰকাশ চন্দ্ৰ দাস, ভাৰতীয় জাতীয় কংগ্ৰছৰ মনোনীত প্ৰাৰ্থী নন্দিতা দাস আৰু সৰ্বভাৰতীয় তৃণমূল কংগ্ৰেছৰ মনোনীত প্ৰাৰ্থী ৰজী আহমেদে মনোনয়ন পত্ৰ দাখিল কৰে। ৩১ নং ৰঙিয়া বিধানসভা সমষ্টিৰ বাবে ভাৰতীয় জনতা পাৰ্টীৰ মনোনীত প্ৰাৰ্থী ভবেশ কলিতা, ভাৰতীয় জাতীয় কংগ্ৰেছৰ মনোনীত প্ৰাৰ্থী প্ৰাণজিত চৌধুৰী আৰু আনোৱাৰ খানে নিৰ্দনীয় প্ৰাৰ্থী হিচাপে মনোনয়ন পত্ৰ দাখিল কৰিছে। ৩২ নং কমলপুৰ সমষ্টিৰ বাবে ভাৰতীয় জনতা পাৰ্টীৰ মনোনীত প্ৰাৰ্থী দিগন্ত কলিতা, ভাৰতীয় জাতীয় কংগ্ৰছৰ মনোনীত প্ৰাৰ্থী সত্যব্ৰত কলিতা, এছ ইউ চি আই (কমিউনিষ্ট) পাৰ্টীৰ মনোনীত প্ৰাৰ্থী শিশিৰ কুমাৰ কাকতি, নিৰ্দলীয় প্ৰাৰ্থী হিচাপে নৱ কুমাৰ নাথ আৰু অংকুৰ দাসে মনোনয়ন পত্ৰ দাখিল কৰে। উল্লেখ্য যে ২৪ মাৰ্চত মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰা হ'ব আৰু বৈধভাৱে মনোনীত প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰা হ'ব। ২৬ মাৰ্চত মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন আৰু উক্ত দিনাই প্ৰতিদ্বন্দ্বী প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰা হ'ব। অহা ৯ এপ্ৰিলত ভোটগ্ৰহণ কৰা হ'ব আৰু ৪ মে'ত ভোটগণনা কৰা হ'ব।

**ঘাটক পুত্ৰৰ হাতত প্ৰাণ গ'ল মাতৃৰ**

# পুৰণিগুদামত নৃশংস হত্যাকাণ্ড

**অসম বাৰ্তা, পুৰণিগুদাম, ২৩ মাৰ্চ ঃ** জন্মদাত্ৰী মাতৃক নিজ পুত্ৰই হত্যা কৰাৰ এক ঘটনাই নগাঁও জিলাত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ অন্তৰ্গত পুৰণিগুদাম পাৰঘাট আৰক্ষী চকীৰ এলেকাধীন পুৰণিগুদামৰ কুৰুৱাজানত যোৱা নিশা সংঘটিত হয় এক নৃশংস ঘটনা। ঘাটক পুত্ৰই মৰিয়াই মৰিয়াই হত্যা কৰিলে জন্মদাত্ৰী মাতৃক। ঘটনা সন্দৰ্ভত জানিব পৰা মতে, যোৱা নিশা অভিযুক্ত পুত্ৰ ডিম্বেশ্বৰ বৰাই ৭০ বছৰীয়া বৃদ্ধা মাতৃ পূৰ্ণিমা বৰাক অতি মাত্ৰা নিচাযুক্ত দ্ৰব্য সেৱন কৰি গোৰ- কিল, ভুকু মাৰি নৃশংসভাৱে হত্যা কৰে। আজি পুৱা নৃশংস হত্যাকাণ্ডৰ সম্ভেদ পায় স্থানীয় ৰাইজে আৰক্ষীক খবৰ দিয়ে। পাছত পুৰণিগুদাম পাৰঘাট আৰক্ষী চকীৰ আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ অভিযুক্ত ডিম্বেশ্বৰ বৰাক আটক কৰি অধিক তথ্যৰ বাবে জেৰা অব্যাহত ৰখাৰ লগতে মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁৱৰ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে বুলি জানিব পৰা গৈছে। জানিব পৰা মতে, পিতৃ-মাতৃয়ে পুত্ৰৰ অত্যাচাৰত অতিষ্ঠ হৈ কিছু বছৰৰ পূৰ্বে ভাৰাঘৰত থাকিবলগীয়া হৈছিল।

# নলবাৰীত বিৰোধী ঐক্যমঞ্চৰ প্ৰাৰ্থী অশোক শৰ্মাৰ মনোনয়ন দাখিল

**অসম বাৰ্তা, নলবাৰী, ২৩ মাৰ্চ ঃ** অসম বিধানসভা নিৰ্বাচনৰ মনোনয়ন দাখিলৰ সোমবাৰে অন্তিম দিনত ৰাজ্যজুৰি ৰাজনৈতিক তৎপৰতা তুঙ্গত উঠা দেখা গৈছে। এই পৰিপ্ৰেক্ষিতত নলবাৰী জিলাতো বিভিন্ন দলৰ প্ৰাৰ্থীসকলে উচ্ছ্বাস আৰু শক্তি প্ৰদৰ্শনৰ মাজেৰে মনোনয়ন দাখিল কৰে। জিলাখনৰ আটাইকেইটা সমষ্টিত বিজেপি মিত্ৰজোঁট আৰু বিৰোধী ঐক্যমঞ্চৰ প্ৰাৰ্থীসকলে সমৰ্থকৰ বিশাল উপস্থিতিত মনোনয়ন দাখিল কৰে। মনোনয়ন দাখিলৰ সময়ত প্ৰাৰ্থীসকলে নিজৰ নিজৰ ৰাজনৈতিক শক্তি প্ৰদৰ্শন কৰিবলৈ চেষ্টা কৰা পৰিলক্ষিত হয়। ইফালে, প্ৰাক্তন বিজেপি নেতা তথা বৰ্তমান বিৰোধী ঐক্যমঞ্চৰ প্ৰাৰ্থী অশোক শৰ্মাইও সোমবাৰে জিলা আয়ুক্তৰ কাৰ্যালয়ত আনুষ্ঠানিকভাৱে নিজৰ মনোনয়ন পত্ৰ দাখিল কৰে। তেওঁ বাসগৃহৰ ওচৰৰ লাওদল চ'কৰ পৰা সংহত জিলা আয়ুক্তৰ কাৰ্যালয়লৈ সমৰ্থকৰ বিশাল পদযাত্ৰাৰে আগবাঢ়ি আহি মনোনয়ন দাখিল কৰে। মনোনয়ন দাখিলৰ পিছত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত অশোক শৰ্মাই কয় যে বিজেপি নেতৃত্বাধীন মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰক এইবাৰ উৎখাত কৰাৰ বাবে ৰাইজে সংকল্প লৈছে। তেওঁ কয় যে গৌৰৱ গগৈৰ নেতৃত্বত এখন স্বচ্ছ আৰু শক্তিশালী চৰকাৰ গঠন হ'ব বুলি তেওঁলোক নিশ্চিত। তেওঁ আৰু কয়, "আমি যুঁজিম, আমি জিকিম" শ্ল'গানক সাৰ্থক কৰি তুলিবলৈ কৰ্মীসকলৰ সৈতে সংগঠিতভাৱে আগবাঢ়ি গৈ আছে আৰু নিৰ্বাচনত জয়লাভ কৰিবলৈ বিভিন্ন পৰিকল্পনা গ্ৰহণ কৰা হৈছে। ইফালে, নলবাৰীৰ বিধায়ক তথা মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাক লক্ষ্য কৰি শৰ্মাই সমালোচনা কৰি কয় যে বৰ্তমানৰ বিধায়কজনে সমষ্টিটোৰ বাবে কি কাম কৰিছে সেয়া ৰাইজে ভালদৰে জানে, আৰু এইবাৰ ৰাইজে পৰিৱৰ্তনৰ পক্ষে মত প্ৰকাশ কৰিব বুলি তেওঁ মন্তব্য কৰে।

# নামতিত চুতীয়া যুৱ সন্মিলন অসম, শিৱসাগৰ জিলা সমিতিৰ উদ্যোগত পৰম্পৰাগত অনুষ্ঠান "ভিতৰপকীয়া" সম্পন্ন

**অসম বাৰ্তা, গেলেকী, ২৩ মাৰ্চ ঃ** নামতিত চুতীয়া যুৱ সন্মিলন অসম, শিৱসাগৰ জিলা সমিতিৰ উদ্যোগত দুলিয়া আঞ্চলিক সমিতিৰ সহযোগত চুতীয়া উন্নয়ন পৰিষদৰ পৃষ্ঠপোষকতাত দেওবাৰে আদিম ভূমিপুত্ৰ চুতীয়া সকলৰ পৰম্পৰাগত অনুষ্ঠান "ভিতৰপকীয়া" অনুষ্ঠিত কৰে। অতি পুৰণি আৰু ধাৰ্মিক অনুষ্ঠান ভাগী পৰিচালনা কৰে উত্তৰ পূৰ্বাঞ্চলৰ কাল সংহতি সংস্থাৰ শিৱসাগৰ জিলা সমিতিৰ উপ-সভাপতি হেম গগৈয়ে। ভিতৰপকীয়া অনুষ্ঠানৰ মুখ্য ব্যৱস্থাপক তথা চুতীয়া যুৱ সন্মিলন, অসম কেন্দ্ৰীয় সমিতিৰ শিক্ষা সম্পাদক ভি"ৰ খনিকৰে জানিবলৈ দিয়া মতে, আধুনিকতাৰ ধামখুমীয়াত আদিম ভূমিপুত্ৰ চুতীয়াসকলে নিজৰ পৰম্পৰা আৰু ৰীতি-নীতি সমূহ হেৰুৱাই পেলোৱা পৰিলক্ষিত হৈছে। সেই পৰম্পৰা উঠি অহা প্ৰজন্মৰ মাজত প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে আজিৰ এই অনুষ্ঠাভাগি আয়োজন কৰা হয়। লগতে চুতীয়াসকলৰ পৰম্পৰাগত ৰীতি নীতি, অনুষ্ঠানসমূহ ৰাইজৰ মাজত প্ৰচলিত কৰি ৰখাৰ বাবে চুতীয়া যুৱ সন্মিলন বদ্ধপৰিকৰ বুলি উল্লেখ কৰে। অনুষ্ঠানত চুতীয়া যুৱ সন্মিলন অসম কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক পলাশ হাজৰিকা, মুখ্য উপদেষ্টা মোহন শইকীয়া, উপদেষ্টা ধৰ্ম প্ৰাণ চুতীয়া, বিত্ত সম্পাদক মুকুট শইকীয়া, চাইছা বৰাক উপত্যকাৰ সভাপতি সন্তোষ শইকীয়াকে ধৰি কেইবাজনো কেন্দ্ৰীয় বিষয়ববীয়াৰ লগতে কেইবাখনো জিলা সমিতিৰ প্ৰতিনিধিৰ সহিতে প্ৰায় তিনি শতাধিক ৰাইজ উপস্থিত থাকে।

# কামৰূপ জিলাত বিশেষ পৰ্যবেক্ষকৰ নিৰ্বাচনী প্ৰস্তুতিৰ পৰ্যালোচনা

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ২৩ মাৰ্চ ঃ** আগন্তুক অসম বিধানসভাৰ সাধাৰণ নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ভাৰতৰ নিৰ্বাচন আয়োগে নিযুক্তি দিয়া বিশেষ পৰ্যবেক্ষক মনজিত সিংয়ে আজি সোমবাৰে সংহত জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত এখন পৰ্যালোচনা সভা মিলিত হয়। সভাত কামৰূপ জিলাৰ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই আগন্তুক নিৰ্বাচন স্বচ্ছ, নিকা আৰু শান্তিপূৰ্ণভাৱে অনুষ্ঠিত কৰাৰ বাবে জিলা প্ৰশাসনে গ্ৰহণ কৰা বিভিন্ন ব্যৱস্থাসমূহৰ বিষয়ে বিশেষ পৰ্যবেক্ষকগৰাকীক অৱগত কৰে। উক্ত সভাত কামৰূপ জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক সুবাসিশ বৰুৱা, জিলা উন্নয়ন আয়ুক্ত সুশান্ত দত্ত, নিৰ্বাচনী বিষয়া ড° ভূপালী কাশ্যপৰ লগতে অন্যান্য জ্যেষ্ঠ বিষয়া উপস্থিত থাকে। সভাৰ পিছত বিশেষ পৰ্যবেক্ষকগৰাকীয়ে বিভিন্ন কোষসমূহৰ কাম-কাজসমূহ পৰিদৰ্শন কৰি বিষয়াসকলৰ সৈতে মত-বিনিময় কৰে আৰু তেওঁলোকৰ প্ৰস্তুতিৰ বিষয়ে পৰ্যালোচনা কৰে। পৰিদৰ্শনৰ সময়ত পৰ্যবেক্ষকগৰাকীৰ সৈতে সাধাৰণ পৰ্যবেক্ষক ড° এছ. ভাৰথি দাসন, দেবেন্দ্ৰ কুমাৰ পাণ্ডে, ব্যয় পৰ্যবেক্ষক কপিল কুমাৰ সিং, উমেশ কুমাৰ আগৰৱাল উপস্থিত থাকে। ইয়াৰ উপৰিও বিশেষ পৰ্যবেক্ষকগৰাকীয়ে কামৰূপ জিলাৰ বিভিন্ন ভোটগ্ৰহণ কেন্দ্ৰ পৰিদৰ্শন কৰি ভোটগ্ৰহণ কেন্দ্ৰত চলি থকা প্ৰস্তুতিৰ মূল্যায়ন কৰে আৰু নিৰ্বাচনী প্ৰক্ৰিয়াটো সুচাৰুৰূপে সম্পন্ন কৰাৰ প্ৰস্তুতিৰ ওপৰতো পৰ্যালোচনা কৰে।

# কংগ্ৰেছীৰ আক্ৰমণত আহত দুই বিজেপি কৰ্মী চামগুৰিত নিৰ্বাচনী হিংসা

**অসম বাৰ্তা, ৰূপহীহাট, ২৩ মাৰ্চ ঃ** চামগুৰিত নিৰ্বাচনৰ পূৰ্বেই আৰম্ভ হল নিৰ্বাচনী হিংসা। কংগ্ৰেছ প্ৰাৰ্থী তানজিল হুছেইনৰ মনোনয়ন দাখিল কৰিব যোৱা সমৰ্থকে বিজেপি কৰ্মীক আক্ৰমণ কৰাৰ অভিযোগ। কংগ্ৰেছৰ ৰেলি গৈ থকা লোকে বিজেপি কৰ্মীৰ গাড়ীৰ ফ্লেগ ফালি দিছিল। বিজেপি কৰ্মীয়ে কিয় ফ্লেগ ফালিলে বুলি সুধিব যোৱাৰ সময়তে বিজেপি কৰ্মীক আক্ৰমণ কৰে বুলি জানিব পৰা গৈছে। ৰূপহীৰ পৰা নগাঁৱলৈ যাওঁতে মহখুলিত বিজেপি কৰ্মীক আক্ৰমণ কৰে। কংগ্ৰেছ কৰ্মীৰ আক্ৰমণত আহত হয় দুজনকৈ বিজেপি কৰ্মীৰ। আহতদ্বয় ক্ৰমে আব্দুল ছাত্তাৰ আৰু বাবুল ইছলাম ইয়াৰ এজনৰ ঘৰ ঘেঁহুৱা চলচলি আনজনৰ বৰঘাট বুলি জানিব পৰা গৈছে। সম্প্ৰতি দুয়ো নগাওঁ মেডিকেল কলেজত চিকিৎসাধীন অৱস্থাত আছে বুলি জানিব পৰা গৈছে।

# ৰঙিয়াত মাৰাথন প্ৰচাৰ দুবাৰৰ বিধায়ক ভবেশ কলিতাৰ

**অসম বাৰ্তা, ৰঙিয়া, ২৩ মাৰ্চ ঃ** ৰঙিয়াত নিৰ্বাচনী প্ৰচাৰ অভিযান ক্ৰমাৎ তুংগত উঠিছে। শাসকীয় বিৰোধী উভয়ে ভোটাৰ ৰাইজৰ মাজলৈ যোৱাৰ লক্ষ্যৰে প্ৰচেষ্টা অব্যাহত ৰাখিছে। ৰঙিয়াৰ বিধায়ক তথা তৃতীয়বাৰৰ বাবে বিজেপি দলৰ প্ৰক্ষেপিত প্ৰাৰ্থী ভবেশ কলিতাই নিৰ্বাচনী কাম-কাজ অধিক তৰান্বিত কৰাৰ লক্ষ্যৰে সোমবাৰে মুকলি কৰে বৰলীয়া ব্লক মণ্ডলৰ মুখ্য কাৰ্যালয়। ৰঙিয়াৰ বালাগাৱত স্থাপন কৰা মুখ্য কাৰ্যালয়ৰ উন্মোচনী উপলক্ষে বিয়লি অনুষ্ঠিত কৰা হয় মুকলি সভা। কাৰ্যালয় উন্মোচনৰ পিছতে অনুষ্ঠিত সভাত ভবেশ কলিতাই অংশগ্ৰহণ কৰি বিৰোধী কংগ্ৰেছ দলক চোকা সমালোচনা কৰে। ভাষণ প্ৰসঙ্গত কলিতাই কয় যে এইবাৰ যুঁজ এখন হব মহিলাৰ সুৰক্ষাৰ। ৰাজ্যৰ শিক্ষা, স্বাস্থ্যকে ধৰি সৰ্বদিশত উন্নয়নৰ। এটা ভোটৰ বিনিময়ত সুস্থ চৰকাৰ এখন গঠন হব বুলি উল্লেখ কৰি সমবেত ৰাইজক ভোটদানৰ অধিকাৰ সাব্যস্ত কৰাৰ বাবেও আহ্বান জনায় ভবেশ কলিতাই। সভাত বিজেপি দলৰ ৰাজ্যিক মিডিয়া পেনেলিষ্ট দিলীপ শৰ্মা, কামৰূপ জিলা পৰিষদৰ সভাপতি নিপন ভূঞা প্ৰমুখ্যে আন কেবাগৰাকীও জ্যেষ্ঠ নেতাই অংশগ্ৰহণ কৰে।

# মৰিগাঁও জিলাত ১৩ গৰাকী প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ দাখিল

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, মৰিগাঁও, ২৩ মাৰ্চ ঃ** মৰিগাঁও নিৰ্বাচন জিলাৰ তিনিটা বিধানসভা সমষ্টিৰ বাবে আজি ১০ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰে। ইয়াকে লৈ আজি মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিনালৈকে মুঠ ১৩ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰে। আজি ৫২ নং জাগীৰোড (অঃ জাঃ) সমষ্টিৰ বাবে কংগ্ৰেছ দলৰ প্ৰাৰ্থী বুবুল দাসে মনোনয়ন পত্ৰ দাখিল কৰে। আনহাতে ৫৩ নং লাহৰীঘাট সমষ্টিৰ বাবে কংগ্ৰেছ দলৰ প্ৰাৰ্থী আচিফ মহম্মদ নাজাৰ আৰু অসম গণ পৰিষদ দলৰ প্ৰাৰ্থী মহম্মদ খলিলুৰ ৰহমানে মনোনয়ন দাখিল কৰে। সমষ্টিটোৰ বাবে নিৰ্দলীয় প্ৰাৰ্থী হিচাপে হাৰেশা খানম আৰু ওমৰ ফাৰুকে মনোনয়ন দাখিল কৰে। ইফালে, ৫৪ নং মৰিগাঁও সমষ্টিৰ বাবে অসম জাতীয় পৰিষদ দলৰ প্ৰাৰ্থী বাণীকান্ত দাস আৰু নিৰ্দলীয় হিচাপে অমলেশ মেধি, নিখিল ডেকাৰজা, চেনিৰাম কোঁৱৰ আৰু প্ৰদীপ বৰুৱাই মনোনয়ন পত্ৰ দাখিল কৰে। ইয়াৰ পূৰ্বে যোৱা ২০ মাৰ্চত ৫২ নং জাগীৰোড (অঃ জাঃ) সমষ্টিৰ বাবে ভাৰতীয় জনতা পাৰ্টীৰ মনোনীত প্ৰাৰ্থী পীযুষ হাজৰীকাই মনোনয়ন পত্ৰ দাখিল কৰিছিল। ৫৩ নং লাহৰীঘাট সমষ্টিৰ বাবে এ আই ইউ ডি এফ দলৰ মনোনীত প্ৰাৰ্থী চিদ্দিক আহমেদে আৰু ৫৪ নং মৰিগাঁও সমষ্টিৰ বাবে ভাৰতীয় জনতা পাৰ্টীৰ মনোনীত প্ৰাৰ্থী ৰমাকান্ত দেউৰীয়ে মনোনয়ন পত্ৰ দাখিল কৰিছিল। উল্লেখ্য যে কাইলৈ অৰ্থাৎ ২৪ মাৰ্চত মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰা হ'ব। ২৬ মাৰ্চ মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন। ৯ এপ্ৰিলত ভোটগ্ৰহণ কৰা হ'ব। ৪ মে'ত ভোটগণনা কৰা হ'ব।

# তাৰাবাৰী আৰক্ষীৰ জালত বুজন পৰিমাণৰ ড্ৰাগছসহ এটা ড্ৰাগছ ব্যৱসায়ী




**অসম বাৰ্তা, চেঙা, ২৩ মাৰ্চ ঃ** বৰপেটা জিলাত অব্যাহত আছে আৰক্ষীৰ ড্ৰাগছ বিৰোধী অভিযান। জিলাখনৰ নৱ নিযুক্ত জ্যেষ্ঠ আৰক্ষী অধীক্ষক পুস্কিন জৈন আৰু অতিৰিক্ত আৰক্ষী অধীক্ষক (অপৰাধ শাখা) সমীৰণ বৈশ্যৰ তৎপৰতাত জিলাখনত তীব্ৰতৰ হৈ উঠিছে ড্ৰাগছৰ বিৰুদ্ধে অভিযান। আজি সন্ধিয়া বৰপেটা জিলাৰ তাৰাবাৰী আৰক্ষীৰ জালত পৰিছে এটা ড্ৰাগছ ব্যৱসায়ী। ধৃত ড্ৰাগছ ব্যৱসায়ীটো সৰ্থেবাৰী থানাৰ অন্তৰ্গত সৰিয়হকুছি গাঁৱৰ চমেজ আলীৰ পুত্ৰ হাবিজুল আলী (২৪)বুলি জানিব পৰা গৈছে। গোপন খবৰৰ ভিত্তিত আজি সন্ধিয়া তাৰাবাৰী আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া সঞ্জয় কুমাৰ ৰয়ৰ নেতৃত্বত উপ পৰিদৰ্শক বিশ্বজিৎ দাসসহ এটি আৰক্ষীৰ দলে চেঙা শালদিয়াপাৰাৰ ভৰিধোৱা ঘাটৰ ওচৰত চলাইছিল ড্ৰাগছৰ বিৰোধী অভিযান। অভিযানকালত ধৃত হাবিজুল আলীৰ পৰা এটা চাবোনৰ বাকচ ভৰ্তি সন্দেহযুক্ত হেৰ'ইন জব্দ কৰে আৰক্ষীয়ে। ড্ৰাগছ সৰবৰাহত ব্যৱহৃত এখন বাইকো জব্দ কৰে আৰক্ষীয়ে। আৰক্ষীয়ে জব্দ কৰা এপাচি বাইকখনৰ নম্বৰ হৈছে এএচ-১৪ কিউ-৬৭৫২। ধৃত হাবিজুল আলীৰ বিৰুদ্ধে তাৰাবৰী আৰক্ষীয়ে নিজাববীয়াকৈ গোচৰ ৰুজু কৰিব বুলি জানিব পৰা গৈছে।

# অসম আৰক্ষীৰ কামাণ্ডো বাহিনীৰ শিবিৰ আক্ৰমণস্থলী পৰিদৰ্শন অসম আৰক্ষীৰ সঞ্চালক প্ৰধান হৰ্মিত সিঙৰ

**অসম বাৰ্তা, মাৰ্ঘেৰিটা, ২৩ মাৰ্চ ঃ** ২২ মাৰ্চ দেওবাৰৰ পুৱতি নিশা সংযুক্ত মুক্তি বাহিনী অসম, থোৰতে আলফা (স্বাধীন)ৰ এটা গোটৰ দ্বাৰা ১০ মাইলস্থিত অসম আৰক্ষীৰ কামাণ্ডো বাহিনীৰ শিবিৰত অতৰ্কিতে হোৱা আক্ৰমণৰ পিছত সোমবাৰে ঘটনাস্থলী পৰিদৰ্শন কৰে অসম আৰক্ষীৰ সঞ্চালক প্ৰধান হৰ্মিত সিঙে। ঘটনাস্থলীত উপস্থিত হৈ সঞ্চালক প্ৰধান গৰাকীয়ে কামাণ্ডো শিবিৰ পৰিদৰ্শন কৰি ঘটনাৰ বুজ লয়। ঘটনাটোত গুৰুত্বৰ ভাৱে আঘাত প্ৰাপ্ত চাৰিজন কামাণ্ডো জোৱানৰ ভিতৰৰ তিনিজন জোৱানৰ অতি শীঘ্ৰে অস্ত্ৰপ্ৰসাৰ কৰা হ'ব বুলি জানিবলৈ দিয়ে আৰু অন্য এগৰাকী জোৱানক সংকটজনক অৱস্থাত উচ্চ চিকিৎসাৰ বাবে গুৱাহাটীলৈ প্ৰেৰণ কৰাৰ কথা উল্লেখ কৰে। উল্লেখযোগ্য যে আলফা (স্বাধীন)ৰ গোটে কৰা এই আকস্মিক আক্ৰমণত কামাণ্ডো জোৱানৰ শিবিৰত নিক্ষেপ কৰা হয় আৰ, পি, জি, নামৰ শক্তিশালী বোমা আৰু ধাৰাসাৰ গুলীবৰ্ষণ। প্ৰত্যুত্তৰত কমাণ্ডোৰ জোৱান সকলেও আলফা (স্বাধীন)ৰ গোটলৈ লক্ষ্য কৰি গুলী চালনা কৰে। দেওবাৰৰ পুৱতি নিশা প্ৰায় ২মান বজাত সংঘটিত হোৱা এই সংঘৰ্ষ প্ৰায় ত্ৰিশ মিনিটৰলৈকে চলিছিল বুলি স্থানীয় ৰাইজৰ পৰা জানিব পৰা গৈছে। এই সমগ্ৰ ঘটনাৰ পাছত আৰক্ষী সঞ্চালক প্ৰধান গৰাকীয়ে সংবাদ মাধ্যমত কোনো সংগঠনৰ নাম নোলোৱাকৈ এনে ঘটনা কেতিয়াও কাম্য নহয় আৰু ইয়াৰ দ্বাৰা অসম তথা অসমীয়াৰ কোনো লাভ নহয় বুলি মন্তব্য প্ৰদান কৰে আৰু ঘটনা সন্দৰ্ভত আৱশ্যকীয় পদক্ষেপ গ্ৰহণ কৰা হ'ব বুলিও জানিবলৈ দিয়ে। আটাইতকৈ উল্লেখনীয় দিশটো হল যে, যদিওবা আৰক্ষী সঞ্চালক প্ৰধান গৰাকীয়ে এই আক্ৰমণৰ ঘটনাত কোনো সংগঠনৰ নাম নিজৰ মন্তব্যত উল্লেখ কৰা নাই, ইয়াৰ বিপৰীতে কিন্তু এই আক্ৰমণৰ ঘটনা সংঘঠিত কৰা বুলি সম্পূৰ্ণ দায়িত্ব বহন কৰি সংযুক্ত মুক্তি বাহিনী অসম (স্বাধীন)ৰ প্ৰচাৰ বিভাগৰ সম্পাদক মেজৰ নিৰ্ণয় অসমৰ স্বাক্ষৰ সম্বলিত এক প্ৰেছ বিজ্ঞপ্তি প্ৰচাৰৰ বাবে সংবাদ মাধ্যম সমূহলৈ প্ৰেৰণ কৰে।

# দেৰগাঁও নৱজ্যোতি ফিজিঅ'থেৰাপীত ৰবটিক স্পাইনেল ডিকম্প্ৰেছন মেচিন সংযোজন

**অসম বাৰ্তা, দেৰগাঁও, ২৩ মাৰ্চ ঃ** গোলাঘাট জিলাৰ অন্যতম দেৰগাঁও ফুকন নগৰ স্থিত নৱজ্যোতি ফিজিঅ'থেৰাপী গৱেষণা কেন্দ্ৰত ২২ মাৰ্চত অত্যাধুনিক এটা মেচিন মুকলি কৰা হয়। উল্লেখ্য যে গোলাঘাটৰ দেৱৰাজ ৰয় মহাবিদ্যালয়ৰ অধ্যাপক ড° দেৱজিত ফুকন আৰু আছুৰ উপ-সভাপতি অভিবৰ্তন গোস্বামীৰ লগতে বিভিন্ন স্তৰৰ ৰাইজৰ উপস্থিতিত মুকলি কৰা, ৰবটিক স্পাইনেল ডিকম্প্ৰেচন মিচিনটোৱে বিষজনিত সকলো সমস্যা দূৰ কৰিব বুলি ড° অৰুণ জ্যোতি হাজৰিকাই ৰাইজক অৱগত কৰে। ইয়াৰ লগতে মেচিনটোৰ মুকলিৰ উদ্দেশ্যৰে ড° পৰাগ ঠাকুৰে সভাপতিত্ব কৰা এক গাম্ভীৰ্যপূৰ্ণ সভাৰ আত ধৰে প্ৰতিষ্ঠানটিৰ সম্পাদক ড° সুৰেন বৰাই। উপস্থিত থাকে গোলাঘাটৰ দেৱৰাজ ৰয় মহাবিদ্যালয়ৰ অধ্যাপক ড° দেৱজিত ফুকন, আছুৰ উপ-সভাপতি অভিবৰ্তন গোস্বামী, ডিকেডি কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ভোলা হাজৰিকা, অৱসৰপ্ৰাপ্ত শিক্ষয়ত্ৰী অৱনী বৰঠাকুৰ, অধ্যাপক ডম্বৰু ক্ষীৰেশ্বৰ লইং, শিক্ষক প্ৰজ্ঞা সুন্দৰ হাজৰিকা, সমাজকৰ্মী প্ৰশান্ত মাধৱ বৰা, ৰাজীৱ উপাধ্যায়ৰ লগতে বিভিন্ন স্তৰৰ ৰাইজ। প্ৰতিষ্ঠানটোৰ এই নতুন সংযোজনে কেৱল অসমৰেই নহয়, বৰঞ্চ সমগ্ৰ উত্তৰ-পূৰ্বৰ ৰাইজক যথেষ্ট সকাহ দিব বুলি আশা কৰিছে ড° অৰুণ জ্যোতি হাজৰিকাই।

**প্ৰদীপ হাজৰিকাৰ উপদেষ্টাসহ কেইবাজনো নেতাই অখিল গগৈৰ উপস্থিতিত ৰাইজৰ দলত ল'লৈ আশ্ৰয়**

# বিজেপিৰ প্ৰতাৰণাৰ ক্ষোভত অগপ সভাপতিৰ অতি ঘনিষ্ঠ আমগুৰিৰ অভিপ্সিত শইকীয়াৰ ৰাইজৰ দলত যোগদান

**অসম বাৰ্তা, চেলেংহাট, ২৩ মাৰ্চ ঃ** অসম গণ পৰিষদৰ দলৰ শিৱসাগৰ জিলা কৰ্ণধাৰ সমিতিৰ সদস্য তথা বিধায়ক প্ৰদীপ হাজৰিকাৰ তথ্য প্ৰযুক্তিৰ উপদেষ্টা অভীপ্সিত শইকীয়াই আজি অখিল গগৈৰ উপস্থিতিত ৰাইজৰ দলত যোগদান কৰে। বিজেপি দলে অগপ দলক কৰা প্ৰতাৰণা আৰু শিৱসাগৰ সমষ্টিৰ অগপ প্ৰাৰ্থী গৰাকীক বিজেপিয়ে শৰবিদ্ধ কৰাৰ প্ৰচণ্ড ক্ষোভত আমগুৰি পৌৰসভাৰ চৰকাৰী মনোনীত সদস্য তথা মন্ত্ৰী অতুল বৰাৰ অতি ঘনিষ্ঠ অভিপ্সিত শইকীয়াই আজি গৌৰীসাগৰত আখিল গগৈৰ উপস্থিতিত ৰাইজৰ দলত যোগদান কৰে। উল্লেখযোগ্য যে, অভিপ্সিত শইকীয়া আই আই টি গুৱাহাটীৰ প্ৰাক্তন প্ৰকল্প অভিযন্তা, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ কম্পিউটাৰ ইঞ্জিনিয়াৰিং বিভাগৰ প্ৰাক্তন প্ৰবক্তা তথা আমগুৰিৰ সমাজ জীৱনৰ পুৰোধা ব্যক্তি হৰেন শইকীয়াৰ সু-সন্তান। আজি বিয়লি গৌৰীসাগৰত শিৱসাগৰৰ বিধায়ক অখিল গগৈয়ে গামোছা আৰু দলীয় বস্ত্ৰ পিন্ধাই ৰাইজৰ দললৈ উষ্ম আদৰণি জনাই। ইফালে বিধায়ক প্ৰদীপ হাজৰিকাৰ নিজা পঞ্চায়ত ভূঞাহাট গাওঁ পঞ্চায়তৰ কেইবাগৰাকীও অগপ নেতাৰ লগতে কংগ্ৰেছৰ কৰ্মী আৰু এগৰাকী আত্মসমৰ্পণকাৰী আলফা সদস্যই ৰাইজৰ দলত যোগদান কৰে।

# দিপ প্ৰতিম বৰাক সত্যনিষ্ঠ সাংবাদিকতা বঁটা প্ৰদান

**অসম বাৰ্তা, লখিমপুৰ বিশেষ, ২৪ মাৰ্চ ঃ** গুৱাহাটীৰ মাছখোৱাস্থিত প্ৰাগজ্যোতিষ সাংস্কৃতিক ন্যাস ভৱনত ২২ আৰু ২৩ মাৰ্চত আয়োজিত শিক্ষক প্ৰকাশন সংস্থা, অসমৰ গ্ৰন্থ উন্মোচনী আৰু বঁটা প্ৰদান অনুষ্ঠানত অসমীয়া প্ৰতিদিনৰ বগীনদীৰ সাংবাদিক তথা অসম বাৰ্তা কাকতৰ সাংবাদিক, কবি, সমাজসেৱী দিপ প্ৰতিম বৰাক 'সত্যনিষ্ঠ সাংবাদিকতা বঁটা ২০২৬' প্ৰদান কৰা হয়। সংস্থাৰ সভানেত্ৰী কুসুম কোঁৱৰ আৰু মুখ্য সম্পাদক মৃদুল শইকীয়া তথা অন্যান্য কেইবাগৰাকী বিষয়ববীয়াই এই বঁটা প্ৰদান কৰে। এই অনুষ্ঠানতে বিভিন্নজন বিশিষ্ট ব্যক্তিলৈ অসম শিক্ষাবিদ বঁটা, শিল্পী সুৰভি বঁটা, গুৰু চৰিত বঁটা, মানৱ দৰদী বঁটা, জীৱন সমৃদ্ধ বঁটা আৰু অসম জননায়ক বঁটা প্ৰদান কৰা হয়।

জয়মতী কুঁৱৰীৰ ত্যাগ আৰু দেশপ্ৰেমৰ আদৰ্শৰে নৱপ্ৰজন্মক অনুপ্ৰাণিত কৰাৰ প্ৰচেষ্টা

# চুঙাজানত জয়া দিৱসৰ লাইখুঁটা স্থাপন

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, সৰুপথাৰ, ২৩ মাৰ্চ ঃ** অসম-নগালেণ্ড সীমান্তৰ চুঙাজান দ-গাঁও, মাজগাঁও গদাপাণি ডালিমি সমন্বয় ক্ষেত্ৰত চুঙাজানবাসী ৰাইজৰ উদ্যোগত তথা টাই আহোম মহিলা পৰিষদ অসম, সৰুপথাৰ সমজিলা সমিতি আৰু টাই আহোম যুৱ পৰিষদ অসম, ধনশিৰি মহকুমা সমিতিৰ সহযোগত লগতে চুঙাজান সন্মিলিত মহিলা সকলৰ আতিথ্যত আগন্তুক ২৮ আৰু ২৯মাৰ্চ তাৰিখে দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে "জয়া দিৱস আৰু জনগোষ্ঠীয় সাংস্কৃতিক সমাৰোহ" আয়োজন কৰিবলৈ আগবাঢ়িছে। অসমীয়া নাৰীৰ ত্যাগক প্ৰতিফলিত কৰা আহোম ৰমণী জয়মতী কুঁৱৰীৰ অমৰ আত্মবলিদান, দেশপ্ৰেম আৰু সাহসীকতাক স্মৰণ কৰাৰ তেখেতৰ আদৰ্শৰে নৱপ্ৰজন্মক অনুপ্ৰাণিত কৰাৰ মানসেৰে আয়োজন কৰা এই জয়া দিৱসৰ কাৰ্যসূচী অনুসৰি অনুষ্ঠানৰ প্ৰথম দিনটোত মূল তোৰণ মুকলি, পতাকা উত্তোলন, চ্যুকাফাৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ, জয়মতীৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ, জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ, জনগোষ্ঠীয় বিপণী উন্মোচন, সাহিত্য প্ৰতিযোগিতা, মহিলা সকলৰ মাজত বিভিন্ন খেল-ধেমালী আৰু সন্ধিয়াৰ ভাগলৈ ডনী সন্দিকৈৰ পৰিচালনাৰে "জয়মতী" পূৰ্ণাংগ নাটক প্ৰদৰ্শন কৰিব। আনহাতে কাৰ্যসূচীৰ দ্বিতীয় দিনা ২৯মাৰ্চ তাৰিখে পুৱাৰ ভাগত বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা, দিনৰ ভাগত মুকলি সভা আৰু জনগোষ্ঠীয় সমাৰোহৰ লগতে বিশেষ সম্বৰ্ধনা অনুষ্ঠান আৰু বিভিন্ন জনগোষ্ঠীয় নৃত্য প্ৰদৰ্শন কৰিব। অনুষ্ঠানৰ সামৰণি হিচাপে বাৰেৰহণীয়া সাংস্কৃতিক সন্ধিয়া আৰু আমন্ত্ৰিত শিল্পীৰ দ্বাৰা গীতৰ শৰাই অনুষ্ঠান অনুষ্ঠিত কৰিব। তদুপলক্ষে সোমবাৰে সম্পূৰ্ণ ধৰ্মীয় ৰীতিনীতিৰ মাজেৰে উদ্‌যাপন সমিতি আৰু স্থানীয় মহিলা সকলৰ সহযোগত অনুষ্ঠানৰ লাইখুঁটা ভাগ স্থাপন কৰে। ইফালে কাৰ্যসূচীৰ দ্বিতীয় দিনা প্ৰদৰ্শন হবলগীয়া "জয়মতী" পূৰ্ণাঙ্গ নাটভাগৰ বাবে মহিলা সকলে প্ৰাণঢালি আখৰা কৰাত ব্যস্ত হৈ পৰিছে। সেয়েহে জয়া দিৱস আৰু জনগোষ্ঠীয় সাংস্কৃতিক সমাৰোহ অনুষ্ঠানৰ দুয়োটা দিনতে উদ্‌যাপন সমিতিয়ে সকলো ৰাইজৰ উপস্থিতি আৰু সহায়-সহযোগিতা কামনা কৰিছে।

# বিজয়গাঁও-বৰছুৰা গাঁৱৰ নামঘৰত

## তিনিদিনীয়াকৈ সৰ্বজনীন পালনাম মহোৎসৱ সম্পন্ন



**অসম বাৰ্তা, বাসুগাঁও, ২৩ মাৰ্চ ঃ** চিৰাং আৰু বঙাইগাঁও জিলাৰ সীমান্তৱৰ্তী বিজয়গাঁও-বৰছুৰা সৰ্বজনীন নামঘৰত তিনিদিনীয়াকৈ পালনাম মহোৎসৱ সম্পন্ন হয়। যোৱা ২০, ২১ আৰু ২২ মাৰ্চ তাৰিখে অনুষ্ঠিত পালনাম মহোৎসৱৰ যোৱানিশা ৰঙিয়াৰ পৰা আমন্ত্ৰণ কৰি অনা সবিতা কাকতি ডেকা আৰু সংগী বৃন্দৰ নাগাৰা (দবা) নাম প্ৰৰ্দশন কৰা হয়। দলটিৰ প্ৰদৰ্শনে স্থানীয় লোকক আপ্লুত কৰে। ইয়াৰোপৰি ৰাতিপুৱা পালনামৰ সামৰণি প্ৰসঙ্গ, বৰ্ণাঢ্য ভাগৱত শোভাযাত্ৰা, দুপৰীয়া সামৰণি নাম, ধৰ্মালোচনী সভা আদি অনুষ্ঠিত হয়। ২০ মাৰ্চৰ আৰম্ভণিৰ দিনা অধিবাসেৰে আৰম্ভ হয়। সিদিনা সন্ধিয়া গাঁৱৰ প্ৰতি ঘৰৰ পদূলিত এগছিকৈ বন্তি প্ৰজ্বলন কৰা হয়। দ্বিতীয় দিনা পালনামৰ আৰম্ভণি প্ৰসঙ্গৰ আঁতধৰে বিজনীৰ ৰবীন পাঠক বাপ আৰু সংগী বৃন্দই। ইয়াৰোপৰি ভাগৱত পাঠ, আই সকলৰ নাম, অবিৰামভাৱে থিয়নাম অনুষ্ঠিত হয়। সন্ধিয়া বঙাইগাঁও বিধানসভা সমষ্টিৰ বিধায়িকা দ্বিপ্তিময়ী চৌধুৰী, বি টি চিৰ কাৰ্যবাহী সদস্য কৰ্মেশ্বৰ ৰায়, বি পি এফ দলৰ বাওখুংগ্ৰী সমষ্টিৰ প্ৰাৰ্থী ৰূপম ৰায় আৰু বাসুগাঁৱৰ বিশিষ্ট সমাজকৰ্মী শম্ভু ৰাজবংশী উপস্থিত থাকি নামদল আৰু উদযাপন সমিতিক উচ্ছাস-উদ্দীপনা যোগায়। তেওঁলোকে নামঘৰৰ সন্মুখত বন্তি প্ৰজ্বলন কৰি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আৰ্দশৰে সমাজখনৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত ঐক্য-একোতা-শৃংখলাবদ্ধতাৰে আগুৱাই যোৱাৰ লগতে নামঘৰৰ উন্নয়ন কল্পে সকলো প্ৰকাৰ সহযোগিতাৰ আশ্বাস দিয়ে। উল্লেখযোগ্য যে তিনিও দিনৰ কাৰ্যসূচী নিয়াৰিকৈ সু-সম্পন হোৱাত সৰ্বজনীন পালনাম মহোৎসৱ উদযাপন সমিতিৰ সভাপতি গণেশ চন্দ্ৰ ৰায়, যুটীয়া সম্পাদক প্ৰদীপ কুমাৰ দাস আৰু নাৰায়ণ ৰায়ে গভীৰ সন্তুষ্টি প্ৰকাশ কৰি সকলোকে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে।

ৰাইজৰ দল আৰু কংগ্ৰেছৰ হাজাৰ হাজাৰ সমৰ্থকৰ বৃহৎ ৰেলী

# বিৰোধী মিত্ৰজোঁটৰ ধিং সমষ্টিৰ প্ৰাৰ্থী মেহবুব মুক্তাৰৰ মনোনয়ন পত্ৰ দাখিল



**অসম বাৰ্তা, মৈৰাবাৰী, ২৩ মাৰ্চ ঃ** অসম বিধান সভা নিৰ্বাচনৰ প্ৰাক ক্ষণত দল সমূহৰ মিত্ৰতা আৰু আসন বুজা বুজিৰ নামত হোৱা বিবাদৰ বিপৰীতে ধিং সমষ্টিত বিৰোধী মিত্ৰ জোঁটৰ প্ৰাৰ্থী মেহবুব মুক্তাৰৰ ক্ষেত্ৰত দেখা গ'ল সম্পুন্ন বিপৰীত ছবি। আজি মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিন টোত ধিং সমষ্টিৰ বিৰোধী মিত্ৰ জোঁটৰ প্ৰাৰ্থী মেহবুব মুক্তাৰে ৰাইজৰ দলৰ সমৰ্থক সকলৰ সমান্তৰালকৈ সমৰ্থন আদায় কৰিবলৈ সক্ষম হয় কংগ্ৰেছ কৰ্মী সকলৰ। নিজ বাস ভৱনৰ পৰা আজি পুৱা ভাগতে ধিং সমষ্টিৰ বিৰোধী মিত্ৰ জোঁটৰ প্ৰাৰ্থী গৰাকীক ৰাইজৰ দল আৰু কংগ্ৰেছৰ নেতা কৰ্মী সকলে অভিবাদন জনাই ধিং ৰাজীৱ ভৱনলৈ আগবঢ়াই নিয়ে। পৰৱৰ্তী সময়ত ধিং ৰাজীৱ ভৱনত সমষ্টি টোৰ দুয়োটা দলৰ ব্লক, মণ্ডল, বুথ আৰু পঞ্চায়ত পৰ্যায়ৰ নেতা কৰ্মী সকলৰ লগতে দুয়োটা দলৰ সকলো ভাতৃ আৰু ভগ্নী সংগঠনৰ বিষয় ববীয়াৰ নেতৃত্বত সমৰ্থক তথা দলীয় কৰ্মী সকল সমবেত হৈ তাৰ পৰা বৃহৎ ৰেলিৰে আগবাঢ়ে নগাঁও জিলা আয়ুক্ত কাৰ্যালয়লৈ। ৰাইজৰ দল আৰু কংগ্ৰেছৰ পতাকা একাকাৰ হৈ পৰে বৃহৎ ৰেলি টোত। আজি মনোনয়ন পত্ৰ দাখিলৰ যাত্ৰা পথত দুই দলৰ সমৰ্থক ব্যাপক সঁহাৰিয়ে এ আই ইউ ডি এফৰ ভেটিত একপ্ৰকাৰ কঁপনিৰ সৃষ্টি কৰে। আজি মনোনয়ন পত্ৰ দাখিলৰ পাছত সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত মেহেবুব মুক্তাৰে কয় - ধিং সমষ্টিত এইবাৰ এ আই ইউ ডি এফৰ বিশ বছৰীয়া প্ৰৱঞ্চনা আৰু প্ৰতাৰণাৰ বিৰুদ্ধে জনজাগৰণ যাত্ৰা আৰম্ভ হৈছে। হাতে হাত ধৰি ধিং সমষ্টিবাসীয়ে নতুন ধিং সমষ্টি গঢ়ি দিয়াৰ সংগ্ৰামৰ গণতান্ত্ৰিক আন্দোলনৰ চামিল হৈছে। এ আই ইউ ডি এফৰ ধৰ্মীয় মেৰুকৰণ ৰাজনীতিৰ বিৰুদ্ধে এইটো নিৰ্বাচনত ৰাইজে সমন্বয় আৰু উন্নয়নৰ নতুন সুৰুয উদয় কৰাৰ সংকল্প লৈছে। এতিয়া আমাৰ প্ৰথম আৰু শেষ কথা এটাই - উন্নয়ন। এনেদৰে কয় মুক্তাৰে।

### বিজেপি নেতা উদ্ধৱ দাসৰ নিৰ্দলীয় হিচাপে মনোনয়ন দাখিল

# বৰপেটাত অগপৰ বিৰুদ্ধে যুঁজত নামিল বিজেপি নেতা উদ্ধৱ দাস

**অসম বাৰ্তা, বৰপেটা সদৰ, ২৩ মাৰ্চ ঃ** বৰপেটাত অগপৰ বিৰুদ্ধে যুঁজত নামিল বিজেপি নেতা উদ্ধৱ দাসে। বিজেপি নেতা উদ্ধৱ দাসে নিৰ্দলীয় হিচাপে আজি মনোনয়ন পত্ৰ দাখিল কৰে। বৰপেটা জিলা বিজেপিৰ সভাপতি মহেন্দ্ৰ দাসৰ শুভেচ্ছা লৈ নিৰ্দলীয় হিচাপে মনোনয়ন দাখিল কৰে উদ্ধৱ দাসে। উদ্ধৱ দাসে বৰপেটাত বিজেপিৰ পৰা বিচাৰিছিল প্ৰাৰ্থীত্ব। কিন্তু বৰপেটা সমষ্টিটো NDAৰ মিত্ৰদল অগপক এৰি দিয়াকৈলে ক্ষুব্ধ বিজেপি নেতাজনে আজি নিৰ্দলীয় হিচাপে মনোনয়ন দাখিল কৰে। উদ্ধৱ দাসৰ দাবী, তেওঁৰ প্ৰতি সমৰ্থন আছে বিজেপি নেতা কৰ্মীৰ। আনকি মনোনয়নৰ পূৰ্বে বিজেপিৰ জিলা সভাপতি মহেন্দ্ৰ দাসে ফোনযোগে তেওঁক শুভেচ্ছা জনোৱা বুলিও মন্তব্য উদ্ধৱ দাসৰ। উল্লেখ্য যে মনোনয়ন দাখিলৰ সময়ত কেবাজনো বিজেপি কাৰ্যকৰ্তাই তেওঁক সংগ দিয়ে।

# পথালিপাহাৰত ৫ দিনীয়া ভাওনা সমাৰোহৰ সফল সমাপ্তি

**অসম বাৰ্তা, বান্দৰদেৱা, ২৪ মাৰ্চ ঃ** ভাওনা শিল্পী সমাজ, লখিমপুৰ জিলা সমিতিৰ উদ্যোগত বিগত বছৰ দৰে এইবাৰো পঞ্চম বাৰ্ষিক জিলা ভাওনা সমাৰোহ ভাগি লখিমপুৰ জিলাৰ অসম অৰুণাচল সীমান্তৱতী পথালিপাহাৰবাসী ৰাইজৰ সহযোগত আজি ২০ মাৰ্চৰ পৰা ২৪ মাৰ্চ (২০২৬)লৈ পাঁচ দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে মাধৱদেৱ ৰংগক্ষেত্ৰত উদ্‌যাপিত হৈছিল। আজি বঁটা বিতৰণি মুকলি সভাখনি শুভ উদ্বোধন কৰে শংকৰদেৱ আৰু মাধৱদেৱ কলাক্ষেত্ৰৰ সচিব সুদৰ্শন ঠাকুৰে। অধ্যক্ষৰ আসন অলংকৃত কৰে উপেন চন্দ্ৰ বৰুৱ বৰবায়নে। সভা খনিত মুখ্য অতিথি হিচাপে ভাষণ প্ৰদান কৰে সোণাৰাম বুঢ়াভকতে। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে ক্ৰমে ঢলপুৰ আঠবাৰীৰ শ্ৰীশ্ৰী গোপাল আতা মহাপ্ৰভু, শিয়ালমৰা সত্ৰৰ সত্ৰাধিকাৰ অৰুণ কুমাৰ গোস্বামী আৰু অসম পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ৰ প্ৰাক্তন সহযোগী বিজ্ঞান গুৰু ড° উমাৰাম তামুলী। সভাত বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয় বিহপুৰীয়াৰ গৌৰৱ পদ্মশ্ৰী হৰিচৰণ শইকীয়া আৰু লোকশিল্পী মকবুল হুছেইনক। ইয়াৰ পাছতে যোৱা কেওতা দিনত হৈ যোৱা ৮খন ভাওনাৰ প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ স্থানপ্ৰাপ্ত দল, অভিনেতা অভিনেত্ৰী অন্যান্য শিল্পী সকলক পুৰস্কাৰ প্ৰদান কৰা হয়। সন্ধিয়া ভাগলৈ ৰাষ্ট্ৰীয় খ্যাতি সম্পন্ন সংগীত শিল্পী তৰালি শৰ্মাৰ দ্বাৰা আধ্যাত্মিক সংগীতানুষ্ঠান অনুষ্ঠিত হয়। পাঁচদিনীয়া ভাওনা সমাৰোহৰ সকলো কাৰ্য্যসূচী সফলতাৰে হৈ যোৱাত উদযাপন সমিতিৰ সভাপতি সম্পাদকৰ লগতে উদ্যোক্তাসকলে সকলোকে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে।

উদ্বোধনৰ ১০ দিনত চৌহদৰ পকীবেৰা খহি পৰা সন্দৰ্ভত টাইপাৰ স্মাৰকপত্ৰ

# আমগুৰিত শান্তিবন শ্মশানৰ নামত ২২ লক্ষাধিক টকাৰ দুৰ্নীতিৰ অভিযোগ

**অসম বাৰ্তা, চেলেংহাট, ২৩ মাৰ্চ ঃ** আমগুৰি পৌৰসভাৰ ২ নং ৱাৰ্ডত অৱস্থিত আমগুৰিৰ একমাত্ৰ শ্মশান (শান্তিবন)খন ২২ লক্ষাধিক টকা ব্যয়ৰে উন্নয়নৰ কাম সম্পূৰ্ণ কৰি উদ্বোধন কৰাৰ দহদিনৰ ভিতৰতে চৌহদৰ পকীবেৰা খহি পৰাত তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে টাই আহোম যুৱ পৰিষদ(টাইপা)ৰ আমগুৰি আঞ্চলিক সমিতিয়ে। আজি টাইপাৰ আমগুৰি আঞ্চলিক সমিতিয়ে আমগুৰি পৌৰসভাৰ পৌৰনেত্ৰীক প্ৰদান কৰা এক স্মাৰকপত্ৰত উক্ত শ্মাশানখন আমগুৰি নগৰৰ হিন্দু ধৰ্মাৱলম্বী লোকৰ অন্তিম যাত্ৰাৰ একমাত্ৰ আশ্ৰয়স্থল, এই স্থানটিত আমগুৰি পৌৰসভাৰ প্ৰতিজন নিবাসীৰ আবেগ জড়িত হৈ আছে, অত্যন্ত নিকৃষ্ট মানসিকতাৰ লোকেহে এনে এক পুণ্য স্থানৰ নিৰ্মাণৰ কামত চূড়ান্ত ভাৱে দুৰ্নীতি কৰিব পাৰে যাৰ ফলত নিৰ্মাণৰ দহটা দিনৰ পাছতেই উক্ত পকী বেৰা খহি পৰিল বুলি দাবী কৰে। টাইপাৰ আমগুৰি আঞ্চলিকৰ মুখ্য উপদেষ্টা আদিত্য ৰূচাও, সভাপতি ৰাজা গগৈ, কাৰ্যকৰী সভাপতি বাবুল গগৈ, যুটীয়া সম্পাদক ৰাহুল সন্দিকৈ আৰু ৰণ্টু কোঁৱৰৰ স্বাক্ষৰিত স্মাৰকপত্ৰ খনত চৰকাৰৰ তৰফৰ পৰা এই শ্মাশানখনৰ উন্নয়নৰ বাবে পুঁজিৰ আৱণ্টন ঠিকেই হৈছে কিন্তু দুৰ্নীতিগ্ৰস্ত ঠিকাদাৰ আৰু অভিযন্তা মিলি কৰা এইধৰণৰ চূড়ান্ত দুৰ্নীতি তথা চৰকাৰী ধনৰ হৰলুকীৰ চক্ৰান্তই পৌৰসভাৰ প্ৰতিও সন্দেহৰ আঙুলি টোঁৱাব বুলি উল্লেখ কৰি এই ঘটনাৰে জড়িত অভিযন্তা আৰু ঠিকাদাৰৰ বিৰুদ্ধে আইনগত কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনায়।

# পুৰণিগুদামত লুইতকোঁৱৰ ৰুদ্ৰ বৰুৱা গীতৰ কৰ্মশালা আৰম্ভ



**অসম বাৰ্তা, পুৰণিগুদাম, ২৪ মাৰ্চ ঃ** অবিনশ্বৰ গোষ্ঠী পৰিচালিত ৰুদ্ৰ বৰুৱা সঙ্গীত একাডেমীৰ ৰূপালী জয়ন্তী উৎসৱ উদযাপন সমিতিৰ উদ্যোগত আয়োজিত "ৰুদ্ৰ বৰুৱা গীতৰ কৰ্মশালা"খনি আজিৰে পৰা অনুষ্ঠিত হৈছে। পুৰণিগুদাম ড' ভবেন্দ্ৰ নাথ শইকীয়া সোঁৱৰণী প্ৰেক্ষাগৃহত আজিৰে পৰা ২৬ মাৰ্চলৈ অনুষ্ঠিত হ'বলগীয়া কৰ্মশালাখনিৰ আজি পুৱা ১০.৩০ বজাত শুভ উদ্বোধনী অনুষ্ঠান অনুষ্ঠিত হয়। শুভ উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকে উদ্বোধক লেটুগ্ৰাম সত্ৰৰ সত্ৰাধিকাৰ কৃষ্ণ গোস্বামী, উদযাপন সমিতিৰ সভাপতি প্ৰণৱ বৰঠাকুৰ, কাৰ্যকৰী সভাপতি দেৱানন্দ বৰা, বিশিষ্ট অতিথি প্ৰদীপ দাস, মৌচুমী কাকতি, প্ৰশিক্ষক দীপক কুমাৰ শৰ্মা, আমন্ত্ৰিত অতিথি প্ৰফুল্ল শইকীয়া, দেৱ প্ৰসাদ ভূঞা, পুষ্প বৰুৱা, মহী বৰুৱা, প্ৰফুল্ল শইকীয়া, সোণাৰাম বৰা, দ্বীপেন বৈৰাগী, অলক খাউণ্ড, ৰুদ্ৰ শইকীয়া, অজিত ভট্টাচাৰ্য আদি। এই বোৰতী বৰ্ষতে লুইতকোঁৱৰ ৰুদ্ৰ বৰুৱা, নৱকান্ত বৰুৱা, সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষ। সেয়েহে তেওঁলোকৰ লগতে ২০২৫-২৬ ত মহাপ্ৰয়াণ ঘটা অসমকণ্ঠ জুবিন গাৰ্গ, আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন নাট্য ব্যক্তিত্ব ৰতন থিয়াম, যশস্বী বাঁহীবাদক দীপক শৰ্মা, নাট্যকাৰ-পৰিচালক ৰফিকুল হোছেইন আৰু অৰূপ বৰঠাকুৰ, বিশিষ্ট কণ্ঠশিল্পী সমৰ হাজৰিকাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি আৰু ধূপ প্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। তাৰ পাছতে কৰ্মশালা উদ্বোধন কৰে কৃষ্ণ গোস্বামীয়ে। উদ্বোধনী অনুষ্ঠান শেষ হোৱাৰ লগে লগেই প্ৰশিক্ষক দীপক কুমাৰ শৰ্মাই পাঠদান আৰম্ভ কৰে। তেওঁক সহযোগ কৰে বিশিষ্ট তবলাবাদক ক্ৰমে নিৰঞ্জন শইকীয়া আৰু পবিত্ৰ বৰাই। উল্লেখ্য যে, কৰ্মশালাখনিত প্ৰশিক্ষক হিচাপে হেমেন্দ্ৰ দাস আৰু গীতাঞ্জলি গায়ন উপস্থিত থাকিব।

চন্দামাৰীৰ পৰা হাৱাজানৰ ৰাজপথলৈকে কংগ্ৰেছ জিন্দাবাদ ধ্বনি

# গহপুৰত বিজেপিৰ ভেটি কঁপাই কংগ্ৰেছ প্ৰাৰ্থী ডাঃ শংকৰজ্যোতি কুটুমৰ বিশাল ৰেলী



**অসম বাৰ্তা, গহপুৰ, ২৪ মাৰ্চ ঃ** একেৰাহে দহ বছৰ বিজেপিৰ দখলত থকা গহপুৰ বিধানসভা সমষ্টিত আজি কংগ্ৰেছে উলিওৱা এক বিশাল ৰেলীয়ে যেন কঁপাই তুলিলে বিজেপিৰ ভেটি। গহপুৰত "কংগ্ৰেছ শূন্য" বুলি সভাই-সমিতিয়ে আস্ফালন কৰি অহা গহপুৰ বিধান সভা সমষ্টিৰ বিধায়ক তথা আসন্ন অসম বিধান সভা নিৰ্বাচনৰ গহপুৰ বিধান সভা সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী উৎপল বৰাৰ সেই আস্ফালনক অন্তঃসাৰশূন্য কৰি আজি কংগ্ৰেছে গহপুৰৰ ৰাজপথৰ মাজেৰে উলিওৱা বিশাল ৰেলীটোৱে চমৎকাৰ কৰি তোলে গহপুৰৰ ৰাজনৈতিক পৰিৱেশ। গহপুৰ বিধান সভা সমষ্টিৰ কংগ্ৰেছৰ মনোনীত প্ৰাৰ্থী ডাঃ শংকৰজ্যোতি কুটুমক লৈ উলিওৱা মটৰ বাইক আৰু গাড়ীৰ ৰেলীটো আজি দিনৰ প্ৰায় ১১ বজাত সমষ্টিটোৰ পশ্চিম সীমান্ত চন্দামাৰীত আৰম্ভ কৰি গহপুৰ নগৰৰ মাজেৰে হাৱাজান হৈ হাৱাজানৰ পৰা ৰজাবাৰীত সামৰণি পেলোৱা হয়। প্ৰায় তিনি সহস্ৰাধিক মটৰ বাইক আৰু পাঁচ শতাধিক সৰুগাড়ীৰ ৰেলীটোৰ দৈৰ্ঘ্য প্ৰায় ৭ ৰ পৰা ১০ কিলোমিটাৰ হ'ব বুলি মন্তব্য কৰিছে প্ৰত্যক্ষদৰ্শী ৰাইজে। কংগ্ৰেছ প্ৰাৰ্থী ডাঃ শংকৰজ্যোতি কুটুমৰ উক্ত ৰেলীটোত অংশগ্ৰহণ কৰিবলৈ হিলদল ভাঙি ওলাই অহা কংগ্ৰেছ কৰ্মী আৰু সমৰ্থক সকল প্ৰথমে সমবেত হয় চন্দামাৰীত। ইয়াৰ পিছত চন্দামাৰীৰ পৰা হাৱাজান অভিমুখে গতি কৰে কংগ্ৰেছৰ বিশাল ৰেলীটো। যাত্ৰাপথত কংগ্ৰেছ কৰ্মী আৰু সমৰ্থক সকলে হাতে হাতে কংগ্ৰেছৰ পতাকা লৈ কংগ্ৰেছ জিন্দাবাদ, শংকৰজ্যোতি কুটুম জিন্দাবাদ, শংকৰজ্যোতি কুটুম জিকিবই, হাতৰ চিনত ভোট দিয়ক, উৎপল বৰা গ' বেক, বিজেপি মুৰ্দাবাদ আদি শ্ল'গান দি গহপুৰৰ আকাশ বতাহ কঁপাই তোলে। সংবাদ মাধ্যমৰ আগত ডাঃ শংকৰজ্যোতি কুটুমে কয় যে উৎপল বৰাই কংগ্ৰেছ শূন্য বুলি দম্ভালি মাৰি অহা গহপুৰত আজি কংগ্ৰেছে উলিওৱা এই বিশাল ৰেলীটোৱে এক উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি কৰিছে। এই বিশাল ৰেলীটোৱে তেওঁৰ বিজয় সুনিশ্চিত হোৱাৰ কথাকে প্ৰতিপন্ন কৰা বুলি উল্লেখ কৰি ডাঃ শংকৰজ্যোতি কুটুমে আৰু কয় যে গহপুৰত বিজেপি শক্তিশালী বুলি কেৱল অন্ধভক্ত সকলেহে যে কয় সেই কথা আজিৰ কংগ্ৰেছৰ ৰেলীটোৱে প্ৰমাণ কৰি তুলিছে। কংগ্ৰেছ নেতা গৌৰৱ গগৈয়ে হাতে হাত ধৰি বৰ অসম গঢ়াৰ যি কথা কৈ আহিছে সেই কথা আজি গহপুৰত বাস্তৱত ৰূপায়ণ হোৱা বুলি ডাঃ শংকৰজ্যোতি কুটুমে উল্লেখ কৰে। আজি এই ৰেলীটোলৈ গহপুৰৰ কংগ্ৰেছ কৰ্মী সকল হাতে হাত ধৰি ওলাই অহা দৃশ্যই এইবাৰ গহপুৰত পৰিবৰ্তন নিশ্চিত বুলি তেওঁ দৃঢ়তা প্ৰকাশ কৰে। উল্লেখযোগ্য যে-আজি এই ৰেলীটোত ডাঃ শংকৰজ্যোতি কুটুমৰ সৈতে একেখন গাড়ীতে আছে গহপুৰৰ প্ৰাক্তন বিজেপি নেতা তথা অধিবক্তা নৱজ্যোতি নেওগ। যোৱা পঞ্চায়ত নিৰ্বাচনত কলাবাৰী জিলা পৰিষদত প্ৰতিদ্বন্দ্বিতা কৰাৰ বাবে বিজেপিৰ পৰা টিকট বিচাৰি বিমুখ হৈছিল নৱজ্যোতি নেওগ। ইয়াৰ পিছত তেওঁ নিৰ্দলীয়কৈ প্ৰতিদ্বন্দ্বিতা কৰি ৬, ৭০০ ভোট লাভ কৰিছিল। আজি তেওঁ ডাঃ শংকৰজ্যোতি কুটুমৰ লগত সংগ দিয়া দৃশ্যই বিশেষ তাৎপৰ্য্য বহন কৰিছে। লক্ষণীয়ভাৱে যোৱা পঞ্চায়ত নিৰ্বাচনত লোহিতমুখ জিলা পৰিষদৰ বাবে বিজেপিৰ টিকট বিচাৰি বিমুখ হোৱাৰ বাবে নিৰ্দলীয়কৈ প্ৰতিদ্বন্দ্বিতাত নামি ১০ হাজাৰতকৈ অধিক ভোট লাভ কৰা প্ৰাক্তন বিজেপি নেতা জনতা কাৰ্ডঙে ইতিমধ্যে কংগ্ৰেছ দলত যোগদান কৰি ডাঃ শংকৰজ্যোতি কুটুমৰ হাত শক্তিশালী কৰিছে। ইয়াৰ সমান্তৰালভাৱে নৱজ্যোতি নেওগো ডাঃ শংকৰজ্যোতি কুটুমৰ সংগ দিবলৈ স্বেচ্ছাই আগবাঢ়ি অহা দৃশ্যই গহপুৰৰ ৰাজনৈতিক ক্ষেত্ৰত বিশেষ তাৎপৰ্য বহন কৰিছে। জানিব পৰামতে-যুৱনেতা তথা অধিবক্তা নৱজ্যোতি নেওগে দুই এদিনতে কংগ্ৰেছ দলত আনুষ্ঠানিকভাৱে যোগদান কৰিব। আজি সংবাদ মাধ্যমৰ আগত নৱজ্যোতি নেওগে কয় যে বন্ধু ডাঃ শংকৰজ্যোতি কুটুমক সহায় কৰিবলৈ তেওঁ স্বেচ্ছাই ওলাই আহিছে। গহপুৰত নেতা জন্ম হ'ব নিদিয়াৰ যি পৰম্পৰা বিজেপিয়ে সৃষ্টি কৰিছে সেই পৰম্পৰা নাইকিয়া কৰিব লাগিব বুলি উল্লেখ কৰি নৱজ্যোতি নেওগে কয় যে প্ৰদ্যুৎ বৰদলৈ, ভূপেন বৰাৰ দৰে নেতাৰ আদৰ্শত তেওঁলোক নাই। তেওঁলোক গৌৰৱ গগৈ, লুৰীণজ্যোতি গগৈৰ দৰে নেতাৰ আদৰ্শৰেহে অনুপ্ৰাণিত হ'ব বিচাৰে।

### ভষ্মীভূত এটা পৰিয়ালৰ বাসগৃহ, দহ লক্ষাধিক টকাৰ ক্ষতি

# বৰপেটাৰ ধানবান্ধা গাঁৱৰ ৩ নং ৱাৰ্ডত ভয়ংকৰ অগ্নিকাণ্ড

**অসম বাৰ্তা, জনীয়া, ২৪ মাৰ্চ ঃ** বৰপেটা জিলাৰ ধানবান্ধা গাঁৱৰ ৩ নং ৱাৰ্ডৰ নোৱাব আলীৰ ঘৰত সোমবাৰে বিদ্যুত বিচ্যুতিৰ ফলত ভয়ংকৰ অগ্নিকাণ্ড সংঘটিত হয়। অগ্নিকাণ্ডত নোৱাব আলীৰ এটা থকা ঘৰ, ধান, সৰিয়হ, ধনীয়া, নহৰু, সোণ-ৰূপৰ অলংকাৰ, এন আৰ চি, মাটিৰ দলিল, ভোটাৰ কাৰ্ড, আধাৰ কাৰ্ড, পান কাৰ্ড, নোৱাব আলীৰ ল'ৰাৰ স্কুল-কলেজৰ যাৱতীয় কাগজ পাতি, ছোলাৰ, নগদ দুই লাখ টকা, পালং চাৰিখন আৰু অন্যান্য আচবাকে ধৰি প্ৰায় দহ লক্ষাধিক টকাৰ ক্ষতি হয়। অগ্নিকাণ্ডৰ সময়ত বৰপেটাৰ অগ্নি নিৰ্বাপক বাহিনীক খবৰ দিয়া হয় যদিও ৰাস্তাৰ দুৰাৱস্থাৰ কাৰণে অগ্নি নিৰ্বাপক বাহিনী গাড়ী ঘটনাস্থলীত উপস্থিত হ'ব নোৱাৰে। বৰপেটা বিদ্যুৎ বিভাগৰ হেমাহিৰ বাবে বিদ্যুতৰ তাঁৰ তললৈ ওলমি আহিছে আৰু গছ তৰু লতাই আৱৰি ধৰিছে বুলি ভূক্তভোগী পৰিয়ালৰ লগতে গাঁৱৰ ৰাইজে অভিযোগ উত্থাপন কৰিছে। ক্ষতিগ্ৰস্ত দুখীয়া পৰিয়ালটোক ক্ষতিপূৰণ দিবলৈ চৰকাৰক ৰাইজে আহ্বান জনাইছে।

অন্তিম দিনা দৰঙত ১৯ জন প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ দাখিল

# দৰং জিলাৰ তিনিওটা সমষ্টিত মুঠ ২১ গৰাকী প্ৰাৰ্থীয়ে দাখিল কৰিলে মনোনয়ন পত্ৰ

**অসম বাৰ্তা, ২৩ মাৰ্চ ঃ** সমাগত বিধান সভা নিৰ্বাচন-২০২৬ৰ অৰ্থাৎ আগন্তুক ৯ এপ্ৰিল, ২০২৬ তাৰিখে ৰাজ্যৰ অন্য প্ৰান্তৰ লগতে নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া দৰং জিলাৰ তিনিটা বিধান সভা সমষ্টিৰ বিপৰীতে সোমবাৰে অৰ্থাৎ আজি মুঠ ১৯ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰিছে। ৪৯ নং ছিপাঝাৰ বিধানসভা সমষ্টিত ভাৰতীয় জনতা পাৰ্টীৰ পৰমানন্দ ৰাজবংশী, ভাৰতীয় জাতীয় কংগ্ৰেছৰ বিনন্দ কুমাৰ শইকীয়া, ভোটাৰচ্ পাৰ্টী ইণ্টাৰনেচনেলৰ চাইফুল চৌধুৰী আৰু নিৰ্দলীয় হৰজ্যোতি বুদ্ধ আৰু দিলীপ কুমাৰ বনিয়াই মনোনয়ন পত্ৰ দাখিল কৰিছে। এই সমষ্টিত চচিয়েলিষ্ট ইউনিটি চেণ্টাৰ অব ইণ্ডিয়া (কমিউনিষ্ট)ৰ মুন কুমাৰ ডেকাই ইতিমধ্যে যোৱা শুকুৰবাৰে মনোনয়ন পত্ৰ দাখিল কৰিছিল। অন্যহাতে, ৫০ নং মঙলদৈ বিধানসভা সমষ্টিত ভাৰতীয় জনতা পাৰ্টীৰ নীলিমা দেৱী, ভাৰতীয় জাতীয় কংগ্ৰেছৰ প্ৰাৰ্থী ৰিজুমনি তালুকদাৰ, এ আই ইউ ডি এফৰ আজিজুৰ ৰহমান, তৃণমূল কংগ্ৰেছৰ হৰেকৃষ্ণ ডেকা আৰু নিৰ্দলীয় প্ৰাৰ্থী হিচাবে চাহেব আলি, চহিৰ ভূঞা আৰু প্ৰবীণ কুমাৰ ডেকাই আজি মনোনয়ন পত্ৰ দাখিল কৰিছে। মঙলদৈ বিধানসভা সমষ্টিত চচিয়েলিষ্ট ইউনিটি চেণ্টাৰ অব ইণ্ডিয়া (কমিউনিষ্ট)ৰ অজিত আচাৰ্য্যইও ইতিমধ্যে যোৱা শুকুৰবাৰেই মনোনয়ন পত্ৰ দাখিল কৰিছিল। একেদৰে, ৫১ নং দলগাঁও বিধানসভা সমষ্টিত ভাৰতীয় জনতা পাৰ্টীৰ কৃষ্ণা সাহা, এ আই ইউ ডি এফৰ মজিবুৰ ৰহমান, ৰাইজৰ দলৰ আজিজুৰ ৰহমান আৰু নিৰ্দলীয় প্ৰাৰ্থী হিচাবে আইনুল হক, হুমায়ুন কবীৰ, চোলেমান হক আৰু ৰেকিবুদ্দিন আহমেদে মনোনয়ন পত্ৰ দাখিল কৰে। স্মৰ্তব্য যে জিলাখনত মনোনয়ন পত্ৰ দাখিলৰ আজি অন্তিম দিন আছিল।

# বঙাইগাঁও জিলা আয়ুক্তৰ কাৰ্যালয়ত সৃজনগ্ৰাম বিধানসভা সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী নুৰুল ইছলামৰ মনোনয়ন পত্ৰ দাখিল

**অসম বাৰ্তা, লেংটিছিঙা, ২৩ মাৰ্চ ঃ** ৰাজ্যখনত অহা ন এপ্ৰিলত অনুষ্ঠিত হ'বলগীয়া বিধানসভা নিৰ্বাচনৰ আজি অন্তিম দিনটোত নৱ গঠিত ১৭ নং সৃজনগ্ৰাম বিধান সভা সমষ্টিৰ ভাৰতীয় জাতীয় কংগ্ৰেছৰ দলীয় প্ৰাৰ্থী নুৰুল ইছলামে আজি বঙাইগাঁও জিলা আয়ুক্তৰ কাৰ্যালয়ত মনোনয়ন পত্ৰ দাখিল কৰে। ইছলামৰ মনোনয়ন পত্ৰ দাখিল উপলক্ষে আজি সমষ্টিটোত অৰ্ধ লক্ষাধিক দলীয় কৰ্মী আৰু ভোটাৰ ৰাইজে দলীয় শোভাযাত্ৰা উলিয়ায়। ঢোলে-দগৰে নিৰ্বাচনী গীতেৰে উলিওৱা শোভাযাত্ৰাই একজন সমুদ্ৰত পৰিণত কৰে। নুৰুল ইছলামৰ আজিৰ এই বিশাল শোভাযাত্ৰাই সমষ্টিটোত ব্যাপক জনপ্ৰিয়তা দেখিবলৈ পাই অন্য দলীয় প্ৰাৰ্থী সকলে মূৰত হাত দিবলগীয়া হৈছে।

সম্পাদকীয়

# অসম বিধানসভা নিৰ্বাচন ঃ প্ৰচাৰৰ গৰম বতাহ আৰু জনমানসৰ প্ৰশ্ন

অসমৰ ৰাজনৈতিক পটভূমিত এতিয়া নিৰ্বাচনৰ গৰম বতাহ। বিধানসভা নিৰ্বাচন ২০২৬ৰ তাৰিখ ওচৰ চাপি অহাৰ লগে-লগে ৰাজ্যজুৰি প্ৰচাৰৰ ৰণকৌশলে তীব্ৰ ৰূপ পাইছে। দিছপুৰৰ গাদী দখলৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰা মুখ্য ৰাজনৈতিক শক্তিসমূহে নিজৰ নিজৰ শীৰ্ষ নেতৃত্বক আগবঢ়াই দিছে। কেন্দ্ৰীয় স্তৰৰ এই নেতৃত্বৰ অসম আগমন আৰু তীব্ৰ প্ৰচাৰে ৰাজ্যৰ ৰাজনৈতিক পৰিৱেশত এক অভূতপূৰ্ব স্পন্দনৰ সৃষ্টি কৰিছে।

ভাৰতীয় জনতা পাৰ্টিয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীকে ধৰি দলৰ শীৰ্ষ নেতৃত্বৰে প্ৰচাৰ অভিযান শক্তিশালী কৰিছে। প্ৰধানমন্ত্ৰী মোদীয়ে ১ এপ্ৰিল, ৫ এপ্ৰিল আৰু ৬ এপ্ৰিলত তিনিদিনীয়া ভ্ৰমণসূচীৰে ৰাজ্যৰ বিভিন্ন প্ৰান্তত জনসভাত ভাষণ দি দলীয় প্ৰাৰ্থীৰ পক্ষে ভোট বিচাৰিব। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে ২৯ মাৰ্চ, ২ এপ্ৰিল আৰু ৭ এপ্ৰিলত প্ৰচাৰৰ নেতৃত্ব দিব। একেদৰে বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীন আৰু প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী স্মৃতি ইৰাণীয়েও ৰাজ্যত বহুস্থানত সভা-সমাবেশত অংশগ্ৰহণ কৰি দলীয় প্ৰচাৰত অংশগ্ৰহণ কৰিব। ২৯ মাৰ্চৰ পৰা ৭ এপ্ৰিললৈকে এই শীৰ্ষ নেতৃত্বৰ উপস্থিতিয়ে বিজেপিৰ নিৰ্বাচনী অভিযানত এক নতুন মূৰ প্ৰদান কৰিব বুলি ৰাজনৈতিক বিশ্লেষকসকলে মত প্ৰকাশ কৰিছে।

অন্যফালে, ভাৰতীয় জাতীয় কংগ্ৰেছেও নিজৰ প্ৰচাৰ অভিযানক গতি প্ৰদান কৰিবলৈ জাতীয় স্তৰৰ নেতৃত্বক মাতি আনিছে। ২৬ মাৰ্চৰ পাছত মনোনয়ন প্ৰত্যাহাৰৰ অন্তিম তাৰিখ অতিক্ৰম কৰাৰ লগে-লগে কংগ্ৰেছে পূৰ্ণোদ্যমে প্ৰচাৰ আৰম্ভ কৰিব। লোকসভাৰ বিৰোধী দলৰ নেতা ৰাহুল গান্ধী, কংগ্ৰেছ সভাপতি মল্লিকাৰ্জুন খাৰ্গে আৰু প্ৰিয়ংকা গান্ধী ভদ্ৰা অসমলৈ আহি উজনি, নামনি আৰু বৰাক উপত্যকা— তিনিও অঞ্চলতে বিস্তৃত প্ৰচাৰ চলাব। জনসভা, ৰোড শ্ব' আৰু কৰ্মী সভাৰ জৰিয়তে তেওঁলোকে বৰ্তমানৰ বিজেপি চৰকাৰৰ বিভিন্ন দিশৰ সমালোচনা কৰি জনসাধাৰণৰ মাজত কংগ্ৰেছক এক সক্ষম বিকল্প হিচাপে উপস্থাপন কৰিবলৈ সাজু হৈছে।

এইদৰে ৰাজ্যখনত যেতিয়া ৰাজনৈতিক দলসমূহে তেওঁলোকৰ শীৰ্ষ নেতৃত্বৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ আগবাঢ়িছে, তেতিয়া সাধাৰণ মানুহৰ মনত কিছুমান প্ৰশ্নৰ উত্থাপন হৈছে। প্ৰথম প্ৰশ্নটো হ'ল— এই সকলো দলীয় শীৰ্ষ নেতৃত্বৰ আগমন আৰু প্ৰচাৰৰ গৰম বতাহ অন্তিম পৰ্যন্ত প্ৰকৃততে কিমান ফলপ্ৰসূ হয়? বহুতো ভোটাৰে প্ৰশ্ন উত্থাপন কৰে যে, নিৰ্বাচনৰ সময়ত শীৰ্ষ নেতাসকলে ঘোষণা কৰা প্ৰতিশ্ৰুতিসমূহ নিৰ্বাচনৰ পাছত কিমান বাস্তৱায়িত হয়? আনহাতে, ৰাজনৈতিক দলসমূহে যেতিয়া এজনৰ পিছত এজনকৈ প্ৰচাৰক হিচাপে মাতি আনে, তেতিয়া সাধাৰণ মানুহে বুজিব বিচাৰে যে এই প্ৰচাৰত ব্যয় হোৱা বিপুল পৰিমাণৰ ধন-সম্পদৰ উৎস কি? কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰৰ আৰ্থিক সহায়ত এই প্ৰচাৰ পৰিচালিত হয়নে? এই প্ৰশ্নই বিশেষকৈ সচেতন মহলত চৰ্চাৰ সৃষ্টি কৰিছে। লগতে, শীৰ্ষ নেতাসকলৰ প্ৰচাৰত গুৰুত্ব দিয়া বিভিন্ন প্ৰতিশ্ৰুতি যেনে— নিযুক্তি, বিত্তীয় সাহায্য, উন্নয়নৰ আঁচনি— এইবোৰ কেৱল নিৰ্বাচনী প্ৰতিশ্ৰুতিৰ ভিতৰতে সীমাবদ্ধ থাকিবনে নে তাৰ দীৰ্ঘম্যাদী ৰূপৰেখা আছে, সেয়া জনসাধাৰণে জানিব বিচাৰে।

অসমৰ নিৰ্বাচনী ইতিহাসত দেখা গৈছে যে নিৰ্বাচনৰ সময়ত দলসমূহৰ প্ৰচাৰ যিমানেই শক্তিশালী নহওক কিয়, অন্তিম পৰ্যন্ত প্ৰকৃত ৰাজনৈতিক সমীকৰণ সলনি হয় স্থানীয় পৰিস্থিতি, সাম্প্ৰদায়িক সম্প্ৰীতি, আৰু আঞ্চলিক স্বাৰ্থৰ ভিত্তিত। গতিকে এইবাৰৰ নিৰ্বাচনতো ভোটাৰসকল সজাগ আৰু তেওঁলোকে জানিব বিচাৰে যে নেতাসকলৰ ৰং-ঢং আৰু বাক্যবাণীৰ মাজত প্ৰকৃত উন্নয়নৰ ছবিখন ক'ত লুকাই আছে।

শেষত, এই নিৰ্বাচন অসমৰ জনসাধাৰণৰ বাবে এক সুযোগ। নাগৰিকসকলৰ প্ৰশ্ন হ'ল— দলসমূহৰ প্ৰচাৰৰ শব্দৰ স্বৰত প্ৰকৃতভাৱে আমাৰ জীৱনৰ প্ৰশ্নবোৰ, যেনে স্বাস্থ্য, শিক্ষা, নিযুক্তি, কৃষিৰ সংকট আৰু উন্নয়নৰ প্ৰতিশ্ৰুতি— এইবোৰক কিমান গুৰুত্ব দিয়া হৈছে? আগন্তুক ৯ এপ্ৰিলৰ ভোটগ্ৰহণৰ মাজেৰে এই প্ৰশ্নবোৰৰ উত্তৰ বিচাৰি ভোটাৰসকল সিদ্ধান্তলৈ উপনীত হ'ব। তেতিয়াহে স্পষ্ট হ'ব যে এই নিৰ্বাচনী গৰম বতাহে অসমৰ ৰাজনৈতিক পটভূমিত এক স্থায়ী পৰিৱৰ্তন আনে নে নানে।



সমাজতাত্ত্বিক দৃষ্টিকোণৰ পৰা চালে, আমি ভাৰতত ইচ্ছামৃত্যুৰ বিতৰ্কক জটিল কৰি তোলা আৰ্থ-সামাজিক বৈষম্যসমূহৰ মুখামুখি হ'ব লাগিব। এনে এখন দেশ য'ত চিকিৎসাৰ অত্যধিক খৰচৰ বাবে মধ্যবিত্ত আৰু নিম্ন আয়ৰ পৰিয়ালসমূহ প্ৰায়ে চৰম দৰিদ্ৰতাৰ মুখামুখি হয়, তাত চিকিৎসীয় নিষ্ফলতা আৰু আৰ্থিক সংকটৰ মাজৰ ৰেখাডাল অতিশয় ক্ষীণ। এক গভীৰ আশংকাত ভুগিবলগীয়া হয় যে, জীৱনদায়িনী চিকিৎসা প্ৰত্যাহাৰ কৰাৰ সিদ্ধান্ত কেৱল চিকিৎসীয়ভাৱে আৰোগ্যৰ অসম্ভাৱনাৰ বাবেই নহয়, বৰঞ্চ আই.চি.ইউ.ত (ICU) আৰু এটা দিন ৰখাৰ খৰচ বহন কৰিব নোৱাৰা পৰিয়ালৰ আৰ্থিক অক্ষমতাৰ বাবেও হ'ব পাৰে। তদুপৰি, বৃদ্ধ আৰু বিশেষভাৱে সক্ষম লোকসকলক প্ৰান্তীয়-কৰণ কৰা এখন সমাজত, বলপ্ৰয়োগৰ এক ন্যায্য ভয়ো থাকে।

# ভাৰতত নিষ্ক্ৰিয় ইচ্ছা মৃত্যুৰ আইনী আৰু নৈতিক বিশ্লেষণ

চন্দন কুমাৰ নাথ

চিকিৎসা বিজ্ঞান, আইন আৰু মানৱীয় সমবেদনাৰ সংমিশ্ৰণ জীৱনৰ 'অন্তিম সময়ৰ যতন' ৰ দৰে স্পৰ্শকাতৰ আৰু বিতৰ্কিত বিষয় আন একো হ'ব নোৱাৰে। কেইবা দশক ধৰি, চিকিৎসা বিজ্ঞানৰ মূল প্ৰবৃত্তি হৈছে যিকোনো মূল্যৰ বিনিময়ত জীৱন ৰক্ষা কৰা, যাৰ বাবে ন-ন প্ৰযুক্তিগত উদ্ভাৱনৰ সহায় লোৱা হয়। অৱশ্যে, যেতিয়া জীৱনটো প্ৰকৃত অৰ্থত জীয়াই থকা নহয়, বৰঞ্চ কেৱল যন্ত্ৰৰ দ্বাৰা বৰ্তাই ৰখা হয়, তেতিয়া এক গভীৰ নৈতিক প্ৰশ্নৰ অৱতাৰণা হয়, জীয়াই থকাৰ মৌলিক অধিকাৰৰ ভিতৰত এটা মৰ্যাদাপূৰ্ণ মৃত্যুৰ অধিকাৰো অন্তৰ্ভুক্ত নেকি? ২০২৬ চনৰ মাৰ্চ মাহত ভাৰতৰ উচ্চতম ন্যায়ালয়ে ঐতিহাসিক 'হৰিশ ৰাণা' গোচৰত অতি স্পষ্টভাৱে ইয়াৰ উত্তৰ প্ৰদান কৰিছে, যিটোৱে দেশখনৰ আইনী আৰু চিকিৎসা ইতিহাসত এক যুগান্তকাৰী ক্ষণ হিচাপে চিহ্নিত হৈছে। তাত্ত্বিক ন্যায়শাস্ত্ৰৰ পৰা ব্যৱহাৰিক প্ৰয়োগলৈ আমি আগবাঢ়ি যোৱাৰ লগে লগে, নিষ্ক্ৰিয় ইচ্ছামৃত্যুৰ (Passive euthanasia) এই পৰিৱৰ্তিত পটভূমিয়ে মানৱীয় সমবেদনাৰ বিজয়ৰ লগতে প্ৰণালীগত প্ৰত্যাহ্বানসমূহৰ এক জটিল ৰূপো উন্মোচন কৰে।

হৰিশ ৰাণা নামৰ ৩২ বছৰীয়া যুৱকজনৰ কৰুণ কাহিনীয়ে ভাৰতীয় ন্যায়িক ব্যৱস্থাক দীৰ্ঘদিনীয়া চিকিৎসীয় নিষ্ফলতাৰ বাস্তৱতাৰ মুখামুখি হ'বলৈ বাধ্য কৰাইছিল। এক ভয়ংকৰ দুৰ্ঘটনাৰ ফলত তেওঁ তেৰ বছৰ ধৰি চেতনাহীন অৱস্থাত (persistent vegetative state) চিকিৎসালয়ৰ বিছনাত পৰি আছিল। এক ঐতিহাসিক প্ৰথম পদক্ষেপ হিচাপে, উচ্চতম ন্যায়ালয়ে 'ক্লিনিকেলি এচিষ্টেড নিউট্ৰিচন এণ্ড হাইড্ৰেচন' (কৃত্ৰিমভাৱে প্ৰদান কৰা পুষ্টি আৰু পানী) প্ৰত্যাহাৰ কৰাৰ অনুমতি প্ৰদান কৰে আৰু সৰ্বভাৰতীয় আয়ুৰ্বিজ্ঞান সংস্থানক (AIIMS) এক মানৱীয়, উপশমমূলক (palliative) অন্তিম সময়ৰ যতনৰ পৰিকল্পনা কৰিবলৈ নিৰ্দেশ দিয়ে। এই ৰায়দান কোনো জীৱন শেষ কৰাৰ সমৰ্থন নাছিল, বৰঞ্চ ই আছিল কৃত্ৰিমভাৱে মৃত্যুৰ প্ৰক্ৰিয়াক দীঘলীয়া কৰিবলৈ কৰা এক মানৱীয় অস্বীকাৰ। খাদ্য যোগান ধৰা নলীৰ দৰে প্ৰযুক্তিগত ব্যৱস্থাসমূহ কেৱল প্ৰাথমিক যতন নহয় বুলি স্বীকৃতি দি ন্যায়পালিকাই স্বাভাৱিক মৃত্যুত পলম কৰোৱা কৃত্ৰিম বাধাসমূহ আঁতৰ কৰিলে। ইয়াৰ জৰিয়তে মৰ্যাদাপূৰ্ণ প্ৰস্থানৰ এক তাত্ত্বিক ধাৰণাক যন্ত্ৰণাত ভুগি থকা এটা পৰিয়ালৰ বাবে বাস্তৱত পৰিণত কৰা হ'ল। ইয়াৰ গুৰুত্ব বুজিবলৈ হ'লে আমি ভাৰতত নিষ্ক্ৰিয় ইচ্ছামৃত্যুৰ আইনী বিৱৰ্তনৰ ওপৰত চকু ফুৰাব লাগিব। এই আলোচনাৰ আৰম্ভণি হৈছিল অৰুণা ছানবাগৰ হৃদয় বিদাৰক বাস্তৱতাৰ জৰিয়তে, যিগৰাকী নাৰ্ছে চাৰি দশকৰো অধিক সময় চেতনাহীন অৱস্থাত কটাবলগীয়া হৈছিল। যদিও উচ্চতম ন্যায়ালয়ে ২০১১ চনত প্ৰাৰম্ভিক নিৰ্দেশনাসমূহ নিৰ্ধাৰণ কৰিছিল, ২০১৮ চনৰ ঐতিহাসিক 'কমন কজ' (Common Cause) ৰায়দানেহে নিষ্ক্ৰিয় ইচ্ছামৃত্যুক আইনী স্বীকৃতি প্ৰদান কৰে আৰু 'অগ্ৰিম চিকিৎসা নিৰ্দেশনা' বা 'লিভিং উইল' (Advance Medical Directives) মান্যতা দিয়ে। ন্যায়ালয়ে সঠিকভাৱেই ব্যাখ্যা কৰিছিল যে সংবিধানৰ ২১ নং অনুচ্ছেদৰ অধীনত মৰ্যাদাৰে জীয়াই থকাৰ অধিকাৰৰ ভিতৰত মৰ্যাদাৰে মৃত্যুবৰণ কৰাৰ অধিকাৰো অন্তৰ্নিহিত হৈ আছে। অৱশ্যে, ২০১৮ চনৰ এই ব্যৱস্থাটো প্ৰশাসনিক মেৰপেঁচত আৱদ্ধ আছিল, য'ত ন্যায়িক দণ্ডাধীশৰ অনুমোদনৰ দৰে জটিল প্ৰক্ৰিয়াৰ প্ৰয়োজন হৈছিল, যিয়ে পৰিয়ালসমূহক সকাহ দিয়াত যথেষ্ট পলম কৰাইছিল। এই প্ৰশাসনিক বাধাসমূহ উপলব্ধি কৰি, এটা সাংবিধানিক বিচাৰপীঠে ২০২৩ চনত এই নিৰ্দেশনাসমূহ পৰিৱৰ্তন আৰু সৰলীকৰণ কৰে। তথাপিও, এই সংশোধিত নিৰ্দেশনাৰ প্ৰথমটো ব্যৱহাৰিক আৰু ন্যায়ালয়ৰ অনুমোদিত ৰূপায়ণ দেখিবলৈ ২০২৬ চনৰ হৰিশ ৰাণাৰ ৰায়দানলৈকে অপেক্ষা কৰিবলগীয়া হ'ল, যিয়ে প্ৰমাণ কৰিলে যে সংসদীয় আইনৰ অভাৱ পূৰণ কৰিবলৈ ন্যায়পালিকাই সক্ৰিয়ভাৱে আগবাঢ়ি আহিছে।

ন্যায়পালিকাই আগবঢ়োৱা এই পদক্ষেপসমূহৰ পিছতো, ভাৰতত মৰ্যাদাপূৰ্ণ মৃত্যুৰ পথ এতিয়াও বিভিন্ন প্ৰত্যাহ্বানেৰে আৱৰা। আটাইতকৈ ডাঙৰ সমস্যাটো হৈছে এখন বিস্তৃত সংসদীয় আইনৰ অভাৱ। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰালয়ে খচৰা নিৰ্দেশনা প্ৰকাশ কৰিছে যদিও ভাৰতত এতিয়াও অন্তিম সময়ৰ যতনৰ বাবে কোনো নিৰ্দিষ্ট বিধিবদ্ধ আইন নাই। এই আইনী শূন্যতাই ন্যায়পালিকাৰ ওপৰত এক বৃহৎ বোজা জাপি দিছে আৰু চিকিৎসা সমাজৰ মাজত এক শংকাৰ পৰিৱেশ সৃষ্টি কৰিছে। জীৱন ৰক্ষাৰ বাবে 'হিপক্ৰেটিক শপত' (Hippocratic Oath) লোৱা চিকিৎসকসকলে প্ৰায়ে অপৰাধমূলক গোচৰ বা পৰিয়ালৰ আন সদস্যৰ দ্বাৰা আইনী মেৰপেঁচত পৰাৰ ভয় কৰে। এখন শক্তিশালী বিধিবদ্ধ আইনী সুৰক্ষাৰ অভাৱত, চিকিৎসকসকলে প্ৰায়ে 'প্ৰতিৰক্ষামূলক চিকিৎসা' (defensive medicine) প্ৰয়োগ কৰে আৰু কেৱল আইনী ঝামেলাৰ পৰা হাত সাৰিবলৈ জীৱনদায়িনী ব্যৱস্থাসমূহ চলাই ৰাখে, যিয়ে অজানিতে ৰোগীৰ যন্ত্ৰণাহে দীঘলীয়া কৰে। তদুপৰি, ২০২৩ চনৰ নিৰ্দেশনাসমূহ সৰলীকৰণ কৰাৰ পিছতো, ইয়াৰ প্ৰক্ৰিয়াগত প্ৰয়োজনীয়তাসমূহ আৱেগিকভাৱে ভাগি পৰা পৰিয়ালবোৰৰ বাবে এক গধুৰ বোজা। প্ৰাথমিক আৰু মাধ্যমিক চিকিৎসা পৰিষদ গঠন কৰাটো বাধ্যতামূলক, য'ত ৰোগীৰ অৱস্থাৰ অপূৰণীয়তা সম্পৰ্কে সৰ্বসন্মত প্ৰমাণপত্ৰ দিবলৈ কেইবাজনো বিশেষজ্ঞ জড়িত থাকে। ইয়াৰ মূল উদ্দেশ্য হৈছে কোনো অন্যায় বা ভুল যাতে নহয় তাক নিশ্চিত কৰা। কিন্তু বাস্তৱত, ভিৰৰে ভৰা চৰকাৰী চিকিৎসালয়সমূহত এই পৰিষদসমূহ গঠন কৰাটো এক অত্যন্ত লেহেমীয়া প্ৰক্ৰিয়া হ'ব পাৰে। যেতিয়া এজন ৰোগী অন্তিম অৱস্থাত থাকে আৰু যন্ত্ৰণাত ভোগে, তেতিয়া সময় তেওঁলোকৰ বাবে এক বিলাসীতা মাত্ৰ। দুৰ্বলক সুৰক্ষা দিবলৈ প্ৰস্তুত কৰা এই কঠোৰ নীতি-নিয়মবোৰৰ প্ৰায়ে ৰোগীৰ দ্ৰুত অৱনতিৰ সময়ত তৎকালীন ব্যৱস্থা গ্ৰহণ কৰাৰ নমনীয়তা নাথাকে, যাৰ ফলত পৰিয়ালবোৰ আইনী প্ৰক্ৰিয়া আৰু মানৱীয় সমবেদনাৰ মাজত এক যন্ত্ৰণাদায়ক দোমোজাত পৰে।

সমাজতাত্ত্বিক দৃষ্টিকোণৰ পৰা চালে, আমি ভাৰতত ইচ্ছামৃত্যুৰ বিতৰ্কক জটিল কৰি তোলা আৰ্থ-সামাজিক বৈষম্যসমূহৰ মুখামুখি হ'ব লাগিব। এনে এখন দেশ য'ত চিকিৎসাৰ অত্যধিক খৰচৰ বাবে মধ্যবিত্ত আৰু নিম্ন আয়ৰ পৰিয়ালসমূহ প্ৰায়ে চৰম দৰিদ্ৰতাৰ মুখামুখি হয়, তাত চিকিৎসীয় নিষ্ফলতা আৰু আৰ্থিক সংকটৰ মাজৰ ৰেখাডাল অতিশয় ক্ষীণ। এক গভীৰ আশংকাত ভুগিবলগীয়া হয় যে, জীৱনদায়িনী চিকিৎসা প্ৰত্যাহাৰ কৰাৰ সিদ্ধান্ত কেৱল চিকিৎসীয়ভাৱে আৰোগ্যৰ অসম্ভাৱনাৰ বাবেই নহয়, বৰঞ্চ আই.চি.ইউ.ত (ICU) আৰু এটা দিন ৰখাৰ খৰচ বহন কৰিব নোৱাৰা পৰিয়ালৰ আৰ্থিক অক্ষমতাৰ বাবেও হ'ব পাৰে। তদুপৰি, বৃদ্ধ আৰু বিশেষভাৱে সক্ষম লোকসকলক প্ৰান্তীয়কৰণ কৰা এখন সমাজত, বলপ্ৰয়োগৰ এক ন্যায্য ভয়ো থাকে। উত্তৰাধিকাৰী সূত্ৰে সম্পত্তি লাভৰ আশাত বা যত্ন লোৱাৰ দায়িত্বৰ পৰা হাত সাৰিবলৈ ন্যস্ত স্বাৰ্থজড়িত লোকে দুৰ্বল লোকসকলক 'লিভিং উইল' চহী কৰিবলৈ হেঁচা প্ৰয়োগ কৰিব পাৰে। এনে দুৰ্নীতি ৰোধ কৰিব পৰাকৈ কঠোৰ, অথচ প্ৰকৃত ক্ষেত্ৰত সময়মতে সকাহ দিব পৰাকৈ নমনীয় সুৰক্ষা ব্যৱস্থা গ্ৰহণ কৰাটো চৰকাৰৰ নীতি নিৰ্ধাৰণৰ বাবে এক বৃহৎ প্ৰত্যাহ্বান। এই সমগ্ৰ আলোচনাত সমানেই গুৰুত্বপূৰ্ণ, আৰু হয়তো আটাইতকৈ অৱহেলিত বিষয়টো হৈছে সমগ্ৰ দেশজুৰি উপশমমূলক যতনৰ (Palliative care) আন্তঃগাঁথনিৰ তীব্ৰ অভাৱ। উচ্চতম ন্যায়ালয়ে সঠিকভাৱেই উল্লেখ কৰিছে যে মৰ্যাদাপূৰ্ণ মৃত্যুৰ অধিকাৰ প্ৰকৃততে উন্নত মানৰ উপশমমূলক আৰু অন্তিম সময়ৰ যতন লাভ কৰাৰ অধিকাৰৰ সৈতে ওতপ্ৰোতভাৱে জড়িত। নিষ্ক্ৰিয় ইচ্ছামৃত্যু কেৱল হঠাতে চুইচ এটা বন্ধ কৰি দিয়াৰ দৰে নহয়; ই এক সুপৰিকল্পিত চিকিৎসীয় পৰিৱৰ্তন য'ত তীব্ৰ বিষ উপশম কৰা, লক্ষণসমূহ নিয়ন্ত্ৰণ কৰা আৰু শোকসন্তপ্ত পৰিয়ালক গভীৰ মানসিক সমৰ্থন প্ৰদান কৰাৰ প্ৰয়োজন হয়। বৰ্তমান ভাৰতত বিশেষ হস্পিচ (hospice) সেৱা কেৱল প্ৰধান মহানগৰসমূহতে আৱদ্ধ। নিষ্ক্ৰিয় ইচ্ছামৃত্যুৰ ব্যৱস্থাটোক নৈতিক আৰু সমতাপূৰ্ণ কৰিবলৈ হ'লে ৰাষ্ট্ৰই মূলসুঁতিৰ স্বাস্থ্যসেৱাত উপশমমূলক চিকিৎসাক একত্ৰিত কৰাৰ বাবে বৃহৎ বিনিয়োগ কৰিব লাগিব, যাতে মৰ্যাদাপূৰ্ণ প্ৰস্থান কেৱল ভৌগোলিক অৱস্থানৰ ওপৰত নিৰ্ভৰশীল নহৈ স্বাস্থ্যসেৱাৰ এক সৰ্বজনীন মানদণ্ডত পৰিণত হয়।

অৱশেষত, ২০২৬ চনৰ উচ্চতম ন্যায়ালয়ৰ ৰায়দানে এক মৰ্মস্পৰ্শী সোঁৱৰণি প্ৰদান কৰে যে চিকিৎসা বিজ্ঞানে জানিব লাগিব কেতিয়া মৃত্যুৰ ওচৰত হাৰ মানিব লাগে। ই আমাৰ সামূহিক দৃষ্টিভংগীক কেৱল জৈৱিক ক্ৰিয়াসমূহ জীয়াই ৰখাৰ এক জেদৰ পৰা আঁতৰাই মানৱীয় মৰ্যাদাৰ প্ৰতি গভীৰ শ্ৰদ্ধা জনোৱাৰ দিশলৈ সলনি কৰে। অৱশ্যে, এশ কোটিৰো অধিক জনসংখ্যাৰ এখন দেশৰ বাবে কেৱল সাময়িক ন্যায়িক হস্তক্ষেপৰ ওপৰত নিৰ্ভৰ কৰাটো বহনক্ষম নহয়। 'হৰিশ ৰাণা' ৰায়দানৰ প্ৰকৃত উদ্দেশ্যক সঁচা অৰ্থত সন্মান জনাবলৈ ভাৰতে এতিয়া আদালতৰ মজিয়াৰ পৰা বাহিৰলৈ আহিব লাগিব। আমাক সংসদৰ পৰা এক সুদৃঢ় আৰু সহানুভূতিশীল আইন, দেশজুৰি উপশমমূলক যত্নৰ আন্তঃগাঁথনিৰ সম্প্ৰসাৰণ আৰু 'অগ্ৰিম নিৰ্দেশনা' (advance directives) সম্পৰ্কে ব্যাপক জনসচেতনতাৰ প্ৰয়োজন। কেৱল আইনী নিশ্চয়তা, চিকিৎসাৰ নৈতিকতা আৰু সামাজিক আন্তঃগাঁথনিৰ সুষম সংমিশ্ৰণৰ জৰিয়তেহে আমি নিশ্চিত কৰিব পাৰিম যে যেতিয়া জীৱনৰ নাট্যমঞ্চত অন্তিম পৰ্দাখন নামি আহে, তেতিয়া সেয়া যেন প্ৰশাসনিক বিশৃংখলতা বা আৰ্থিক নিৰাশাৰ মাজেৰে নহয়, বৰঞ্চ প্ৰতিটো মানৱ জীৱনৰ প্ৰাপ্য গভীৰ শান্তি আৰু মৰ্যাদাৰ মাজেৰেহে হয়।

# মানসিক সংকট আৰু উত্তৰণৰ পথ

নলিনী ৰঞ্জন ভূঞা

একবিংশ শতিকাৰ দ্ৰুতবেগী প্ৰযুক্তিৰ ধামখুমীয়াত মানৱ সভ্যতা এক নতুন সন্ধিক্ষণত উপনীত হৈছে। বিজ্ঞানৰ চমৎকাৰী আৱিষ্কাৰ সমূহে আমাৰ জীৱনশৈলী সহজ আৰু গতিশীল কৰি তুলিছে যদিও ইয়াৰ নেতিবাচক দিশবোৰে সমাজৰ আটাইতকৈ স্পৰ্শকাতৰ অংশ অৰ্থাৎ ছাত্ৰ-ছাত্ৰী সকলক এক গভীৰ সংকটৰ ফালে ঠেলি দিছে। যিটো সময়ত এজন ছাত্ৰই মুকলি আকাশৰ তলত খেলি-ধূলি বা কিতাপৰ পাতত জ্ঞানৰ সন্ধান কৰি প্ৰকৃতিৰ লগত একাত্ম হৈ নিজৰ ভৱিষ্যত গঢ়িব লাগিছিল, সেই সময়ত তেওঁলোক আজি মোবাইল স্ক্ৰীণৰ নীলা পোহৰত বন্দী হৈ পৰিছে। এইটো কেৱল এটা সাধাৰণ অভ্যাস হৈ থকা নাই, ই এক ভয়াৱহ ডিজিটেল আসক্তিলৈ ৰূপান্তৰিত হৈছে যাক আধুনিক চিকিৎসা বিজ্ঞানে মাদক দ্ৰব্যৰ নিচাৰ দৰেই বিপদজ্জনক বুলি ঘোষণা কৰিছে।

ডিজিটেল আসক্তিৰ ভয়াৱহ অৱস্থা চিনাক্ত কৰিবলৈ হ'লে ছাত্ৰ-ছাত্ৰীৰ আচৰণগত পৰিৱৰ্তন সমূহ নিৰীক্ষণ কৰাটো অতি প্ৰয়োজনীয়। এই নিচাত পৰা ছাত্ৰ-ছাত্ৰী সকলে প্ৰথম অৱস্থাত সময়ৰ জ্ঞান হেৰুৱাই পেলায়। পঢ়া টেবুলত বহাৰ পৰিৱৰ্তে বা নিশা টোপনি ক্ষতি কৰি ঘণ্টাৰ পিছত ঘণ্টা মোবাইলত ব্যস্ত থকাটো তেওঁলোকৰ বাবে এক অনিবাৰ্য অভ্যাস হৈ পৰে। পৰিয়ালৰ সদস্যই মোবাইলটো হাতৰ পৰা লৈ গলে বা ইণ্টাৰনেট সংযোগ বিছিন্ন কৰি দিলে তেওঁলোকৰ অত্যধিক খং উঠে আৰু বহু সময়ত বিদ্ৰোহী আচৰণ প্ৰদৰ্শন কৰে। আত্মীয়-স্বজন বা বন্ধু-বান্ধৱৰ লগত কথা পতা বা বাহিৰত খেলা-ধূলা কৰাতকৈ অকলশৰে মোবাইল লৈ আচুতীয়াকৈ বহি থকাটোৱেই তেওঁলোকক অধিক মানসিক তৃপ্তি দিয়ে। এই অৱস্থাই তেওঁলোকক ক্ৰমান্বয়ে সামাজিক বিচ্ছিন্নতাৰ দিশলৈ লৈ যায়।

ছাত্ৰ জীৱনৰ আটাইতকৈ মূল্যৱান সম্পদ হ'ল সময়। এই সময়ৰ নিৰ্মম অপচয় এই আসক্তিৰ আটাইতকৈ ভয়ংকৰ দিশ। আগৰ দিনত ছাত্ৰ-ছাত্ৰীয়ে একাগ্ৰতাৰে কিতাপ পঢ়িছিল বা পাঠ্যপুথিৰ গভীৰলৈ যাবলৈ চেষ্টা কৰিছিল। কিন্তু বৰ্তমান তেওঁলোকৰ মনোযোগ ধৰি ৰখাৰ ক্ষমতা অতিশয় হ্ৰাস পাইছে। এটা সৰু তথ্যৰ বাবে ইণ্টাৰনেটত সোমাই তেওঁলোকে কেনেকৈ ফেচবুক, ইনষ্টাগ্ৰাম বা চুটি ভিডিঅ'ৰ বিভ্ৰান্তিকৰ পৃথিৱীত সোমাই পৰে তাক তেওঁলোকে নিজেও গম নাপায়। ইয়াৰ ফলত তেওঁলোকৰ শৈক্ষিক ফলাফল নিম্নগামী হোৱাৰ লগতে গভীৰভাৱে চিন্তা কৰাৰ ক্ষমতাও লোপ পাইছে। আনকি পঢ়িবলৈ বহাৰ সময়তো তেওঁলোকৰ মগজুৱে কেৱল মোবাইলৰ নটিফিকেচনৰ বাবে অপেক্ষা কৰি থাকে, যাৰ ফলত একাগ্ৰতা সম্পূৰ্ণৰূপে বিঘ্নিত হয়।

শাৰীৰিক স্বাস্থ্যৰ ক্ষেত্ৰতো ডিজিটেল আসক্তিয়ে চৰম অৱনতি মাতি আনিছে। দিনটোৰ অধিকাংশ সময় একে ঠাইতে কুঁজা হৈ বহি মোবাইল ফোন ব্যৱহাৰ কৰাৰ ফলত ছাত্ৰ-ছাত্ৰী সকলৰ মাজত মেদবহুলতা, চকুৰ দৃষ্টিশক্তি হ্ৰাস পোৱা, ডিঙি আৰু কঁকালৰ বিষৰ দৰে সমস্যাই গা কৰি উঠিছে। মোবাইলৰ পৰা নিৰ্গত নীলা পোহৰে শৰীৰৰ টোপনি অহাৰ হৰমন মেলাটোনিন নিঃসৰণত বাধা দিয়ে, যাৰ ফলত তেওঁলোকে অনিদ্ৰা ৰোগত ভোগে। নিশা সঠিক টোপনি নোহোৱাৰ বাবে দিনৰ ভাগত তেওঁলোকে ভাগৰুৱা অনুভৱ কৰে আৰু শ্ৰেণীকোঠাৰ পাঠদানত মনোনিবেশ কৰিব নোৱাৰে। এই শাৰীৰিক দুৰ্বলতাই তেওঁলোকৰ সামগ্ৰিক বিকাশ ব্যাহত কৰে।

মানসিক স্বাস্থ্য আৰু নৈতিক স্খলনৰ বিষয়টো ইয়াতকৈও জটিল। ডিজিটেল আসক্তিয়ে ছাত্ৰ-ছাত্ৰীৰ মাজত অকলশৰীয়া ভাব আৰু বিষাদগ্ৰস্ততা বৃদ্ধি কৰিছে। ইণ্টাৰনেটত সহজলভ্য অশ্লীল বিষয়বস্তুৰ প্ৰতি আকৰ্ষিত হৈ বহু কিশোৰ-কিশোৰীৰ নৈতিক স্খলন ঘটে আৰু ই তেওঁলোকৰ কোমল মনস্তত্ত্বত বিৰূপ প্ৰভাৱ পেলায়। বহু ছাত্ৰই আকৌ অনলাইন গেমিং বা জুৱাৰ দৰে অভ্যাসত লিপ্ত হৈ পিতৃ-মাতৃৰ কষ্টৰ ধন খৰচ কৰাৰ লগতে চৰম হতাশাত ভুগি আত্মহননৰ দৰে চৰম পথো বাছি লোৱা দেখা গৈছে। চাইবাৰ অপৰাধৰ ফান্দত পৰি বহুতে নিজৰ ভৱিষ্যত অন্ধকাৰলৈ ঠেলি দিছে।

এই ভয়াৱহ সমস্যাৰ পৰা হাত সাৰিবলৈ হ'লে এক সুপৰিকল্পিত আৰু সচেতন পদক্ষেপৰ অতি প্ৰয়োজন। প্ৰথমতে, দিনটোৰ এটা নিৰ্দিষ্ট সময়তহে মোবাইল ব্যৱহাৰৰ নিয়ম বান্ধি দিয়াটো উচিত। পঢ়া সময়ত বা আহাৰ গ্ৰহণৰ সময়ত মোবাইল ব্যৱহাৰ সম্পূৰ্ণৰূপে বন্ধ কৰা উচিত। ইয়াৰ লগতে ছাত্ৰ-ছাত্ৰীক খেলা-ধূলা, ছবি আঁকা বা কিতাপ পঢ়াৰ দৰে গঠনমূলক কামত উৎসাহিত কৰিব লাগে যাতে তেওঁলোকৰ মনটো মোবাইলৰ পৰা স্বাভাৱিকভাৱেই আঁতৰি থাকে। মাহৰ এটা দিন বা সপ্তাহৰ এটা নিৰ্দিষ্ট সময় গোটেই পৰিয়ালে ইণ্টাৰনেটৰ পৰা বিৰত থকাৰ অৰ্থাৎ ডিজিটেল ডিট'ৰ অভ্যাস কৰাটো বৰ্তমান সময়ত অতি জৰুৰী হৈ পৰিছে।

অভিভাৱক সকলে এই ক্ষেত্ৰত আটাইতকৈ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব লাগিব। পিতৃ-মাতৃয়ে সন্তানৰ আগত মোবাইল চলাই থকাৰ অভ্যাস ত্যাগ কৰি তেওঁলোকক গুণগত সময় দিলে সন্তানৰ মাজত থকা অকলশৰীয়া ভাব দূৰ হয়। বিদ্যালয় সমূহতো ইণ্টাৰনেটৰ সুফল আৰু কুফল সমূহৰ বিষয়ে ছাত্ৰ-ছাত্ৰীৰ মাজত খোলাখুলিকৈ আলোচনা কৰি সজাগতা সৃষ্টি কৰিব লাগে। তেওঁলোকক বুজাব লাগে যে- প্ৰযুক্তি আমাৰ উন্নয়নৰ এক আহিলাহে, ই সমগ্ৰ জীৱন হ'ব নোৱাৰে। সন্তানক ঘৰুৱা সৰু সৰু কামত ব্যস্ত ৰখাৰ লগতে বাহিৰৰ মুকলি পৰিৱেশত খেলিবলৈ সুযোগ দিলে তেওঁলোকৰ মাজত শাৰীৰিক আৰু মানসিক দৃঢ়তা বৃদ্ধি পায়।

পৰিশেষত ক'ব পাৰি যে- প্ৰযুক্তি নিজৰ ঠাইত এক আশীৰ্বাদ, কিন্তু ইয়াৰ অনিয়ন্ত্ৰিত ব্যৱহাৰেই আজি আমাৰ ভৱিষ্যত প্ৰজন্মক পঙ্গু কৰি পেলাইছে। ছাত্ৰ-ছাত্ৰী সকল এখন দেশৰ প্ৰকৃত সম্পদ আৰু মেৰুদণ্ড। যদি এই মেৰুদণ্ড ডিজিটেল নিচাৰ বাবে দুৰ্বল হৈ পৰে, তেন্তে জাতিৰ উন্নয়ন স্থবিৰ হৈ পৰিব। গতিকে সময় থাকোঁতেই সমাজৰ প্ৰতিজন সচেতন নাগৰিকে এই বিষয়ত মনোযোগ দিয়াটো আৰু সচেতন হোৱাটো অতিকে গুৰুত্বপূৰ্ণ। আমি আমাৰ সন্তানক মোবাইলৰ কৃত্ৰিম উজ্জ্বলতাৰ পৰা উলিয়াই আনি প্ৰকৃতিৰ বুকুত মুক্তভাৱে উশাহ ল'বলৈ আৰু বাস্তৱ জগতৰ সৌন্দৰ্য্য উপভোগ কৰিবলৈ শিকাব লাগিব। মনত ৰখাটো উচিত যে- ইণ্টাৰনেটতকৈ আমাৰ বাস্তৱ পৃথিৱীখন বহুত বেছি বিশাল, বহুত বেছি সুন্দৰ আৰু সম্ভাৱনাৰে পূৰ্ণ।

# কেনে হ'ব জুবিন বিহীন ৰঙালী বিহু

প্ৰাণজিৎ মজুমদাৰ

অসমীয়া জাতিৰ বাবে ৰঙালী বিহু মাথোঁ এটা উৎসৱ নহয়, ই হৈছে আমাৰ জীৱনৰ আনন্দ, সংস্কৃতি আৰু একতাৰ প্ৰতীক। বসন্তৰ আগমনৰ লগে-লগে ৰঙালী বিহু আহে আৰু সকলো মানুহৰ মন আনন্দেৰে ভৰি উঠে। ঢোল, পেঁপা, গগনা আৰু বিহু নৃত্যৰ মাজত অসমীয়া মানুহে নতুন বছৰৰ আৰম্ভণি উদযাপন কৰে। কিন্তু এই আনন্দময় সময়ত এজন শিল্পীৰ নাম সকলোৰে মনত বিশেষকৈ জাগি উঠে — জুবিন গাৰ্গ। জুবিন গাৰ্গ অসমৰ সংগীত জগতৰ এজন অতি জনপ্ৰিয় শিল্পী। তেওঁৰ কণ্ঠ, গীত আৰু সুৰে বহু বছৰ ধৰি অসমৰ মানুহৰ হৃদয় স্পৰ্শ কৰি আহিছে। বিহুৰ সময়ত তেওঁৰ গানবোৰ যেন উৎসৱৰ ৰং আৰু আনন্দ অধিক বৃদ্ধি কৰে। বহু বিহু মঞ্চত জুবিনৰ উপস্থিতিয়ে লাখ লাখ দৰ্শকৰ মাজত এক বিশেষ উচ্ছ্বাস সৃষ্টি কৰে। যদি কেতিয়াবা ৰঙালী বিহু জুবিন গাৰ্গৰ কণ্ঠ নোহোৱাকৈ উদযাপন কৰিব লগা হয়, তেন্তে নিশ্চয় বহু মানুহৰ বাবে সেই বিহু অলপ অপূৰ্ণ যেন লাগিব। কাৰণ তেওঁৰ গানত আছে অসমীয়া মাটিৰ গন্ধ, মানুহৰ অনুভূতি আৰু সংস্কৃতিৰ গৌৰৱ। তেওঁৰ গীত শুনিলে মানুহৰ মনত এক বিশেষ আনন্দ জাগি উঠে। কিন্তু ইয়াৰ মাজতো এটা কথা সত্য — ৰঙালী বিহু হৈছে অসমীয়া জাতিৰ উৎসৱ, যি সকলো মানুহে মিলি উদ্‌যাপন কৰে। এজন শিল্পী নাথাকিলেও উৎসৱৰ মূল আনন্দ আৰু ঐতিহ্য কেতিয়াও নোহোৱা নহয়। তেতিয়াও ঢোল বাজিব, বিহু নাচ হ'ব আৰু মানুহে নতুন বছৰৰ শুভেচ্ছা আদান-প্ৰদান কৰিব।



সেইবাবে ক'ব পাৰি, জুবিন গাৰ্গ বিহুৰ আনন্দত এক বিশেষ ৰং যোগ কৰে। কিন্তু ৰঙালী বিহু হৈছে অসমৰ আত্মা, যি সদায়ে জীয়াই থাকিব। তথাপিও বহু মানুহৰ হৃদয়ত একেই প্ৰশ্ন উত্থাপিত হয় — “কেনে হ'ব জুবিন বিহীন ৰঙালী?”

# গোলকগঞ্জত ছয়দিনীয়া বিহু নাচ কৰ্মশালাৰ সফল সামৰণি

## প্ৰজন্মৰ মাজত বিহু সংস্কৃতি চৰ্চাৰ প্ৰয়াস

**অসম বাৰ্তা, আগমনি, ২৩ মাৰ্চ ঃ** অসমীয়াৰ বাপতিসাহোন হেঁপাহৰ ৰঙালী বিহুলৈ মাজত মাথোঁ কেইটামান দিন বাকী। অসমৰ জাতীয় জীৱনৰ অবিচ্ছেদ্য অংগ বিহু আৰু ইয়াৰ সৈতে জড়িত নৃত্য-সংস্কৃতি নতুন প্ৰজন্মৰ মাজত শুদ্ধ ৰূপত জীয়াই ৰখাৰ লক্ষ্যৰে ধুবুৰী জিলাৰ গোলকগঞ্জত আয়োজন কৰা হয় এক ছয়দিনীয়া বিহু নাচ কৰ্মশালা। গোলকগঞ্জৰ 'শুক্ল ধ্বজ ডেন্স একাডেমী'ৰ উদ্যোগত যোৱা ১৭ মাৰ্চৰ পৰা আৰম্ভ হোৱা এই বিশেষ কৰ্মশালাখনৰ আজি গোলকগঞ্জৰ জগমোহন বিদ্যাপীঠ খেলপথাৰত এক উখল-মাখল পৰিৱেশৰ মাজেৰে সফল সামৰণি পৰে। প্ৰতিদিনে বিয়লি ৩ বজাৰ পৰা অনুষ্ঠিত হোৱা এই কৰ্মশালাত গুৱাহাটীৰ অভিজ্ঞ প্ৰশিক্ষক ক্ৰমে— মুখ্য প্ৰশিক্ষক বিজয় কুমাৰ ভৰালী (বিহুৱা), নিভা বৰুৱা, বিহুৱাণী বিনীতা কলিতা (বিহুৱতী) আৰু ৰঘুমণি ৰাজবংশীয়ে (বিহুৱা) অংশগ্ৰহণকাৰীসকলক বিহু নাচৰ সূক্ষ্ম কৌশলসমূহ হাতে-কলমে শিক্ষা প্ৰদান কৰে। বিশেষকৈ বিহু নৃত্যৰ মৌলিক ভংগিমা, দেহৰ নমনীয়তা, হাত-চালনা, মুখাভিনয় আৰু তাল-লয়ৰ সঠিক সমন্বয় আদি দিশসমূহৰ ওপৰত এই কৰ্মশালাত বিশেষ গুৰুত্ব আৰোপ কৰা হয়। ইয়াৰ জৰিয়তে শিক্ষাৰ্থীসকলে বিহু নাচৰ এক সুসংগঠিত আৰু শুদ্ধ ৰূপ আয়ত্ত কৰিবলৈ সক্ষম হৈছে। শুক্ল ধ্বজ ডেন্স একাডেমীৰ এই প্ৰশংসনীয় পদক্ষেপৰ সৈতে সক্ৰিয়ভাৱে জড়িত হৈ আছে বিশিষ্ট সমাজসেৱক অশোক কুমাৰ শৰ্মা। গোলকগঞ্জ গুৰুকুল কনভেণ্ট স্কুলৰ প্ৰধান অধ্যক্ষ পৰমেশ কান্তি ৰায়ৰ সভাপতিত্বত আৰু মুখ্য উপদেষ্টা কাৰ্তিক ৰায়ৰ তৎপৰতাত কৰ্মশালাখন অতি সুচাৰুৰূপে পৰিচালিত হয়। একাডেমীৰ কৰ্মকৰ্তাসকলৰ এই আন্তৰিক প্ৰচেষ্টাক স্থানীয় ৰাইজে ভূয়সী প্ৰশংসা কৰাৰ লগতে ইয়াৰ ফলত অঞ্চলটোৰ যুৱ প্ৰজন্মই থলুৱা সংস্কৃতিৰ প্ৰতি অধিক আগ্ৰহী হৈ পৰিব বুলি আশা প্ৰকাশ কৰিছে। কৰ্মশালাখনত কেৱল নৃত্য শিকোৱাতেই সীমাবদ্ধ নাথাকি বিহুৰ ঐতিহাসিক পটভূমি, সাংস্কৃতিক গুৰুত্ব, কৃষিভিত্তিক জীৱনধাৰাৰ ফলস্বৰূপে বিহুৰ সম্পৰ্ক আদিৰ বিষয়েও বিশদভাৱে ব্যাখ্যা কৰা হৈছে। ইয়াৰ অংশগ্ৰহণকাৰীসকলৰ মাজত কেৱল নৃত্য শিকাৰ আগ্ৰহেই নহয়, নিজৰ সংস্কৃতিৰ প্ৰতি এক গভীৰ সচেতনতা আৰু গৌৰৱৰ অনুভৱো বিকশিত হৈছে। উল্লেখযোগ্য যে, এই কৰ্মশালাত স্থানীয় কিশোৰ-কিশোৰী, ছাত্ৰ-ছাত্ৰী আৰু যুৱসমাজৰ ব্যাপক সঁহাৰি পৰিলক্ষিত হৈছে। বহুতেই আগ্ৰহেৰে অংশগ্ৰহণ কৰি নিজৰ প্ৰতিভা বিকাশৰ সুযোগ লাভকৰিছে। অভিভাৱকসকলেও এই উদ্যোগক আদৰণি জনাইছে আৰু এনে পদক্ষেপে নৱপ্ৰজন্মক সঠিক দিশ দেখুৱাব বুলি মত প্ৰকাশ কৰিছে। আয়োজকসকলে জনোৱা মতে, বৰ্তমান সময়ত আধুনিকতাৰ প্ৰভাৱত বহুতো পৰম্পৰাগত কলা-কৌশল হেৰাই যোৱাৰ আশংকা দেখা গৈছে। এনে পৰিস্থিতিত এই ধৰণৰ কৰ্মশালাই নৱপ্ৰজন্মক নিজৰ মূলৰ সৈতে সংযোগ স্থাপন কৰাত সহায় কৰে। তেওঁলোকে ভৱিষ্যততো অধিক পৰিসৰত এনে সাংস্কৃতিক প্ৰশিক্ষণ শিবিৰ আয়োজন কৰাৰ পৰিকল্পনা কৰিছে। উল্লেখ্য যে, বিহু নৃত্য অসমৰ অন্যতম পৰিচয়বাহী সাংস্কৃতিক সম্পদ, যিয়ে ৰাজ্যখনৰ সামাজিক ঐক্য, আনন্দ-উৎসৱ আৰু কৃষিজীৱনৰ প্ৰতিচ্ছবি বহন কৰে। সেয়ে গোলকগঞ্জত অনুষ্ঠিত এই ছয় দিনীয়া বিহুনাচ কৰ্মশালাক স্থানীয় ৰাইজে এক সময়োপযোগী, ইতিবাচক আৰু দূৰদৰ্শী পদক্ষেপ হিচাপে অভিহিত কৰিছে।

## বৰক্ষেত্ৰীৰ জনতাই গাঁঠিৰ ধন ভাঙি সহযোগিতা কৰিছেঃ দিগন্ত বৰ্মন

# বিজেপি-কংগ্ৰেছৰ সমৰ্থনত স্বতঃস্ফুটভাৱে ওলাই আহিল হাজাৰ-হাজাৰ সমৰ্থক

## শক্তি প্ৰদৰ্শনৰে বৰক্ষেত্ৰীৰ নাৰায়ণ, দিগন্তৰ মনোনয়ন পত্ৰ দাখিল

**অসম বাৰ্তা, দৌলাশাল, ২৩ মাৰ্চ ঃ** ক্ৰমাৎ গৰম আৰু আকৰ্ষণীয় হৈ পৰিছে ৩৮নং বৰক্ষেত্ৰী বিধানসভা সমষ্টিৰ ৰাজনৈতিক বতাহ। নলবাৰী জিলাৰ ৩৮নং বৰক্ষেত্ৰী বিধানসভা সমষ্টিত ভাৰতীয় জনতা পাৰ্টী আৰু ভাৰতীয় জাতীয় কংগ্ৰেছে সমষ্টিটো দখলৰ বাবে পৃথকে পৃথকে চলাইছে যুদ্ধংদেহী তৎপৰতা। সমষ্টিটোৰ পৰা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ উদ্দেশ্যৰে তিনিগৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰিছে যদিও মূল যুঁজখন বিজেপি আৰু কংগ্ৰেছৰ মাজতেই যে হ'ব সেয়া নিশ্চিত হৈ পৰিছে। মনোনয়ন পত্ৰ দাখিলৰ অন্তিমদিনা অৰ্থাৎ আজি সমষ্টিটোৰ ভাৰতীয় জনতা পাৰ্টী তথা মিত্ৰজোঁটৰ সমৰ্থিত প্ৰাৰ্থী নাৰায়ন ডেকা আৰু ভাৰতীয় জাতীয় কংগ্ৰেছ তথা বিৰোধী ঐক্য মঞ্চৰ সমৰ্থিত প্ৰাৰ্থী দিগন্ত বৰ্মনে নলবাৰী সংহত জিলা আয়ুক্ত কাৰ্যালয়ত মনোনয়ন পত্ৰ দাখিল কৰে। গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ নাৰায়ণ ডেকাই আজি পুৱাৰ ভাগতে মুকালমুৱাৰ বৰুৱাপুটাস্থিত বাসগৃহত মাতৃৰ চৰণ চুই আশীৰ্বাদ গ্ৰহণ কৰি মনোনয়ন পত্ৰ দাখিলৰ বাবে ৰাওনা হয়। ইয়াৰ পূৰ্বেই নাৰায়ন ডেকাই বালিলেচা কালী মন্দিৰত ধূপ-ধূনা নৈবদ্য আগবঢ়াই আশীৰ্বাদ গ্ৰহণ কৰে। ২০১৬ চনৰ বৰক্ষেত্ৰী সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ বিধায়ক নাৰায়ন ডেকাই আজি মনোনয়ন পত্ৰ দাখিলৰ যাত্ৰাপথত বৰুৱাপুৰাস্থিত শনি মন্দিৰ, জগন্নাথ মন্দিৰকে ধৰি বিভিন্ন মঠ-মন্দিৰত প্ৰাৰ্থনা জনাই হাজাৰ হাজাৰ কৰ্মী-সমৰ্থকক লগত লৈ নলবাৰী সংহত জিলা আয়ুক্তৰ কাৰ্যালয়ত উপস্থিত হৈ নিৰ্বাচনী বিষয়াৰ ওচৰত মনোনয়ন পত্ৰ দাখিল কৰে। বিজেপি মিত্ৰজোঁটৰ হাজাৰ হাজাৰ কৰ্মী-সমৰ্থকে মটৰ চাইকেল, ই-ৰিস্কা আৰু চাৰিচকীয়া বাহনৰে মুকালমুৱা দেশভক্ত ময়দান খেলপথাৰৰ পৰা মুকালমুৱা-জাগাৰা পথৰে নপ্তিপাৰা, বৰ্ণিবাৰী, ককয়া, জাগাৰা হৈ নলবাৰী গৰ্ডনৰে নলবাৰী সংহত জিলা আয়ুক্তৰ কাৰ্যালয়ত উপস্থিত হয়। নাৰায়ণ ডেকাক যাত্ৰাপথত অসম বাণিজ্য উন্নয়ন সংস্থাৰ উপাধ্যক্ষ মধুৰাম ডেকা, ভাৰতীয় জনতা পাৰ্টীৰ বৰক্ষেত্ৰী সমষ্টিৰ প্ৰভাৰী দিলজিত বৰ্মন, ভাৰতীয় জনতা পাৰ্টীৰ কিষাণ মৰ্চাৰ কাৰ্যনিৰ্বাহক সদস্য পৰাগজ্যোতি চৌধুৰী, নলবাৰী জিলা পৰিষদৰ অধ্যক্ষ গীতুমনি বৈশ্য, ৰূপেন দাস, বৰক্ষেত্ৰী আঞ্চলিক পঞ্চায়তৰ সভাপতি প্ৰীতম গোস্বামী, নলবাৰী জিলা সংখ্যালঘু মৰ্চাৰ সভাপতি প্ৰীতম গোস্বামীকে ধৰি ভাৰতীয় জনতা পাৰ্টী আৰু মিত্ৰদল অসম গণ পৰিষদ বৰক্ষেত্ৰী সমষ্টিৰ কেইবাজনো নেতা-কৰ্মীকে ধৰি বিশ সহস্ৰাধিক সমৰ্থকে সংগ দিয়ে। নাৰায়ণ ডেকাই সংবাদ মাধ্যমক সম্বোধন কৰি "উন্নয়নৰ ধাৰা অক্ষুণ্ণ ৰক্ষাৰ স্বাৰ্থত বৰক্ষেত্ৰীবাসীয়ে বিজেপিক ভোট দিব" বুলি কয়। ইপিনে ৩৮নং বৰক্ষেত্ৰী বিধানসভা সমষ্টিৰ ভাৰতীয় জাতীয় কংগ্ৰেছ তথা বিৰোধী ঐক্য মঞ্চৰ সমৰ্থিত প্ৰাৰ্থী দিগন্ত বৰ্মনে পুৱাৰ ভাগত বেলশৰ-শিঙিমাৰাস্থিত বাসগৃহত মাংগলিক কাৰ্যসূচী সমাপন কৰাৰ পাছত ইতিহাসপ্ৰসিদ্ধ বিল্বেশ্বৰ দেৱালত পূজা অৰ্চনা আগবঢ়াই মনোনয়ন পত্ৰ দাখিল বাবে আগবাঢ়ে। বৰক্ষেত্ৰী সমষ্টিৰ ২০২১ চনৰ তথা বিগত পাঁচ বছৰৰ বিধায়ক দিগন্ত বৰ্মনৰ হাজাৰ হাজাৰ কৰ্মী-সমৰ্থকে মুগদি উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰৰ পৰা প্ৰাৰ্থীগৰাকীক লগত লৈ বিশাল সমদল উলিয়াই ঠুটিকাটা, পিপলিবাৰী, বিল্বেশ্বৰ দেৱালয়, বিহামপুৰ, খাৰজাৰা, বৰকুৰা হৈ নলবাৰী সংহত জিলা আয়ুক্তৰ কাৰ্যালয়ত উপস্থিত হৈ মনোনয়ন পত্ৰ দাখিল কৰে। বিৰোধী ঐক্য মঞ্চৰ প্ৰাৰ্থীগৰাকীক কংগ্ৰেছৰ বৰক্ষেত্ৰী সমষ্টিৰ পৰ্যবেক্ষক বাবলু ভাটিয়া, বৰক্ষেত্ৰী ব্লক কংগ্ৰেছৰ সভাপতি পৰীক্ষিত দাস, বৰভাগ ব্লক কংগ্ৰেছৰ সভাপতি লক্ষ্মীধৰ ডেকা, বৰক্ষেত্ৰী যুৱ কংগ্ৰেছৰ সভাপতি কাৰ্তিক তালুকদাৰসহ চিপিআই(এম), অসম জাতীয় পৰিষদ আৰু ৰাইজৰ দলৰ নেতৃত্বকে ধৰি বিশ সহস্ৰাধিক সমৰ্থকে সংগ দিয়ে। দিগন্ত বৰ্মনে সংবাদ মাধ্যমক সম্বোধন কৰি জনতাৰ সঁহাৰি দেখি বৰক্ষেত্ৰীৰ জনতাই গাঁঠিৰ ধন ভাঙি সহযোগিতা কৰিছে বুলি মন্তব্য কৰে। ইপিনে ৩৮নং বৰক্ষেত্ৰী বিধানসভা সমষ্টিৰ পৰা তৃণমুল কংগ্ৰেছৰ প্ৰাৰ্থী হিচাপে নলবাৰী সংহত জিলা আয়ুক্তৰ কাৰ্যালয়ত মনোনয়ন পত্ৰ দাখিল কৰে অধিবক্তা আমিৰুল ইছলামে।

# ধেমাজিত হাজাৰ-হাজাৰ সমৰ্থকক লৈ পৃথকে-পৃথকে মনোনয়ন দাখিল শাসক-বিৰোধীৰ

**অসম বাৰ্তা, ধেমাজি, ২৩ মাৰ্চ ঃ** মনোনয়নৰ অন্তিমটো দিনত ধেমাজিত দেখা পোৱা গল শাসক বিৰোধীৰ আটায়ে দাখিল কৰিলে মনোনয়ন পত্ৰ। নৱ গঠিত চিচিবৰগাঁও সমষ্টিৰ বিৰোধীৰ উমৈহতীয়া মিত্ৰজোটৰ প্ৰাৰ্থী দুলাল চন্দ্ৰ বৰুৱাই প্ৰায় তিৰিশ হাজাৰ সমৰ্থকৰ সৈতে পদযাত্ৰা কৰি আজি ধেমাজি জিলা সংহত আয়ুক্ত কাৰ্যালয়ত মনোনয়ন পত্ৰ দাখিল কৰে। নৱগঠিত চিচিবৰগাঁও সমষ্টিৰ বাবে অনেক শ্ৰমদান কৰি সংৰক্ষণ মুক্ত সমষ্টি গঢ় দিয়াৰ ক্ষেত্ৰত দুলাল চন্দ্ৰ বৰুৱাৰ আছে যথেষ্ট অৱদান। বিৰোধীৰ উমৈহতীয়া মিত্ৰজোঁটৰ পাৰ্থী দুলা চন্দ্ৰ বৰুৱাই অৰাজনৈতিক ভাৱে জীৱনৰ অধিক কাল জাতিৰ হকে সেৱা আগবঢ়াই আহি অৱশেষত পোন প্ৰথমবাৰৰ বাবে ৰাইজৰ দলৰ প্ৰক্ষেপিত প্ৰাৰ্থী হিচাপে মনোনিত হৈ নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হ'ব। ৰাজনৈতিক পথাৰত পোন প্ৰথমবাৰৰ বাবে খোজ দিয়া দুলাল চন্দ্ৰ বৰুৱা এগৰাকী সৎ নিষ্ঠাবান সমাজ কৰ্মী হিচাপে পৰিচয় আছে সমগ্ৰ অসম তথা ধেমাজিত। ৰাইজৰ দলৰ হৈ নিৰ্বাচনত প্ৰতিদন্দ্বিতা আগবঢ়োৱা দুলাল বৰুৱা সমৰ্থকৰ মতে তেওঁলোকৰ প্ৰিয় নেতাজনে এইবেলি বিপুল ভোটত জয়যুক্ত হ'ব বুলি দাবী কৰে। ইফালে নৱগঠিত চিচিবৰগাঁও সমষ্টিৰ বাবে মনোনয়ন পত্ৰ দাখিল কৰে সমাজকৰ্মী প্ৰতিষ্ঠিত ব্যৱসায়ী নিৰ্দ্দলীয় পাৰ্থী নন্দিগিৰি ভুঞাঁই। জোনাই প্ৰাক্তন বিধায়ক ভুৱন পেগুৱে দলীয় সমৰ্থকক লগতলৈ আজি ভাৰতীয় জনতা পাৰ্টীৰ পাৰ্থী হিচাপে মনহনয়ন পত্ৰ দাখিল কৰে। সমান্তৰালকৈ ধেমাজি সমষ্টিৰ বাবে মনোনয়ন দাখিল কৰে নিৰ্দ্দলীয় পাৰ্থী বাবুল সোণোৱালে। শাসকীয় দলৰহৈ হাজাৰ হাজাৰ সমৰ্থকক লগতলৈ পদযাত্ৰাৰে ধেমাজি সমষ্ঠিৰ প্ৰাক্তন বিধায়ক শিক্ষা মন্ত্ৰী ডাঃ ৰনোজ পেগুৱে মনোয়ন পত্ৰ দাখিল কৰে। ৭৯ নং নৱগঠিত চিচিবৰগাঁও সমষ্টিৰ শাসকীয় দলৰ হৈ অন্তিম মুহুৰ্তত টিকট লাভ কৰা জীৱন গগৈয়ে দলীয় কৰ্মকৰ্তাক লগতলৈ মনোনয়ন পত্ৰ দাখিল কৰে আজি ধেমাজি জিলা সংহত আয়ুক্ত কাৰ্যালয়ত। শাসকীয় দলৰহৈ আটাইকেইজন পাৰ্থীৰ মনোনয়ন পত্ৰ দাখিল অনুষ্ঠানত সংঙ্গ দিয়ে লক্ষীমপুৰ লোকসভা সাংসদ প্ৰদান বৰুৱাই।

# বিহপুৰীয়া বিধানসভা সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী ৰাম ভূঞাৰ মনোনয়ন দাখিল; সমষ্টিবাসীৰ বিপুল আদৰণি

**অসম বাৰ্তা, বান্দৰদেৱা, ২৩ মাৰ্চ ঃ** লখিমপুৰ জিলাৰ ৭৩নং বিহপুৰীয়া বিধানসভা সমষ্টিৰ কংগ্ৰেছ দলৰ টিকট পাবলৈ সক্ষম হোৱা ৰাম ভূএগই আজি মনোনয়ন পত্ৰ দাখিল কৰে। ইয়াৰ পূৰ্বে পুৱা ভাগতে শঙ্কৰদেৱ মাধৱদেৱ গুৰু দুজনাৰ লগতে গোপাল আতা আৰু অনিৰুদ্ধ দেৱৰ প্ৰতি সেৱা লৈ শতাধিক অনুৰাগী সমৰ্থকৰ সৈতে জিলা আয়ুক্তৰ কাৰ্য্যালত মনোনয়ন দাখিলৰ বাবে যাত্ৰা কৰে। পৰৱৰ্তী সময়ত মনোনয়ন দাখিল কৰি সমষ্টিত আহি পোৱাৰ লগে লগে কেইবা হেজাৰো অনুৰাগীয়ে আদৰণি জনাই এক বিশাল ৰেলীৰে গৃহ অভিমুখে লৈ যোৱা পৰিলক্ষিত হয়।

# মেধাবী ছাত্ৰ-ছাত্ৰীলৈ 'বৰ্ণিল ফাউণ্ডেচন'ৰ বৃত্তিপ্ৰদান




**অসম বাৰ্তা, অভয়াপুৰী, ২৩ মাৰ্চ ঃ** ভাৰত চৰকাৰৰ কৰ্পৰেট পৰিক্ৰমা মন্ত্ৰালয়ৰ অধীনত পঞ্জীয়নভুক্ত অভয়াপুৰীৰ সামাজিক সংস্থা "বৰ্ণিল ফাউণ্ডেচন"ৰ তৰফৰ পৰা আজি এশ তেৰ গৰাকী মেধাবী ছাত্ৰ-ছাত্ৰীক ছাত্ৰবৃত্তি প্ৰদান কৰা হয়। এই কাৰ্য বৃত্তি হিচাপে এশ তেৰ গৰাকী ছাত্ৰ-ছাত্ৰীক পাঁচ লাখ পাঁচ হাজাৰ দুশ টকাৰ বৃত্তি প্ৰদান কৰি তেওঁলোকৰ শিক্ষাজীৱন আগবঢ়াই নিয়াত উৎসাহ যোগোৱা হয়। আজি অভয়াপুৰীৰ এছিয়ান কিডছ ইংলিছ স্কুল প্ৰাঙ্গণত অনুষ্ঠিত বিদ্যালয়খনৰ ফলাফল ঘোষণা অনুষ্ঠানৰ সৈতে সংগতি ৰাখি এই বৃত্তি প্ৰদান অনুষ্ঠানটোৰ আয়োজন কৰা হয়। বৃত্তি প্ৰদান অনুষ্ঠানটোত ছাত্ৰ-ছাত্ৰী, অভিভাৱক তথা শিক্ষক-শিক্ষয়িত্ৰী সকলৰ উপস্থিতিয়ে অনুষ্ঠানটো অধিক সজীৱ কৰি তোলে। যোৱা ১৮ মাৰ্চ তাৰিখে এছিয়ান কিডছ ইংলিছ স্কুলৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত এই বৃত্তিৰ বাবে এক প্ৰতিযোগিতামূলক পৰীক্ষা অনুষ্ঠিত হৈছিল। এই পৰীক্ষাত উৎকৃষ্ট ফলাফল প্ৰদৰ্শন কৰা ছাত্ৰ-ছাত্ৰীসকল আজি এই বৃত্তিৰ বাবে নিৰ্বাচিত কৰা হয়। বৃত্তি প্ৰদান অনুষ্ঠানত এছিয়ান কিডছ ইংলিছ স্কুলৰ সকলো শিক্ষক-শিক্ষয়িত্ৰী আৰু "বৰ্ণিল ফাউণ্ডেচন"ৰ বিষয়ববীয়া সকল উপস্থিত থাকে আৰু তেওঁলোকে ছাত্ৰ-ছাত্ৰীসকলক অভিনন্দন জনায়। "বৰ্ণিল ফাউণ্ডেচন"ৰ এনে উদ্যোগে মেধাবী ছাত্ৰ-ছাত্ৰীসকলক অধিক প্ৰেৰণা যোগোৱাৰ লগতে সমাজত শিক্ষাৰ মান উন্নত কৰাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। ইফালে, বৃত্তি লাভ কৰা ছাত্ৰ-ছাত্ৰীসকলৰ অভিভাৱক সকলে "বৰ্ণিল ফাউণ্ডেচন"ৰ এই প্ৰশংসনীয় পদক্ষেপক আন্তৰিকভাৱে শলাগ লৈ ভৱিষ্যতেও এনে ধৰণৰ সামাজিক কাম অব্যাহত ৰাখিবলৈ আহ্বান জনায়।

# তিনিচুকীয়া জিলাৰ ৬টা বিধানসভা সমষ্টিত মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিনটোত মুঠ ২৭গৰাকী প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ দাখিল

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ২৩ মাৰ্চ ঃ** সমাগত অসম বিধানসভা নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ দাখিলৰ আজি অন্তিম দিনটোত সমগ্ৰ অসমৰ লগতে উজনি অসমৰ তিনিচুকীয়া জিলাটো এক উখল মাখল পৰিৱেশে বিৰাজ কৰে। আজি অন্তিম দিনটোত জিলাখনৰ ছটা বিধানসভা সমষ্টিৰ পৰা নিৰ্বাচনত অৱতীৰ্ণ হোৱা শাসক, বিৰোধী আৰু নিৰ্দলীয় প্ৰাৰ্থী সহ মুঠ ২৭গৰাকী প্ৰাৰ্থীয়ে আজি নিজৰ নিজৰ মনোনয়নপত্ৰ দাখিল কৰে। এই লৈ আজি সমগ্ৰ তিনিচুকীয়া চহৰখনত এক উৎসৱমুখৰ পৰিবেশে বিৰাজ কৰে। বিভিন্ন ভাষা-ভাষী লোকৰ নৃত্য-গীত আৰু জনগোষ্ঠীয় কলা-সংস্কৃতিৰ সমাহাৰেৰে ৰাতিপুৱাৰ পৰা বিয়লি তিনি বজা পৰ্যন্ত ৰজনজনাই থাকে তিনিচুকীয়া চহৰ। কি কংগ্ৰেছ, কি বিজেপি অথবা নিৰ্দলীয় সকলোৱে ভোটাৰৰ মন জয় কৰিবলৈ দলে-বলে সমদল কৰি নিজৰ নিজৰ শক্তি প্ৰদৰ্শনৰে মনোনয়নপত্ৰ দাখিল কৰে। অধিক আকৰ্ষণীয়ভাৱে বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীক লৈ বিশাল সমদলেৰে ঢোলে দগৰে, বিহুনাচ, ঝুমইৰ, পাঞ্জাৱী, বিহাৰী, নেপালী সম্প্ৰদায়ৰ নৃত্য গীতৰ তালে তালে মিত্ৰজোঁটৰ প্ৰাৰ্থী ক্ৰমে তিনিচুকীয়া বিধানসভা সমষ্টিৰ প্ৰাৰ্থী পুলক গোঁহাই, নৱগঠিত মাকুম সমষ্টিৰ সঞ্জয় কিষান, ডুমডুমাৰ ৰূপেশ গোৱালা আৰু ডিগবৈ সমষ্টিৰ প্ৰাৰ্থী সুৰেন ফুকন নিজৰ নিজৰ মনোনয়নপত্ৰ দাখিল কৰে। আনহাতে তিনিচুকীয়া সমষ্টিৰ কংগ্ৰেছ দলৰ প্ৰাৰ্থী ডেভিদ ফুকন আৰু ডুমডুমা সমষ্টিৰ কংগ্ৰেছ দলৰ প্ৰাৰ্থী দুৰ্গা ভূমিজেও সহস্ৰাধিক সমৰ্থকক লগত লৈ বৃহৎ সমদল কৰি আজি মনোনয়নপত্ৰ দাখিল কৰে। একেদৰে বিৰোধী ঐক্যৰ প্ৰাৰ্থী ক্ৰমে শদিয়া সমষ্টিত অসম জাতীয় পৰিষদৰ প্ৰাৰ্থী জগদীশ ভুএগ, মাৰ্ঘেৰিটা সমষ্টিত ৰাইজৰ দলৰ প্ৰাৰ্থী ৰাহুল চেত্ৰী, ডিগবৈ সমষ্টিত ৰাইজৰ দলৰ প্ৰাৰ্থী দুলাল মৰাণেও আজি মনোনয়নপত্ৰ দাখিল কৰে। সেই অনুসৰি আজি মনোনয়নপত্ৰ দাখিলৰ অন্তিম দিনটোত তিনিচুকীয়া জিলাৰ ছয়টা সমষ্টি ক্ৰমে তিনিচুকীয়াত আঠজনে, নৱগঠিত মাকুম সমষ্টিত ছজনে, ডিগবৈ সমষ্টিত পাঁচজনে, শদিয়া সমষ্টিত চাৰিজনে আৰু ডুমডুমা সমষ্টিত দুজন প্ৰাৰ্থীসহ মুঠ ২৭ গৰাকী প্ৰাৰ্থীয়ে নিজৰ নিজৰ মনোনয়নপত্ৰ দাখিল কৰে। জিলা নিৰ্বাচনী বিষয়াৰ উদ্ধৃতি দি তথ্য আৰু জনসংযোগ বিষয়াই জনোৱা অনুসৰি শদিয়া সমষ্টিত অসম জাতীয় পৰিষদৰ জগদীশ ভুএগ, তিনি নিৰ্দলীয় প্ৰাৰ্থী ক্ৰমে দলীত দেউৰী, আব্ৰাহাম তিৰ্কী আৰু দিলীপ বৰগোঁহাই। তিনিচুকীয়া সমষ্টিত পুলক গোঁহাই (বিজেপি), ডেভিদ ফুকন (কংগ্ৰেছ), ইজৰাইল নন্দ (ৰিপাব্লিকান পাৰ্টি অৱ ইণ্ডিয়া, আথালে), নিৰ্দলীয় ক্ৰমে লালন চাহানী, গোবিন্দা জয়চে, জনি কিৰণ নায়ক, ভাইৰো ভগদ আৰু জিণ্টু বৰা। নৱগঠিত মাকুম সমষ্টিত সঞ্জয় কিষান (বিজেপি), শিৱনাথ চেতিয়া (কংগ্ৰেছ), দিলীপ মৰাণ (অল ইণ্ডিয়া তৃণমুল কংগ্ৰেছ), মুন্না কৰ্মকাৰ (ঝাৰখণ্ড মুক্তি মৰ্চা) নিৰ্দলীয় ক্ৰমে পদ্মকান্ত চুতীয়া আৰু লক্ষ্যজ্যোতি ৰাজখোৱা। ডুমডুমা সমষ্টিত ৰূপেশ গোৱালা (বিজেপি) আৰু দুৰ্গা ভূমিজ (কংগ্ৰেছ)। মাৰ্ঘেৰিটা সমষ্টিত ৰাহুল চেত্ৰী (ৰাইজৰ দল) আৰু জাৰ্নেল মিঞ্জ (ঝাৰখণ্ড মুক্তি মৰ্চা)। ডিগবৈ সমষ্টিত সুৰেন ফুকন (বিজেপি), জিতেন নাগ (অল ইণ্ডিয়া তৃণমূল কংগ্ৰেছ), ভৰত নায়ক (ঝাৰখণ্ড মুক্তি মৰ্চা) আৰু দুলাল মৰাণ(ৰাইজৰ দল)এ আজি মনোনয়নপত্ৰ দাখিল কৰে।

# পাকা বেতবাৰী সমষ্টিৰ কংগ্ৰেছৰ প্ৰাৰ্থী বিধায়ক জাকিৰ হুছেইন শিকদাৰৰ বিশ হাজাৰ সমৰ্থক লৈ মনোনয়ন পত্ৰ দাখিল

**অসম বাৰ্তা, বৰপেটা সদৰ, ২৩ মাৰ্চ ঃ** পাকা বেতবাৰী সমষ্টিৰ কংগ্ৰেছৰ প্ৰাৰ্থী বিধায়ক জাকিৰ হুছেইন শিকদাৰৰ বিশ হাজাৰ সমৰ্থক লৈ আজি মনোনয়ন পত্ৰ দাখিল কৰিলে। "অসমত যিমান দিনলৈকে হিমন্ত বিশ্ব শৰ্মাৰাজ, আৰএছএছ ৰাজ চলিব, তেতিয়ালৈকে ৰাইজৰ ওপৰত অত্যাচাৰ চলি থাকিব"- জাকিৰ হুছেইন শিকদাৰ বিগত দহটা বছৰে সৰুক্ষেত্ৰী সমষ্টিক কংগ্ৰেছ দলৰ পৰা বিধায়কৰূপে প্ৰতিনিধিত্ব কৰি বিজেপি চৰকাৰ, চৰকাৰৰ প্ৰভাৱশালী মন্ত্ৰী তথা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে এটা শব্দও উচ্চাৰণ নকৰা বুলি সামাজিক মাধ্যমতো চৰ্চিত হৈ থকা অভিযোগ আজি বিধায়ক তথা পাকা বেতবাৰী বিধানসভা সমষ্টিৰ কংগ্ৰেছৰ প্ৰাৰ্থী জাকিৰ হুছেইন শিকদাৰে তেওঁৰ সমৰ্থনত অনুষ্ঠিত হোৱা এখন বিশাল জনসভাত উদাত্ত ভাষণেৰে তীব্ৰ সমালোচনা কৰি সেই অভিযোগ খণ্ডন কৰিছে। উল্লেখ্য যে- বিধায়ক জাকিৰ হুছেইন শিকদাৰে আজি পাকা বেতবাৰী সমষ্টিত কংগ্ৰেছৰ হৈ মনোনয়ন পত্ৰ দাখিল কৰি উঠি দাবলীয়াপাৰাত আয়োজিত কৰা এখন বিশাল জনসভাত কয় যে- "বিগত দিনত হিমন্ত বিশ্ব শৰ্মাৰ চকুত চকু থৈ সমষ্টি উন্নয়নৰ বাবে বিধানসভাত বক্তব্য প্ৰদান কৰি আহিছোঁ। অনাগত দিনটো পাকা বেতবাৰী বিধানসভা সমষ্টিবাসীৰ সমস্যাৰ বিষয়ে চৰকাৰৰ ওচৰত দাবী অব্যাহত ৰাখিম। আজি মোৰ মনোনয়ন পত্ৰ দাখিল কৰিবলৈ যাওঁতে হেজাৰ হেজাৰ লোক ওলাই আহিছে। পাকা বেতবাৰী ৰাইজে বৰষুণ আৰু প্ৰসৰ ৰ'দকো নেওচি সমদলত ভাগ লৈছে আৰু এই জনসভাতো অংশগ্ৰহণ কৰিছে। ৰাইজ সকলৰ বহুত কষ্ট হৈছে। কিহৰ বাবে কষ্ট কৰিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ অপশাসনৰ পৰা, অত্যাচাৰৰ পৰা পৰিত্ৰাণ পাবলৈ আৰু গৌৰৱ গগৈক মুখ্যমন্ত্ৰীৰ আসনত অধিষ্ঠিত কৰিবলৈ কষ্ট কৰিছে। মোক বিধায়কৰূপে নিৰ্বাচিত কৰিবলৈ বিচাৰি এই কষ্ট কৰিছে। বৰ্তমান অসমৰ পৰিস্থিতি ভাল নহয়। জনসাধাৰণে এক অৰাজকতাৰ মাজত দিন অতিবাহিত কৰিব লগা হৈছে। বয়বস্তুৰ মূল্যবৃদ্ধিত গৰীৱ আৰু মধ্যবিত্ত লোক সকলে হতাশাত দিন পাৰ কৰিব লগা হৈছে। অসমত যেতিয়ালৈকে হিমন্ত বিশ্ব শৰ্মাৰাজ আৰু আৰএছএছৰাজ চলিব তেতিয়ালৈ জনসাধাৰণ ওপৰত অত্যাচাৰ চলি থাকিব। জনসাধাৰণে অশান্তিত দিন পাৰ কৰিব লাগিব। সেইবাবে অসমত হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বাধীন বিজেপি মিত্ৰজোঁটৰ চৰকাৰ ওফৰাই দিব লাগিব।" অসমত হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বাধীন চৰকাৰখন উৎখাত কৰাৰ এয়াই সময় সমাগত" বুলি কৈ ভোটাৰ ৰাইজক বিৰোধী মিত্ৰজোঁটৰ প্ৰাৰ্থীক ভোট দিবলৈ আহ্বান জনায় জাকিৰ হুছেইন শিকদাৰে। বিধায়ক জাকিৰ হুছেইন শিকদাৰে তেওঁৰ ভাষণত পাকা বেতবাৰী বিধানসভা সমষ্টিত তেওঁ এইবাৰ এক লাখ ভোটৰ ব্যৱধানত জয় লাভ কৰিব বুলি দাবী কৰে। মনোনয়ন পত্ৰ দাখিলৰ সমদলত ছত্তিশগড়ৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী ভূপেশ বাঘালে বিজেপি দল আৰু চৰকাৰক চোকা সমালোচনা কৰি কয় যে- "এই বাৰৰ অসমৰ নিৰ্বাচনত অসমৰ পৰা হিমন্ত বিশ্ব শৰ্মাৰ বিজেপি চৰকাৰখন উৎখাত কৰিবলৈ হিলদল ভাঙি ওলাই আহিছে। অসমত এইবাৰ গৌৰৱ গগৈৰ নেতৃত্বত এখন চৰকাৰ হ'ব।" ঘিলাজাৰী-ৰূপসী ব্লক কংগ্ৰেছ কমিটিৰ সভাপতি ৰফিকুল তালুকদাৰ, কংগ্ৰেছী নেতা কাজি মুছাহিদুৰ ৰহমানে পৰিচালনা কৰা সভাত সৰ্বভাৰতীয় কংগ্ৰেছী নেতা ভূপেস ভাগেল, পৃথিৰাজ সাথে, অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ উপ সভাপতি জয়ন্ত কলিতাইয়ো ভাষণ দিয়াৰ লগতে কালদিয়া জিলা পৰিষদ সমষ্টিৰ সদস্য ইছমাইল হোছেইন, কংগ্ৰেছী নেতৃবৃন্দ ৰাজীৱ হক, তাইজুদ্দিন আহমেদ, ৰাসিনা সৰকাৰ ইছলামৰ লগতে বহু সংখ্যক নেতাই অংশ গ্ৰহণ কৰে। উল্লেখ্য যে- জনসভাত ভৱানীপুৰ বিধানসভা সমষ্টিৰ প্ৰাক্তন এআইইউডিএফৰ বিধায়ক আবুল কালাম আজাদে বহু সংখ্যক সমৰ্থকক লগত লৈ কংগ্ৰেছ দলত যোগদান কৰে। কংগ্ৰেছত যোগদান কৰি আবুল কালাম আজাদে তেওঁৰ ভাষণত অসমত এইবাৰ গৌৰৱ গগৈৰ নেতৃত্বত চৰকাৰ গঠন হ'ব আৰু পাকা বেতবাৰী বিধানসভা সমষ্টিত জাকিৰ হুছেইন শিকদাৰে বিশাল ভোটৰ ব্যৱধানত জয়ী হ'ব বুলিও দাবী কৰে। জনসভাৰ প্ৰাক মুহূৰ্তত আজি পাকা বেতবাৰী বিধানসভা সমষ্টিৰ কংগ্ৰেছৰ প্ৰাৰ্থী জাকিৰ হুছেইন শিকদাৰে হেজাৰ হেজাৰ সমৰ্থকক লগত লৈ বৰপেটাৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত মনোনয়ন পত্ৰ দাখিল কৰে।

# ভবাণীপুৰ সৰভোগ সমষ্টিত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ৰেলীক লৈ প্ৰস্তুতি সভা ৰনজিৎ কুমাৰ দাসৰ

**অসম বাৰ্তা, বৰপেটাৰোড, ২৩ মাৰ্চ ঃ** ভবাণীপুৰ সৰভোগ সমষ্টিত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰজন আশীৰ্বাদ যাত্ৰা (ৰেলী) লৈ প্ৰস্তুতি সভা ৰনজিৎ কুমাৰ দাসৰ উপস্থিতিত বৰপেটাৰোড বিজেপিৰ নগৰ মণ্ডলৰ কাৰ্যালয়ত এখন প্ৰস্তুতি সভা অনুষ্ঠিত হয়। সভাত মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে সংবাদ মাধ্যমৰ আগত কয় যে মুখ্যমন্ত্ৰীৰজন আশীৰ্বাদ যাত্ৰা অসমৰ বিভিন্ন প্ৰান্তত সম্পূৰ্ণ হৈছে যদিও ভবাণীপুৰ সৰভোগ সমষ্টি হোৱা নাছিল, সেয়েহে কাইলৈ ২৪ তাৰিখে ইয়াৰ অন্তিম তথা নিৰ্বাচনী প্ৰচাৰৰ আৰম্ভণি স্বৰূপে সমষ্টিৰ বিভিন্ন প্ৰান্তত মুখ্যমন্ত্ৰীয়ে অনুষ্ঠিত কৰিবজন আশীৰ্বাদ যাত্ৰা। উক্ত যাত্ৰাত সকলোৰে উপস্থিতি কামনা কৰি নিৰ্বাচনৰ প্ৰচাৰ অভিযান অহা ২৫ বা ২৬ মাৰ্চৰ পৰাই নিৰ্বাচনৰ প্ৰচাৰ অভিযান আৰম্ভ হ'ব বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীৰজন আশীৰ্বাদ যাত্ৰাৰ পৰিকল্পনাৰ বাবে জিলা সভাপতি মহেন্দ্ৰ দাসৰ উপস্থিতিত ভবাণীপুৰ সৰভোগ সমষ্টিৰ কেইবাটাও মণ্ডল কাৰ্যালয়ত বিশেষ সভা অনুষ্ঠিত হয়। উল্লেখ্য যে মুখ্যমন্ত্ৰীৰ সমষ্টিটোত এই যাত্ৰা কালি সৰভোগৰ পৰা আৰম্ভ হৈ ক্ৰমে বৰপেটাৰোড, ভবানীপুৰ আৰু সৰুপেটালৈ যাব।

# জ্যেষ্ঠ ৰাজনীতিক চন্দ্ৰমোহন পাটোৱাৰীৰ মনোনয়ন দাখিল

**অসম বাৰ্তা, নলবাৰী, ২৩ মাৰ্চ ঃ** ক্ৰমাগতভাৱে নৱমবাৰলৈ মনোনয়ন পত্ৰ দাখিল জ্যেষ্ঠ ৰাজনীতিক চন্দ্ৰমোহন পাটোৱাৰীৰ। ১৯৮৫ চনৰ পৰাই এটা সমষ্টিক প্ৰতিনিধিত্ব কৰি অহা জ্যেষ্ঠ নেতা চন্দ্ৰমোহন পাটোৱাৰীয়ে এইবাৰলৈ মুঠ ন বাৰকৈ মনোনয়ন পত্ৰ দাখিল কৰিছে। পূৰ্বৰ ধৰ্মপুৰ আৰু বৰ্তমানৰ নৱগঠিত টিহু বিধানসভা সমষ্টিৰ পৰা ভাৰতীয় জনতা পাৰ্টীৰ মিত্ৰজোঁটৰ হৈ চন্দ্ৰমোহন পাটোৱাৰীয়ে নলবাৰী সংহত জিলা আয়ুক্তৰ কাৰ্যালয়ত সোমবাৰে মনোনয়ন পত্ৰ দাখিল কৰে। মুখত সন্তুষ্টিৰ হাঁহি লৈ সমষ্টিলৈ যোৱাৰ পূৰ্বে প্ৰথমে মনোনয়ন দাখিল কৰে জ্যেষ্ঠ নেতাগৰাকীয়ে। টিহুত এইবাৰো বিজেপিয়ে ভাল ফলাফল লাভ কৰিব বুলি আশাবাদী চন্দ্ৰমোহন পাটোৱাৰী। পূৰ্বৰ ধৰ্মপুৰ সমষ্টিৰ বিলুপ্তিকৰণ ঘটি নতুনকৈ গঠিত হোৱা টিহু বিধানসভা সমষ্টিত কোনো প্ৰত্যাহ্বানৰ সন্মুখীনৰ আশংকা কৰা নাই নেতাগৰাকীয়ে। বৰক্ষেত্ৰী, পাটাছাৰকুছি, বৰমা বিধানসভা সমষ্টিৰ পৰা বহুকেইটা অঞ্চল এই সমষ্টিটোত অন্তৰ্ভুক্ত হোৱাৰ পিছতো লোকসকল বিজেপিৰ পক্ষতেই থকা বুলি নেতাগৰাকীয়ে মত ব্যক্ত কৰে। জিলা আয়ুক্তৰ কাৰ্যালয়ৰ বাহিৰত হাজাৰ হাজাৰ সমৰ্থকে প্ৰাৰ্থীগৰাকীক আদৰি নিবলৈ সাজু হৈ থকা দেখা গৈছে। নলবাৰীৰ গৰ্ডন খেলপথাৰৰ পৰা টিহু সমষ্টিলৈ বিশাল ৰেলীৰে আদৰি নিয়া হয় বিজেপি মিত্ৰজোঁটৰ নিৰ্বাচনী প্ৰাৰ্থী চন্দ্ৰমোহন পাটোৱাৰীক। মনোনয়ন দাখিলৰ পিছতে ৰাজনীতিবিদগৰাকীয়ে কয়, "আজি আমি টিহু সমষ্টিৰ পৰা ভাৰতীয় জনতা পাৰ্টীৰ প্ৰাৰ্থী হিচাপে মনোনয়ন আমি দাখিল কৰিলো আৰু আমি সকলো ৰাইজৰ আশীৰ্বাদ আৰু সহযোগিতা বিচাৰিছো। বিগত পাঁচটা বা দহটা বছৰত আমাৰ বিজেপি চৰকাৰ অহাৰ পিছত বিশেষকৈ পাঁচটা বছৰত উন্নয়নৰ ক্ষেত্ৰত যিখিনি ব্যৱস্থা আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই লৈছে, গতিকে উন্নয়নৰ এই ব্যৱস্থাত সকলো ৰাইজ সন্তুষ্ট হৈছে। এই উন্নয়নৰ স্বাৰ্থতে সমগ্ৰ অসমৰ ৰাইজে এইবাৰ নিৰ্বাচনত ভোটদান কৰিব।"

## মাজুলীৰ ৰাইজে এইবাৰ মাজুলীৰ মৌলিক সমস্যাসমূহ সজোৰে বিধানসভাত উত্থাপন কৰাটো বিচাৰিছে ঃ ড° ইন্দ্ৰনীল পেগু

# মাজুলী সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী ড° ইন্দ্ৰনীল পেগুৰ মনোনয়ন দাখিল

**অসম বাৰ্তা, মাজুলী, উজনী মাজুলী, ২৩ মাৰ্চ ঃ** ৯৮ নং মাজুলী বিধানসভা সমষ্টিৰ বাবে বিৰোধী ঐক্যৰ সমৰ্থিত কংগ্ৰেছ দলৰ মনোনীত প্ৰাৰ্থী ড°ইন্দ্ৰনীল পেগুৱে আজি মনোনয়ন পত্ৰ দাখিল কৰে। জেংৰাইমুখৰ নিজ গৃহৰ পৰা হাজাৰ হাজাৰ দলীয় সমৰ্থকক লগত লৈ বৃহৎ ৰেলীৰে জিলা সদৰ গড়মূৰৰ মিনি ষ্টেডিয়ামত একত্ৰিত হৈ তাৰ পৰাই হাজাৰ হাজাৰ সমৰ্থকৰ সৈতে সমদল কৰি মাজুলী সংহত জিলা আয়ুক্ত কাৰ্যালয়ত উপস্থিত হয় কংগ্ৰেছ প্ৰাৰ্থী ড° ইন্দ্ৰনীল পেগু। বিহু, বেণ্ড পাৰ্টী, মিচিং গোমৰাং নৃত্যৰ চেৰত দলীয় কৰ্মীসকলে নাচি-বাগি সমদলত অংশগ্ৰহণ কৰে। ইয়াৰ পিছতেই কংগ্ৰেছ প্ৰাৰ্থী গৰাকীয়ে জিলা আয়ুক্ত কাৰ্যালয়ত জিলা কংগ্ৰেছৰ বহুকেইগৰাকী নেতাৰ সৈতে গৈ জিলা নিৰ্বাচনী বিষয়াৰ হাতত মনোনয়ন পত্ৰ প্ৰদান কৰে। ইফালে মনোনয়ন প্ৰদানৰ সকলো যাৱতীয় আনুষ্ঠানিকতা সম্পন্ন কৰাৰ অন্তত ওলাই আহি সাংবাদিকৰে মুখামুখি হৈ কংগ্ৰেছ প্ৰাৰ্থী ডঃ ইন্দ্ৰনীল পেগুৱে কয়- মাজুলীৰ উজনি-নামনি সৰ্বস্তৰৰ ৰাইজৰ উৎসাহৰ ফলত নিশ্চিত হৈছোঁ যে এইবাৰ আমাক মাজুলীৰ ৰাইজে মাজুলীৰ সেৱা কৰাৰ সুযোগ প্ৰদান কৰিব। ইফালে মাজুলীৰ কোন কেইটা মূল ইছ্যু লৈ এইবাৰ ৰাইজৰ কাষলৈ যাব বুলি সোধাত তেওঁ কয় যে মাজুলীৰ ৰাইজে এইবাৰ মাজুলীৰ মৌলিক সমস্যা সমূহ সজোৰে বিধানসভাত উত্থাপন কৰাটো বিচাৰিছে। ২০২৬ ৰ নিৰ্বাচনত যোৰহাটত ব্ৰেকফাষ্ট কৰি দলঙেৰে পাৰ হৈ মাজুলীত লাঞ্চ কৰি চেলেক-ধুনাগুৰি দলঙেৰে পাৰ হৈ লখিমপুৰত ডিনাৰ কৰিম বুলি কৈছিল, কিন্তু সেয়া এইবাৰ কাৰ্যত দেখা নগ'ল বুলি তেওঁ উল্লেখ কৰে। ইফালে মাজুলীৰ পয়াঁলগা স্বাস্থ্য খণ্ডৰ উন্নীতকৰণৰ বাবে চৰকাৰে যোৱা সময়ছোৱাত একো নকৰিলে বুলি উল্লেখ কৰি কংগ্ৰেছ প্ৰাৰ্থী ড° ইন্দ্ৰনীলে কয় যে মাজুলীৰ পৰ্যটন ক্ষেত্ৰত যি সম্ভাৱনীয়তা আছে, সেই সম্ভাৱনীয়তাক আধাৰ হিচাপে লৈ মাজুলীৰ যুৱক-যুৱতীসকলক স্বাৱলম্বী কৰি তোলাৰ ক্ষেত্ৰত বৰ্তমানৰ বিধায়ক গৰাকীয়ে কি কৰিলে, সেয়া ৰাইজক এতিয়া কোৱাৰ সময় বুলি তেওঁ উল্লেখ কৰে। ইফালে মাজুলীৰ খোৱাপানী সমস্যাক লৈ যোৱা সময়ছোৱাত চৰকাৰখনে কোনো গুৰুত্ব আৰোপ নকৰাৰ ফলতেই মাজুলীত এতিয়া মাৰাত্মক ৰোগে চানি ধৰিছে বুলি উল্লেখ কৰি আৰ্চেনিকমুক্ত খোৱাপানী যোগান ধৰাৰ ওপৰতো আগন্তুক দিনত তেওঁ সুযোগ পালে কাম কৰাৰ কথা জনায়। ইয়াৰ উপৰিও মাজুলীৰ মূল সমস্যা খহনীয়াক বিজ্ঞানসন্মত ভাৱে সমাধান কৰাৰ বাবে তেওঁ আগন্তুক দিনত সুযোগ লাভ কৰিলে পদক্ষেপ গ্ৰহণ কৰাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। ইয়াৰ লগতে তেওঁ মাজুলী বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ স্বীকৃতিৰ পৰা বাৰে বাৰে বঞ্চিত হোৱাৰ ক্ষেত্ৰত বিগত সময়ছোৱাত কোনেও মাত মতা নাই বুলি উল্লেখ কৰি এই ক্ষেত্ৰত সৰলভাৱে মাত মতাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয় খনত মাত্ৰ তিনিটা বিভাগেৰে চলি আছে যদিও এই ক্ষেত্ৰত আজিলৈকে স্থানীয় জনপ্ৰতিনিধি গৰাকীয়ে কেইবাৰ সদনত মাত মাতিলে বুলি প্ৰশ্ন উত্থাপন কৰে। লগতে মাজুলীৰ বহু উন্নয়নমূলক কাম বৰ্তমানৰ মুখ্যমন্ত্ৰী আৰু প্ৰাক্তন মুখ্যমন্ত্ৰীৰ আভ্যন্তৰীণ সংঘাতৰ ফলত ব্যাহত হোৱা বুলি তেওঁ মন্তব্য কৰে। ইফালে মাজুলীৰ প্ৰাক্তন বিধায়ক তথা বৰ্তমানৰ বিজেপি প্ৰাৰ্থী ভুৱন গামে কথাৰে নহয় কামেৰে পৰিচয় দিয়া বুলি কৈ অহা সন্দৰ্ভত কংগ্ৰেছ প্ৰাৰ্থী গৰাকীয়ে কয় যে ভুৱন গামে কথাৰেও নোৱাৰে, কামেৰেও নোৱাৰে-সেয়া এতিয়া স্পষ্ট হৈছে। ইফালে মাজুলীত কংগ্ৰেছৰ ৰেলীত ধেমাজি-ঢকুৱাখানাৰ পৰা মানুহ আনিছে বুলি কৰা অভিযোগ নাকচ কৰি ডঃ ইন্দ্ৰনীল পেগুৱে কয় যে ভুৱন গামৰ দৰে আমাৰ তেনেকুৱা 'কোৱালিটি' নাই; এয়া মাজুলীৰ ৰাইজেই স্বতঃস্ফূৰ্তভাৱে ওলাই আহিছে। ড° ইন্দ্ৰনীল পেগুৱে আজি মনোনয়ন দাখিলৰ সময়ত প্ৰতিকূল বতৰকো নেওচি হাজাৰ হাজাৰ সমৰ্থকৰ উপস্থিতিয়ে আগন্তুক মাজুলীৰ নিৰ্বাচনী যুঁজখন আকৰ্ষণীয় হ'ব বুলি ইংগিত দিয়ে। মনোনয়ন দাখিলৰ সময়ত তেওঁৰ সৈতে জিলা কংগ্ৰেছৰ নেতা-কৰ্মীসকলৰ লগতে জিলা ৰাইজৰ দল আৰু অসম জাতীয় পৰিষদৰ বিষয়ববীয়াসকলে সংগ প্ৰদান কৰে। উল্লেখযোগ্য যে, মনোনয়ন দাখিলৰ অন্তিম দিনটোলৈকে ৯৮ নং মাজুলী বিধানসভা সমষ্টিৰ বাবে বিজেপিৰ ভুৱন গাম, কংগ্ৰেছৰ ড°ইন্দ্ৰনীল পেগু আৰু এছ ইউ চি আইৰ ভাইটি ৰিচঙে মনোনয়ন দাখিল কৰিছে।

## প্ৰদ্যুত বৰদলৈৰ দাবী নসাৎ কৰি নাজাৰৰ মনোনয়ন যাত্ৰাত সংগ দিলে অগণন সমৰ্থকে

# লাহৰীঘাটৰ বিধায়ক ডাঃ আছিফ মহম্মদ নাজাৰৰ মনোনয়ন দাখিল

**অসম বাৰ্তা, ভূৰাগাঁও, ২৩ মাৰ্চ ঃ** আজি বিধানসভা নিৰ্বাচনৰ প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিনটোত বিভিন্ন প্ৰাৰ্থীৰ লগত দেখা গ'ল অগণন সমৰ্থকৰ ভিৰ। মৰিগাঁও জিলাৰ কংগ্ৰেছৰ দুৰ্গ লাহৰীঘাটৰ পৰা আজি অন্তিম দিনা তিনিজন প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰে মৰিগাঁও জিলা আয়ুক্তৰ কাৰ্যালয়ত। তেওঁলোক ক্ৰমে কংগ্ৰেছৰ ডাঃ আছিফ মহম্মদ নাজাৰ, অগপৰ খলিলুৰ ৰহমান আৰু নিৰ্দলীয় প্ৰাৰ্থী খাইৰুল ইছলাম। ইয়াৰ পূৰ্বে মনোনয়ন পত্ৰ দাখিলৰ প্ৰথম দিন টোত সমষ্টি টোৰ পৰা এ আই ইউ ডি এফৰ ছিদ্দিক আহমেদে মনোনয়ন পত্ৰ দাখিল কৰিছিল। আজিৰ সৈতে লাহৰীঘাট সমষ্টিৰ মুঠ প্ৰাৰ্থীৰ সংখ্যা হ'লগৈ চাৰিজন। উল্লেখ্য যে লাহৰীঘাট সমষ্টিত আজিৰ দিনটোত কংগ্ৰেছৰ প্ৰাৰ্থী ডাঃ আছিফ মহম্মদ নাজাৰৰ সমৰ্থকে দৃষ্টি আকৰ্শন কৰে স্থানীয় লোকৰ। টিকট লাভৰ প্ৰাক ক্ষণত সাংসদ প্ৰদ্যুত বৰদলৈয়ে ডাঃ আছিফ মহম্মদ নাজাৰক টিকট প্ৰধানত মুকলিকৈ বাধা প্ৰদান কৰিছিল। সাংসদ গৰাকীয়ে আনকি ডাঃ আছিফ মহম্মদ নাজাৰৰ স্থানত ডাঃ ফৰিদুল হুছেইন নামৰ এজন প্ৰাৰ্থীক প্ৰক্ষেপ কৰি তেওঁৰ হৈ মুকলি প্ৰচাৰতো নামিছিল। ডাঃ ফৰিদুল হুছেইনেও সাংসদ গৰাকীৰ আশ্বাসত প্ৰচাৰৰ নামত যথেষ্ট ধন ব্যয় কৰিছিল। কিন্তু অৱশেষত ডাঃ আছিফ মহম্মদ নাজাৰৰ টিকট নিশ্চিত হোৱাৰ পাছতে সাংসদ প্ৰদ্যুত বৰদলৈয়ে নিজেই দল ত্যাগ কৰি বিজেপি দলত যোগদান কৰি দিছপুৰ সমষ্টিৰ পৰা বিজেপিৰ টিকট লৈ ফৰিদুলক অথাই সাগৰত পেলাই নিৰাপদ হ'ল। প্ৰচাৰ কালত একাংশ ভোটাৰে ফৰিদুলক সমৰ্থন দিয়ালৈ চাই আগন্তুক দিনত ডাঃ আছিফ মহম্মদ নাজাৰৰ সমৰ্থক হ্ৰাস পাব বুলি একাংশই আশংকা কৰিছিল যদিও তেনে আশংকাৰ বিপৰীতে আজি নাজাৰৰ মনোনয়ন পত্ৰ দাখিলৰ ৰেলীত ভাগ লবলৈ ওলাই আহিল অসংখ্য সমৰ্থক। ফলত ডাঃ আছিফ মহম্মদ নাজাৰৰ জনমতক লৈ সাংসদ গৰাকীয়ে কৰা দাবীক আজি যেন একপ্ৰকাৰ নসাৎ কৰিলে আছিফ নাজাৰৰ সমৰ্থকে।

## অগপৰ নুৰুল ইছলাম, এ আই ইউ ডি এফৰ ইমদাদ হুছেইন আৰু ৰাষ্ট্ৰীয় উলামা কাউঞ্চিল'ৰ নুৰুল ইছলামৰো মনোনয়ন পত্ৰ দাখিল

# হাজাৰ-হাজাৰ সমৰ্থকক লগত লৈ ছমৰীয়া সমষ্টিত মনোনয়ন পত্ৰ দাখিল কংগ্ৰেছ প্ৰাৰ্থী ৰেকিবুদ্দিন আহমেদৰ



**অসম বাৰ্তা, গৰৈমাৰী, ২৩ মাৰ্চ ঃ** হাজাৰ হাজাৰ সমৰ্থকক লগত লৈ ছয়গাঁও সমষ্টিৰ বিধায়ক তথা নৱ গঠিত ২৭ নং ছমৰীয়া বিধানসভা সমষ্টিৰ কংগ্ৰেছ দলৰ মনোনীত প্ৰাৰ্থী ৰেকিবুদ্দিন আহমেদে এক বিশাল শোভাযাত্ৰা কৰি আহি আজি কামৰূপ জিলাৰ আমিনগাঁওস্থিত জিলা আয়ুক্ত কাৰ্যালয়ত দাখিল কৰে মনোনয়ন পত্ৰ। জানিব পৰামতে ছমৰীয়া বিধানসভা সমষ্টিৰ বাবে কংগ্ৰেছ, এ আই ইউ ডি এফৰ লগতে অগপসহ ৪গৰাকী প্ৰাৰ্থীয়ে আজি কামৰূপ জিলা আয়ুক্তৰ কাৰ্যালয়ত মনোনয়ন পত্ৰ দাখিল কৰিছে। উল্লেখ্য যে অহা ৯ এপ্ৰিলত অনুষ্ঠিত হ'বলগীয়া অসম বিধানসভা নিৰ্বাচনৰ বাবে ২৭নং ছমৰীয়া সমষ্টিত এইবেলি ভাৰতীয় জাতীয় কংগ্ৰেছ, এন ডি এ সমৰ্থিত অগপ, এ আই ইউ ডি এফ আৰু ৰাষ্ট্ৰীয় উলামা কাউঞ্চিলৰ মুঠ ৪গৰাকী প্ৰাৰ্থীয়ে নিৰ্বাচনত অৱতীৰ্ণ হ'ব। জানিব পৰামতে ভাৰতীয় জাতীয় কংগ্ৰেছৰ মনোনীত প্ৰাৰ্থী ৰেকিবুদ্দিন আহমেদ, এন ডি এ সমৰ্থিত অগপ প্ৰাৰ্থী নুৰুল ইছলাম, এ আই ইউ ডি এফ দলৰ মনোনীত প্ৰাৰ্থী ইমদাদ হুছেইন আৰু ৰাষ্ট্ৰীয় উলামা কাউঞ্চিল দলৰ প্ৰাৰ্থী নুৰুল ইছলামে নিজৰ শ শ সমৰ্থকক লগত লৈ আজি আমিনগাঁৱস্থিত কামৰূপ জিলা আয়ুক্তৰ কাৰ্যালয়ত পৃথকে মনোনয়ন পত্ৰ দাখিল কৰে। ইপিনে ছয়গাঁও সমষ্টিৰ বিধায়ক তথা নৱ গঠিত ছমৰীয়া সমষ্টিৰ কংগ্ৰেছৰ মনোনীত প্ৰাৰ্থী ৰেকিবুদ্দিন আহমেদ গৰৈমাৰী আৰু সোণতলীৰ পৰা নিজৰ হাজাৰ হাজাৰ সমৰ্থকসকলক লৈ নিজৰ মনোনয়ন পত্ৰ দাখিল কৰিছে। এন ডি এ সমৰ্থিত অগপ প্ৰাৰ্থী নুৰুল ইছলামে আজি পুৱা গৰৈমাৰীত থকা অগপৰ ছমৰীয়া বিধানসভা সমষ্টিৰ মুখ্য কাৰ্যালয়ৰ পৰা বাইক ৰেলী কৰি সমৰ্থক সকলোক লগত লৈ আমিনগাঁৱস্থিত আয়ুক্তৰ কাৰ্যালয়ত মনোনয়ন পত্ৰ দাখিল কৰে। তদুপৰি এ আই ইউ ডি এফৰ প্ৰাৰ্থী ইমদাদ হুছেইন আৰু ৰাষ্ট্ৰীয় উলামা কাউঞ্চিল দলৰ প্ৰাৰ্থী নুৰুল ইছলামে নিজ দলৰ সমৰ্থকক লগত লৈ মনোনয়ন পত্ৰ দাখিল কৰে।

## বিশাল সভাত মন্ত্ৰী পিয়ুষ হাজৰিকাৰ মন্তব্য; হিমাংশু শেখৰ বৈশ্য জয়ী হৈ ৰাইজৰ কাম নকৰিলে মন্ত্ৰীগৰাকীয়ে দায়িত্ব ল'ব

# ছয়গাঁৱৰ পৰা বিশাল ৰেলীৰে পলাশবাৰীৰ বিজেপি প্ৰাৰ্থী হিমাংশু শেখৰ বৈশ্যৰ আমিনগাঁৱত মনোনয়ন পত্ৰ দাখিল

**অসম বাৰ্তা, ছয়গাঁও, ২৩ মাৰ্চ ঃ** মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিনা দক্ষিণ কামৰূপৰ পলাশবাৰী সমষ্টিৰ ছয়গাঁৱৰ পৰা হাজাৰ হাজাৰ সমৰ্থকক লগত লৈ মনোনয়ন পত্ৰ দাখিল কৰিবলৈ যাত্ৰা কৰে ২৯নং পলাশবাৰী সমষ্টিৰ বিজেপি দলৰ প্ৰাৰ্থী হিমাংশু শেখৰ বৈশ্যই। যাত্ৰা কালত তেওঁক সংগ দিয়ে মন্ত্ৰী পিয়ুষ হাজৰিকাই। হিমাংশু শেখৰ বৈশ্যৰ সমৰ্থনত ছয়গাঁও মিনি ষ্টেডিয়ামত এক ৰাজহুৱা সভা অনুষ্ঠিত কৰে। সভাত অসম চৰকাৰৰ প্ৰভাৱশালী মন্ত্ৰী পিয়ুষ হাজৰিকাই অংশ গ্ৰহণ কৰি এন ডি এৰ মনোনীত প্ৰাৰ্থী হিমাংশু শেখৰ বৈশ্যক নিৰ্বাচিত কৰাৰ বাবে আহ্বান জনায়। হিমাংশু শেখৰ বৈশ্য জয়ী হৈ ৰাইজৰ কাম নকৰিলে মন্ত্ৰীগৰাকীয়ে সেই দায়িত্ব ল'ব বুলি কয়। পলাশবাৰীত নিৰ্বাচন খেলিম বুলি হুংকাৰ দি থকা প্ৰাক্তন মন্ত্ৰী তথা অগপ নেতা ডাঃ কমলাকান্ত কলিতা আৰু পলাশবাৰী সমষ্টিৰ প্ৰাক্তন বিধায়ক প্ৰণৱ কলিতাই ভাষণ ৰাখি বিজেপি যুৱ নেতা গৰাকীক জয়ী কৰাৰ আহ্বান জনায়। সভাত প্ৰাক্তন মন্ত্ৰী ডাঃ কমলাকান্ত কলিতাই-বিজেপি প্ৰাৰ্থী গৰাকীক প্ৰশংসাৰে উপচাই কয় যে- মনোনয়নপত্ৰ দাখিল কৰা মানে পলাশবাৰী সমষ্টিত হিমাংশু শেখৰ বৈশ্য বিধায়ক হোৱা। হিমাংশু শেখৰ বৈশ্যৰ কাৰো লগতে প্ৰতিদ্বন্দ্বিতা নহয় বুলি কয়। বিজেপিৰ দক্ষিণ কামৰূপ জিলা সভাপতি অঞ্জন গোস্বামীয়ে পৰিচালনা কৰা সভাখনত প্ৰাৰ্থী হিমাংশু শেখৰ বৈশ্যই ৰাইজক সেৱা লৈ কয় যে- পলাশবাৰী সমষ্টিক অসমৰ ৫টা সমষ্টিৰ ভিতৰত আগশাৰীৰ সমষ্টি হিচাপে ঘোষণা কৰাৰ



আশ্বাস দিয়ে। লগতে তেওঁ বিধায়ক নিৰ্বাচিত হোৱাৰ পিছত সমষ্টিৰ কোনো লোকে 'চাৰ' বুলি যাতে সম্বোধন নকৰে সেই আহ্বান জনোৱাৰ উপৰিও বিধায়কক লগ পোৱাৰ বাবে কোনো তৃতীয় শক্তিৰ সহায় নলবলৈ ৰাইজক আহ্বান জনায়। সভাত প্ৰবীন বিজেপি নেতা দীনেশ চৌধুৰী, বিধায়ক হেমাংগ ঠাকুৰীয়া, ন-বিজেপি ক্ৰমে শৈলেন বৰা, বিদ্যুৎ কলিতা, বলেন মেধি, প্ৰদীপ দাস, কামৰূপ জিলা পৰিষদৰ সদস্য মিহিৰ ৰঞ্জন দাস, বিজেপি নেতা কুশল মালাকাৰ, প্ৰাক্তন জিলা সভাপতি ধনেশ্বৰ তালুকদাৰ, অগপ কামৰূপ জিলা সমিতি সভাপতি খগেন নাথ, অগপ পলাশবাৰী সমষ্টিৰ সভাপতি চন্দ্ৰকান্ত কলিতাকে আদি কৰি কেবাগৰাকীও অগপ নেতা, ৰাভা হাছং যৌথ সংগ্ৰাম সমিতিৰ নেতা-কৰ্মী উপস্থিত থাকে। প্ৰথমবাৰ নিৰ্বাচনত অৱতীৰ্ণ হৈয়ে হিমাংশু শেখৰ বৈশ্যই হাজাৰ হাজাৰ সমৰ্থকক লগত লৈ ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথেৰে বিশাল সমদল যাত্ৰা কৰি মনোনয়ন পত্ৰ দাখিলৰ বাবে যোৱা কাৰ্যই চৰ্চা লাভ কৰিছে।

# অস্মিতা খে'ল ইণ্ডিয়া ইষ্ট জোনত অসম দলৰ অনবদ্য সফলতা, সামগ্ৰিক চেম্পিয়ন খিতাপ দখল

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ২২ মাৰ্চ ঃ** অস্মিতা খে'ল ইণ্ডিয়া সাঁতোৰ লীগ (East Zone)ৰ অন্তিম দিনত অসম দলে অসাধাৰণ প্ৰদৰ্শনৰে সামগ্ৰিকভাৱে প্ৰথম স্থান দখল কৰি চেম্পিয়ন খিতাপ নিজৰ কৰি লয়। ২১ আৰু ২২ মাৰ্চত দুদিনীয়াকৈ অনুষ্ঠিত এই প্ৰতিযোগিতাখনত অসমৰ মহিলা সাঁতোৰবিদসকলে একেৰাহে শ্ৰেষ্ঠ প্ৰদৰ্শন আগবঢ়াই নিজৰ আধিপত্য প্ৰদৰ্শন কৰে। সৰুসজাইস্থিত ড° জাকিৰ হুছেইন একুৱাটিক কমপ্লেক্সত অনুষ্ঠিত এই লীগত ইষ্ট জোনৰ লগতে আন কেইবাখনো ৰাজ্যৰ খেলুৱৈয়ে অংশগ্ৰহণ কৰিছিল। অন্তিম দিনটোত ফ্ৰীষ্টাইল, ব্ৰেষ্টষ্ট্ৰোক, বেকষ্ট্ৰোক আৰু বাটাৰফ্লাই ইভেণ্টত অসমৰ সাঁতোৰবিদসকলে একাধিক পদক লাভ কৰি পইণ্ট টেবুলত শীৰ্ষস্থান দখল কৰে। অসম সাঁতোৰ সংস্থাৰ প্ৰচাৰ সচিব মুকুটেশ্বৰ গোস্বামীয়ে জানিবলৈ দিয়া মতে অসমৰ মহিলা সাঁতোৰ খেলুৱৈসকলে ১৬টা সোণ৬টা ৰূপৰ আৰু ২০টা ব্ৰঞ্জৰ পদকৰে পদক তালিকাত প্ৰথম স্থান দখল কৰে। উৰিষ্যাৰ খেলুৱৈ সকলে ১৫টা সোণ, ১২ ৰূপ আৰু ২ ব্ৰঞ্জৰ পদকৰে দ্বিতীয় স্থান। বেংগল দলে ৮ সোণ, ২১ ৰূপ আৰু ১০টা ব্ৰঞ্জৰ পদকেৰে তৃতীয় স্থান দখল কৰে। অসম সাঁতোৰ সংস্থা সম্পাদক ভাস্কৰ ৰঞ্জন দাসে অসম দলৰ প্ৰদৰ্শনত সন্তুষ্টি প্ৰকাশ কৰি খেলুৱৈ সকলক আহমেদাবাদত অনুষ্ঠিত হ'ব লগীয়া ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰতিযোগিতাৰ বাবে শুভেচ্ছা জ্ঞাপন কৰে। উল্লেখযোগ্য যে এই লীগৰ জৰিয়তে প্ৰতিটো ইভেণ্টৰ শীৰ্ষ ৪ গৰাকী সাঁতোৰবিদে আগন্তুক ৰাষ্ট্ৰীয় পৰ্যায়ৰ অস্মিতা প্ৰতিযোগিতাত অংশগ্ৰহণৰ সুযোগ লাভ কৰিছে। অসম সাঁতোৰ সংস্থাৰ যুটীয়া সম্পাদক চন্দন জ্যোতি ফুকন, ৰাজ্যিক ক্ৰীড়া বিষয়া বকুল কলিতা, কামৰূপ জিলা সাঁতোৰ সন্থাৰ সম্পাদক নৱজ্যোতি গগৈ, সাংবাদিক পুলিন সাহা, প্ৰশিক্ষক বাবুল গুৰুং, মমী বৰ্মন, ডেভিদ চেতিয়া, মুকুটেশ্বৰ গোস্বামী, দিব্যজ্যোতি শৰ্মা প্ৰমুখ্যে বিশিষ্ট অতিথি-খেলুৱৈ সকলে খেলুৱৈ সকলক বঁটা প্ৰদান কৰি উৎসাহিত কৰে।

# মাকুম-ডিগবৈ সংযোগী বাইপাছত ড্ৰাগছ সৰবৰাহকাৰীক আটক

**অসম বাৰ্তা, মাকুম, ২৩ মাৰ্চ ঃ** আজি দিনৰ ভাগত মাকুম থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া মিল্টন বৰগোঁহাইৰ নেতৃত্বত চলা অভিযানত মাকুম ডিগবৈ সংযোগী বাইপাছত এজন ড্ৰাগছ সৰবৰাহকাৰী আটক কৰিবলৈ সক্ষম হয়। আটকাধীন যুৱকজন ডিগবৈ বালিজানৰ ইন্দ্ৰজিৎ বৰুৱা (২১)। যুৱকজনৰ পৰা জনৰ পৰা প্ৰায় ৫.৮ গ্ৰাম সন্দেহজনক ড্ৰাগছসহ নগদ ধন ৪১, ৯০০ টকা জব্দ কৰিবলৈ সক্ষম হয়। আৰক্ষীৰ সূত্ৰে জনোৱা মতে যুৱকজনে আন এজন যুৱকৰ সৈতে এ এচ ২৩ এইচ



১৪৮৭ নম্বৰৰ বাজাজ এভেঞ্জাৰ মটৰচাইকেলত সন্দেহজনক ড্ৰাগছখিনি সৰহবৰাহ কৰি নিয়া অৱস্থাত আটক কৰিবলৈ সক্ষম হয় যদিও আনজন যুৱক উক্ত স্থানৰ পলাই যাবলৈ সক্ষম হয়। ধৃত যুৱকজনক গোচৰ ৰুজু কৰি জেল সাজোঁটলৈ প্ৰেৰণ কৰে।

# মাৰ্ঘেৰিটাত নতুন বিদ্যালয় উদ্বোধন

**অসম বাৰ্তা, মাৰ্ঘেৰিটা, ২৩ মাৰ্চ ঃ** মাৰ্ঘেৰিটাৰ শিক্ষা জগতত সংযোজিত এক নতুন শিক্ষানুষ্ঠান। মাৰ্ঘেৰিটাত আজিকিডজী নৰ্থ ইষ্ট মাৰ্ঘেৰিটা নামেৰে এক নতুন শিক্ষানুষ্ঠান আনুষ্ঠানিক ভাৱে উদ্বোধন কৰা হয়। উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে তিনিচুকীয়া কৃষি বিভাগৰ সহকাৰী সঞ্চালক মনালিছা শইকীয়া আৰু ডিগবৈ অইল ভেলী স্কুলৰ ডাইৰেক্টৰছ গাৰ্গী কৰ। অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ অৱসৰপ্ৰাপ্ত সহকাৰী সচীব দুৰ্গা প্ৰসাদ চহৰীয়া, মাৰ্ঘেৰিটা পাৰিজাত বিদ্যালয়ৰ সঞ্চালক দেৱজিৎ বৰুৱা, অধ্যক্ষা প্ৰণিতা ভূঞা, ডিগবৈ অইল ভেলী স্কুলৰ তিলক গুপ্তা, ব্লু বাৰ্ড স্কুলৰ অধ্যক্ষা ৰত্না ভৌমিক আদি মাৰ্ঘেৰিটা অঞ্চলৰ বহু কেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থকা অনুষ্ঠানত আদৰণি ভাষণ প্ৰদান কৰে কিডজী নৰ্থ ইষ্ট মাৰ্ঘেৰিটাৰ সঞ্চালক মিদকা চহৰীয়াই। পুৰ্ণিমা হাজৰিকাই আত ধৰা অনুষ্ঠানত অতিথি সকলে বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰে বিদ্যালয়খনৰ উদ্বোধনী অনুষ্ঠান। তাৰ পাছতে অতিথি আৰু বিদ্যালয় খনৰ সঞ্চালকে কেক কাটে। মুখ্য অতিথিৰ ভাষণত মনালিছা শইকীয়াই কিডজী প্ৰি স্কুল খনে অঞ্চলটোৰ শিশু সকলৰ সকলো দিশতে উৎকৰ্ষ সাধনত সহায়ক হ'ব বুলি আশা প্ৰকাশ কৰে। মাৰ্ঘেৰিটা মাকুম পথাৰ অঞ্চলত স্থাপিত এই বিদ্যালয়খন উচ্চ মানেৰে ভাৱে গঢ়ি তোলা হ'ব বুলি সঞ্চালক গৰাকীয়ে জানিবলৈ দিয়ে।

# নলবাৰীৰ তিনিটা সমষ্টিত ১৬ প্ৰাৰ্থীৰ মনোনয়ন দাখিল

**অসম বাৰ্তা, নলবাৰী, ২৩ মাৰ্চ ঃ** আজি বিধানসভা নিৰ্বাচনৰ মনোনয়নৰ অন্তিম দিন। প্ৰতিটো সমষ্টিৰ প্ৰাৰ্থীসকলৰ পুৱাৰে পৰা ভীষণ ব্যস্ততা। নলবাৰী জিলাৰ তিনিটা বিধানসভা সমষ্টি ক্ৰমে নলবাৰী, বৰক্ষেত্ৰী আৰু টিহু বিধানসভা সমষ্টিৰ বাবে আজি মনোনয়ন দাখিলৰ অন্তিম দিনা সৰ্বমুঠ ১৬জন প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰে। বৰক্ষেত্ৰী সমষ্টিৰ বাবে বিজেপি দলৰ নাৰায়ণ ডেকা, কংগ্ৰেছ দলৰ দিগন্ত বৰ্মন, চুচি (SUCI) দলৰ মুনীন্দ্ৰ দলে আৰু তৃণমূল কংগ্ৰেছ দলৰ আমিনুল ইছলামে আজি নলবাৰী জিলা আয়ুক্ত কাৰ্যালয়ত ৰিটাৰ্ণিং বিষয়াৰ ওচৰত মনোনয়ন পত্ৰ দাখিল কৰে। ইফালে জিলাখনৰ নলবাৰী সমষ্টিৰ বাবে জয়ন্ত মল্ল বৰুৱাই বিজেপি দলৰ পৰা, অশোক শৰ্মাই কংগ্ৰেছ দলৰ পৰা, কেনেডি পেগু চুচি (SUCI) দলৰ পৰা আৰু মুক্তাৰ হুছেইন, চামচুল হক, চফৰ আলী আৰু হৰিচন্দ্ৰ বড়োই নিৰ্দলীয় প্ৰাৰ্থী হিচাপে আজি নলবাৰী জিলা আয়ুক্ত কাৰ্যালয়ৰ ৰিটাৰ্ণিং বিষয়াৰ ওচৰত মনোনয়ন পত্ৰ দাখিল কৰে। আনহাতে নলবাৰী জিলাৰ টিহু সমষ্টিৰ বাবে চন্দ্ৰমোহন পাটোৱাৰীয়ে বিজেপি দলৰ পৰা, ৰাতুল পাটোৱাৰীয়ে কংগ্ৰেছ দলৰ পৰা, প্ৰমোদ চন্দ্ৰ ভাগৱতীয়ে চুচি (SUCI) দলৰ পৰা, নাৰায়ণ দত্ত ভূঞা আৰু ভাৰত ৰাজবংশীয়ে নিৰ্দলীয় প্ৰাৰ্থী হিচাপে আজি নলবাৰী জিলাৰ আয়ুক্ত কাৰ্যালয়ৰ ৰিটাৰ্ণিং বিষয়াৰ ওচৰত আজি মনোনয়ন পত্ৰ দাখিল কৰে।

# দৰং জিলা প্ৰশাসনৰ ৰন্ধন গেছ যোগান সম্পৰ্কীয় অভিযোগ দাখিলৰ বাবে ফোন নম্বৰ মুকলি

**অসম বাৰ্তা, মঙলদৈ, ২৩ মাৰ্চ ঃ** ৰন্ধন গেছ চিলিণ্ডাৰৰ উপলব্ধতা আৰু যোগান বিষয়ক বৰ্তমান সময়ত অব্যাহত থকা উদ্বেগৰ পৰিপ্ৰেক্ষিতত, দৰং জিলা প্ৰশাসনৰ তৰফৰ পৰা জিলাখনৰ সকলো ৰন্ধন গেছ চিলিন্দাৰৰ গ্ৰাহকৰ সুবিধাৰ্থে ৰন্ধন গেছ যোগান সম্পৰ্কীয় যিকোনো অভিযোগ, সমস্যা বা আপতকালীন অৱস্থা সম্পৰ্কে প্ৰশাসনক অৱগত কৰাৰ বাবে দুটাকৈ ফোন নম্বৰ ক্ৰমে-৭৮৯৬৮৮১৬৩৩ আৰু ৬০০৩৮৬৫৯৫৩ মুকলি কৰা হৈছে। দৰং জিলাবাসী ৰাইজে ঘৰুৱা ৰন্ধন গেছৰ কৃত্ৰিম নাটনি বা অন্য যিকোনো যোগান সম্পৰ্কীয় সমস্যাৰ সম্মুখীন হ'লে ইয়াৰ তৎকালীন নিষ্পত্তিৰ বাবে উক্ত নম্বৰসমূহত অৱগত কৰিব পাৰিব তথা নিজৰ অভিযোগ দাখিল কৰিব পাৰিব। সকলো ৰন্ধন গেছৰ ব্যৱসায়ী আৰু সংশ্লিষ্ট কৰ্তৃপক্ষকো জনসাধাৰণৰ অভিযোগ নিষ্পত্তিত পূৰ্ণ সহযোগিতা আগবঢ়াবলৈ প্ৰশাসনৰ তৰফৰ পৰা নিৰ্দেশনা দিয়া হৈছে।

# কামৰূপ জিলাত বিশেষ পৰ্যবেক্ষকৰ নিৰ্বাচনী প্ৰস্তুতিৰ পৰ্যালোচনা

**অসম বাৰ্তা, আমিনগাঁও, ২৩ মাৰ্চ ঃ** আগন্তুক অসম বিধানসভাৰ সাধাৰণ নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ভাৰতৰ নিৰ্বাচন আয়োগে নিযুক্তি দিয়া বিশেষ পৰ্যবেক্ষক মনজিত সিংয়ে আজি সংহত জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত এখন পৰ্যালোচনা সভা মিলিত হয়। সভাত কামৰূপ জিলাৰ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই আগন্তুক নিৰ্বাচন স্বচ্ছ, নিকা আৰু শান্তিপূৰ্ণভাৱে অনুষ্ঠিত কৰাৰ বাবে জিলা প্ৰশাসনে গ্ৰহণ কৰা বিভিন্ন ব্যৱস্থাসমূহৰ বিষয়ে বিশেষ পৰ্যবেক্ষকগৰাকীক অৱগত কৰে। উক্ত সভাত কামৰূপ জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক সুবাসিশ বৰুৱা, জিলা উন্নয়ন আয়ুক্ত সুশান্ত দত্ত, নিৰ্বাচনী বিষয়া ড° ভূপালী কাশ্যপৰ লগতে অন্যান্য জ্যেষ্ঠ বিষয়া উপস্থিত থাকে। সভাৰ পিছত বিশেষ পৰ্যবেক্ষকগৰাকীয়ে বিভিন্ন কোষসমূহৰ কাম-কাজসমূহ পৰিদৰ্শন কৰি বিষয়াসকলৰ সৈতে মত-বিনিময় কৰে আৰু তেওঁলোকৰ প্ৰস্তুতিৰ বিষয়ে পৰ্যালোচনা কৰে। পৰিদৰ্শনৰ সময়ত পৰ্যবেক্ষকগৰাকীৰ সৈতে সাধাৰণ পৰ্যবেক্ষক ড° এছ. ভাৰথি দাসন, দেবেন্দ্ৰ কুমাৰ পাণ্ডে, ব্যয় পৰ্যবেক্ষক কপিল কুমাৰ সিং, উমেশ কুমাৰ আগৰৱাল উপস্থিত থাকে। ইয়াৰ উপৰিও বিশেষ পৰ্যবেক্ষকগৰাকীয়ে কামৰূপ জিলাৰ বিভিন্ন ভোটগ্ৰহণ কেন্দ্ৰ পৰিদৰ্শন কৰি ভোটগ্ৰহণ কেন্দ্ৰত চলি থকা প্ৰস্তুতিৰ মূল্যায়ন কৰে আৰু নিৰ্বাচনী প্ৰক্ৰিয়াটো সুচাৰুৰূপে সম্পন্ন কৰাৰ প্ৰস্তুতিৰ ওপৰতো পৰ্যালোচনা কৰে।

আব্দুল আজিজ, তাঞ্জিল হুছেইন নে অনিল শইকীয়াই মাৰিব শেষ হাঁহি

# চামগুৰিত হ'ব ত্ৰিকোণীয়া যুঁজ



**অসম বাৰ্তা, ৰূপহীহাট, ২৪ মাৰ্চ** ঃ নগাঁও জিলাৰ সকলোৰে দৃষ্টি থকা এটা সমষ্টি হ'ল চামগুৰি সমষ্টি। এই সমষ্টিটোৰ প্ৰতি সকলোৰে শেন চকু থাকে। চামগুৰি সমষ্টিত এইবাৰ কংগ্ৰেছৰ পৰা তাঞ্জিল হুছেইন, এআইইউডিএফ দলৰ পৰা প্ৰাক্তন বিধায়ক আব্দুল আজিজ আৰু বিজেপি দলৰ পৰা অনিল শইকীয়াই টিকট লাভ কৰিছে। চামগুৰি সমষ্টিত কংগ্ৰেছৰ পৰা চিকিৎসক, অধ্যাপক, অধিবক্তা, সমাজসেৱক আৰু সফল ব্যৱসায়ীয়ে টিকট বিচাৰিছিল। কিন্তু কংগ্ৰেছ দলৰ হাইকামাণ্ডে ধুবুৰীৰ সাংসদ ৰকিবুল হুছেইনৰ ওচৰত মূৰ নত কৰি তাঞ্জিল হুছেইনক প্ৰাৰ্থীত্ব প্ৰদান কৰিছে। তাঞ্জিলক টিকট প্ৰদান কৰাত কংগ্ৰেছৰ পৰিয়াল কেন্দ্ৰীক ৰাজনীতিৰ কথা চৰ্চা লৈ আহিছে। চামগুৰিত ককা-দেউতা আৰু নাতিৰ ৰাজনীতিৰ কথা এতিয়া চৰ্চাৰ বিষয় হৈ পৰিছে। চামগুৰি সমষ্টি এসময়ত কংগ্ৰেছৰ দুৰ্গ হিচাপে পৰিচিত আছিল। কিন্তু যোৱা উপ নিৰ্বাচনত ৰকিবুল হুছেইনৰ তনয় তাঞ্জিল হুছেইনক টিকট দিয়াত কংগ্ৰেছৰ দুৰ্গ খহি পৰিল। উপ নিৰ্বাচনত বিপুল ভোটত পৰাজিত হ'ল তাঞ্জিল হুছেইন আৰু জয়ী হল বিজেপিৰ প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মা। এইবাৰ বিধানসভা নিৰ্বাচনত ধুবুৰীৰ সাংসদ ৰকিবুল হুছেইনে পুত্ৰক জয়ী কৰাবলৈ উঠি-পৰি লাগিছে। চামগুৰিত পুত্ৰক জয়ী কৰাবলৈ প্ৰতিটো পঞ্চায়তে-পঞ্চায়তে সভা সমিতি কৰি প্ৰস্তুতি তুংগত কৰি তুলিছে। ইপিনে কংগ্ৰেছৰ টিকট বঞ্চিত সকলে কংগ্ৰেছৰ হাইকামাণ্ড আৰু ৰকিবুল হুছেইনক এশিকনি দিবলৈ চিপৰাং মাৰিবলৈ ব্যাপক প্ৰস্তুতি চলাইছে বুলি জানিব পৰা গৈছে। কংগ্ৰেছৰ এই চিপৰাং মৰা ৰাজনীতিৰ বাবে তাঞ্জিল হুছেইন তীব্ৰ প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব লগাত পৰিব পাৰে। আনপিনে চামগুৰিত সমষ্টিত এআইইউডিএফ দলে অগ্নিবক্তা হিচাপে পৰিচিত ৰূপহীহাটৰ প্ৰাক্তন বিধায়ক আব্দুল আজিজক প্ৰক্ষেপ কৰিছে। আজমলে ধুবুৰীৰ লোকসভা নিৰ্বাচনৰ পোতক তুলিবলৈ এইবাৰ ৰকিবুলৰ পুত্ৰৰ বিৰুদ্ধে শক্তিশালী প্ৰাৰ্থী প্ৰক্ষেপ কৰিছে। চামগুৰিত আব্দুল আজিজৰ ছাত্ৰ নেতাৰ পৰাই আছে ব্যাপক জনপ্ৰিয়তা। সংখ্যালঘু ৰাইজৰ হৈ সদায় মাত মাতি আহিছে আব্দুল আজিজে। সংখ্যালঘু দৰদী নেতাজনে আজিৰ পৰা প্ৰায় ৬-৭ মাহ আগৰ পৰাই সমষ্টিটোৰ চুকে-কোনে সভা-সমিতি কৰি প্ৰস্তুতি তুংগত কৰি দলৰ ভেটি শক্তিশালী কৰি তুলিছে। আব্দুল আজিজক আজমলে টিকট প্ৰদান কৰাত কংগ্ৰেছত আৰম্ভ হৈছে খহনীয়া। প্ৰতিদিনে কংগ্ৰেছৰ পৰা শ-শ লোক কংগ্ৰেছ দল ত্যাগ কৰি এআইইউডিএফ দলত যোগদান কৰিছে। যাৰ বাবে চামগুৰিত এইবাৰ এআইইউডিএফ দল শক্তিশালী হিচাপে থিয় দিছে। চামগুৰিত এতিয়া নিৰ্বাচনী বতৰত বজাৰ, চাহ দোকান আদি সকলোতে আব্দুল আজিজক লৈ চৰ্চা চলিছে। স্বয়ং কংগ্ৰেছী সকলেও শিশু নেতা তাঞ্জিল হুছেইনতকৈ এশ গুনে আব্দুল আজিজ ভাল বুলি গুণ গাথা আৰম্ভ হৈছে। বিধানসভাৰ মজিয়াত সিংহৰ দৰে গৰ্জন দিয়াৰ গুণ আব্দুল আজিজৰ আছে। সেইফালৰ পৰা চামগুৰিত এইবাৰ এআইইউডিএফ দলৰ প্ৰাৰ্থী আব্দুল আজিজ জয়ী হোৱাৰ সম্ভাৱনা আছে। ইপিনে বিজেপি দলে কলিয়াবৰ জিলা বিজেপিৰ প্ৰাক্তন সভাপতি অনিল শইকীয়াক পুনৰ চামগুৰি পৰা প্ৰাৰ্থীত্ব প্ৰদান কৰিছে। ২০২১ চনৰ চামগুৰিৰ বিজেপি প্ৰাৰ্থী আছিল অনিল শইকীয়া। ২০২১ত পিতৃ ৰকিবুল হুছেইনৰ বিৰুদ্ধে আৰু এইবাৰ পুত্ৰ তাঞ্জিল হুছেইনৰ বিৰুদ্ধে প্ৰতিদন্দ্ৰীতা কৰিছে অনিল শইকীয়াই। যোৱা উপ নিৰ্বাচনত বিজেপিৰ প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মা বিপুল ভোটত জয়ী হৈছিল। সেই ফালৰ পৰা চামগুৰিত বিজেপিৰ ভেটি মজবুত। এইবাৰ চামগুৰিৰ পৰা অনিল শইকীয়াই টিকট বিচৰা নাছিল যদিও দলে টিকট প্ৰদান কৰাত উৎফুল্ল হৈ পৰে অনিল শইকীয়া। চামগুৰিৰ পৰা এইবাৰ বিজেপিৰ টিকট বিচাৰিছিল নাজিৰ হুছেইন, জাকাৰিয়া হক চৌধুৰী, মজিবুৰ ৰহমান আৰু বিপ্লৱ তৰফদাৰে। অনিল শইকীয়া বিজেপিৰ টিকট লাভ কৰি প্ৰাৰ্থীত্ব বিচৰা সকলোকে একলগ কৰি সমষ্টি উদ্ধাৰ অভিযানত নামি পৰিছে। অনিল শইকীয়া কলিয়াবৰ জিলা বিজেপিৰ সভাপতি থকাৰ সময়ৰ পৰা চামগুৰিত আছে ব্যাপক জনপ্ৰিয়তা। চামগুৰিৰ ৰাইজে অনিল শইকীয়াক পুত্ৰৰ চকুৰে চায়। এই সকলো ফালৰ পৰা চালে দেখা যায় যে এইবাৰ চামগুৰিত ত্ৰিকোণীয়া যুঁজ হোৱাৰ সম্ভাৱনা আছে। চামগুৰিত কোনে মাৰিব শেষ হাঁহি সেইটো ভোটাৰ ৰাইজে নিৰ্ধাৰণ কৰিব।

বড়মপুৰত কোনো মহিলাই ৰাজেন গোঁহাইক ভোট নিদিয়ে ঃ মন্ত্ৰী পীযুষ হাজৰিকা

# বড়মপুৰ সমষ্টিৰ পুৰণিগুদামত বিজেপিৰ নিৰ্বাচনী সভাত মন্ত্ৰী পীয়ূষ হাজৰিকা

**অসম বাৰ্তা, পুৰণিগুদাম, ২৪ মাৰ্চ** ঃ "বড়মপুৰত কোনো মহিলাই ৰাজেন গোঁহাইক ভোট নিদিব। কিয় কৈছো, পাছত নিজে নিজে বুজি ল'ব। আকৌ কৈছো ৰাজেন গোঁহাইক বিশেষকৈ মহিলাসকলে ভোট নিদিব" এই মন্তব্য অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী তথা জাগীৰোড সমষ্টিৰ ভাৰতীয় জনতা পাৰ্টি তথা মিত্ৰজোঁটৰ প্ৰাৰ্থী পীয়ূষ হাজৰিকাৰ। ৰাজ্যৰ বিধানসভা নিৰ্বাচনৰ দিন ঘোষণা হোৱাৰ পাছত আজি প্ৰতিকুল বতৰৰ মাজতে নগাঁও জিলাৰ বড়মপুৰ বিধান সভা সমষ্টিৰ অন্তৰ্গত পুৰণিগুদাম বাপুজী ভৱন আৰু পুথিভঁৰালৰ খেলপথাৰত অনুষ্ঠিত হোৱা প্ৰথমখন নিৰ্বাচনী সভাত উপস্থিত থাকি মন্ত্ৰীগৰাকীয়ে কয় যে, "বড়মপুৰত কোন দলৰ পৰা কোনে প্ৰাৰ্থীত্ব লাভ কৰি প্ৰতিদণ্ডিতা কৰিছে ৰাইজে পাহৰি থাকিল। বড়মপুৰবাসীয়ে এজেপিৰ নামেই পাহৰিলে। বড়মপুৰত জিতু গোস্বামীয়ে ৰাস্তা-ঘাটকে ধৰি চাৰিওফালে যথেষ্ট উন্নয়ন কৰিছে। জিতু গোস্বামীয়ে এইবাৰ বিপুল ভোটত জয়লাভ কৰিব। এইবাৰ জয়ী হ'লে বড়মপুৰত ডাঙৰ উদ্যোগ স্থাপন কৰা হ'ব। মাটি চাই থোৱা আছে।" আনহাতে, কংগ্ৰেছক ক্ষুৰধাৰ সমালোচনা কৰি মন্ত্ৰী হাজৰিকাই আৰু কয় "বড়মপুৰত আজি কংগ্ৰেছ শূন্য হ'ল। কংগ্ৰেছৰ ৰাজ্যিক নেতৃত্বৰ প্ৰতি বিতুষ্ট হৈ বড়মপুৰৰ সকলো পৰ্য্যায়ৰ নেতা-কৰ্মীয়ে কংগ্ৰেছ দল ত্যাগ কৰি আমাৰ বিজেপি দলত যোগদান কৰিছে। ৰাজ্যত তৃতীয়বাৰলৈ মিত্ৰজোঁটে সংখ্যা গৰিষ্ঠ চৰকাৰ গঠন কৰিব।" বড়মপুৰ সমষ্টিৰ ৰাইজে এটা-এটা ভোট পদুম ফুলত দি উচিত উত্তৰ দিব লাগিব বুলি আহ্বান জনোৱাৰ লগতে উদাত্ত কণ্ঠে দিয়া নিজৰ ভাষণত অগপ, গণশক্তি তথা মিত্ৰজোঁটৰ দলক বিজেপিৰ অভিন্ন অঙ্গ বুলি উল্লেখ কৰে। আজি বড়মপুৰ সমষ্টিৰ অন্তৰ্গত পুৰণিগুদাম বাপুজী ভৱন আৰু পুথিভঁৰালৰ খেলপথাৰত অনুষ্ঠিত হোৱা আৰু ভাৰতীয় জনতা পাৰ্টিৰ কলিয়াবৰ জিলা সমিতিৰ সভাপতি বাবুল বৰাই আঁত ধৰা প্ৰথমখন নিৰ্বাচনী সভাত বিজেপি নেতা তথা সমাজকৰ্মী সুৰেশ বৰাই প্ৰথমে বক্তব্য প্ৰদান কৰি উপস্থিত সকলোকে ৰঙালী বিহুৰ আগতিয়াকৈ শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে বিধানসভা নিৰ্বাচনত বড়মপুৰ সমষ্টিৰ পৰা ভাৰতীয় জনতা পাৰ্টিৰ তথা মিত্ৰজোঁটৰ প্ৰাৰ্থী জিতু গোস্বামীক বিপুল ভোটত জয়যুক্ত কৰিবলৈ আহ্বান জনায়। আজিৰ নিৰ্বাচনী সভাখনত ভাৰতীয় জনতা পাৰ্টিৰ তথা মিত্ৰজোঁটৰ প্ৰক্ষেপিত প্ৰাৰ্থী তথা বিধায়ক জিতু গোস্বামীয়ে নিজৰ ভাষণত উন্নয়নৰ ৰাজনীতি কৰিম বুলি উল্লেখ কৰাৰ লগতে এইবাৰ কংগ্ৰেছ নিৰ্ঘাত হাৰিব বুলি কৈ বিজেপিয়ে তৃতীয়বাৰৰ বাবেও অসমত চৰকাৰ গঠন কৰিব বুলি উল্লেখ কৰে। ৫৯ নং বড়মপুৰ বিধানসভা সমষ্টিত দ্বিতীয়বাৰৰ বাবে বিজেপি দলৰ পৰা প্ৰাৰ্থীত্ব লাভ কৰা জিতু গোস্বামীয়ে ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ লগতে ৰাজ্যিক তথা কেন্দ্ৰীয় নেতৃত্বক ধন্যবাদ জ্ঞাপন কৰে। বিজেপি দলৰ পুৰণি কাৰ্যকৰ্তা তথা প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী ৰাজেন গোঁহাইয়ে বিজেপি দল ত্যাগ কৰি অসম জাতীয় পৰিষদৰ পৰা প্ৰাৰ্থীত্ব লাভ কৰি প্ৰতিদণ্ডিতা আগবঢ়োৱাৰ পৰিপ্ৰেক্ষিতত জিতু গোস্বামীয়ে ৰাজেন গোঁহাইক মহাভাৰতৰ গুৰু দ্ৰোণাচাৰ্য্যৰ লগত তুলনা কৰি নিজকে অৰ্জুন বুলি অভিহিত কৰে। এইবাৰৰ ৰাজনৈতিক যুদ্ধত নিজৰ জয় নিশ্চিত বুলি কোৱাৰ লগতে তেওঁ ৰাইজৰ মৰম আৰু আশীৰ্বাদৰ ফলত আগন্তুক নিৰ্বাচনত বিপুল সংখ্যাক ভোটত জয়লাভ কৰিব বুলি ভাষণ প্ৰসংগত উল্লেখ কৰে। বড়মপুৰ সমষ্টিবাসী ৰাইজে দ্বিতীয়বাৰৰ বাবে সেৱা কৰিবলৈ সুবিধা দিলে বড়মপুৰ সমষ্টিত আৰু উন্নয়ন কৰিবলৈ সদায় চেষ্টা কৰিম বুলি উল্লেখ কৰে। দেশৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী, বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নিতীন নবীন, অসমৰ সৰ্বকালৰ, সৰ্বশ্ৰেষ্ঠ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াক শুভেচ্ছা আৰু ধন্যবাদ জ্ঞাপন কৰে। লগতে মিত্ৰদলৰ ঐক্যবদ্ধ প্ৰচেষ্টাত এইবাৰো বিপুল সংখ্যক ভোটৰ ব্যৱধানত জয়লাভ কৰিব বুলি দৃঢ় মতপোষণ কৰে। আজিৰ সভাখনত কংগ্ৰেছ দলৰ প্ৰাৰ্থীত্ব প্ৰত্যাশী তথা বড়মপুৰ ব্লক কংগ্ৰেছৰ সভাপতি ৰঞ্জিত বৰাই সমষ্টিটোৰ বিভিন্ন পৰ্য্যায়ৰ কমিটিৰ দায়িত্বত থকা স্থানীয় নেতাসকলক লগত লৈ মন্ত্ৰী পীয়ূষ হাজৰিকা আৰু জিতু গোস্বামীৰ ওচৰত আনুষ্ঠানিকভাৱে বিজেপি দলত যোগদান কৰে। আজিৰ সভাখনত সমষ্টিটোৰ বিভিন্নজন বিজেপি নেতা-কৰ্মী সমৰ্থকসহ সহস্ৰাধিক ৰাইজে সমবেত হোৱা পৰিলক্ষিত হয়।




বিধানসভাত সাধাৰণ জনগণৰ কণ্ঠস্বৰ হোৱাৰ লক্ষ্য

# লখিমপুৰত তিনিজনকৈ বাওঁপন্থী দলৰ প্ৰাৰ্থীৰ মনোনয়ন দাখিল

**অসম বাৰ্তা, লীলাবাৰী, ২৪ মাৰ্চ** ঃ সমাগত বিধানসভা নিৰ্বাচনত সংগ্ৰামী বাওঁপন্থী দল এছইউচিআই (কমিউনিষ্ট) দলে ৭৬নং লখিমপুৰ, ৭৪নং ৰঙানদী আৰু ৭৭নং ঢকুৱাখনা বিধানসভা সমষ্টিত যথাক্ৰমে বিৰিঞ্চি পেগু, হেমকান্ত মিৰি আৰু যুতিকা দলেই মনোনয়ন-পত্ৰ দাখিল কৰে। মনোনয়ন-পত্ৰ জমা দিয়াৰ পিছত সাংবাদিকসকলৰ প্ৰশ্নোত্তৰত লখিমপুৰ বিধানসভা সমষ্টিৰ প্ৰাৰ্থী বিৰিঞ্চি পেগুৱে কয়, এছইউচিআই (কমিউনিষ্ট) দলে প্ৰতি বছৰতে জনগণৰ জ্বলন্ত সমস্যা সমাধানৰ দাবীত গণতান্ত্ৰিক আন্দোলন সংগঠিত কৰি আছে আৰু তাৰেই ধাৰাবাহিকতা ৰক্ষা কৰি নিৰ্বাচনত অংশগ্ৰহণ কৰিছোঁ। তেখেতে বিধানসভা নিৰ্বাচনটো এনে সময়ত অনুষ্ঠিত হৈছে যেতিয়া চৰকাৰী স্কুল এটাৰ পাছত এটা বন্ধ হৈ আছে বুলি অভিযোগ কৰে। তেওঁ কয়, চৰকাৰী শিক্ষাৰ মান মাৰাত্মকভাৱে অৱনমিত হোৱাৰ লগতে চিকিৎসা সেৱা গৰীৱ জনগণৰ সংস্পৰ্শৰ বাহিৰত। নিত্য প্ৰয়োজনীয় বস্তুৰ আকাশলংঘী মূল্য বৃদ্ধিৰ লগতে টে' বৃদ্ধিয়ে মানুহক কোঙা কৰিছে। ধনী সদায়েই ধনী হোৱাৰ কঠিন পৰিস্থিতিত সাম্প্ৰদায়িকতা ৰোধ সহ দুৰ্নীতি, সুবিধাবাদী ৰাজনীতিক প্ৰতিহত কৰি উন্নত নীতি-নৈতিকতা ও মূল্যবোধৰ ভিত্তিত জনজীৱনৰ জ্বলন্ত সমস্যাসমূহ সমাধানৰ দাবীত গণ আন্দোলন গঢ়ি তোলা তথা বিধানসভাৰ বাহিৰে-ভিতৰে জনগণৰ অভাৱ অভিযোগক বলিষ্ঠভাৱে তুলি ধৰাৰ লক্ষ্যত এছইউচিআই (ছি) দলৰ মনোনীত প্ৰাৰ্থীসকলক ভোট দি জয়যুক্ত কৰাৰ আহবান জনায়। অন্যহাতে ৰঙানদী বিধানসভা সমষ্টিৰ প্ৰাৰ্থী হেমকান্ত মিৰি আৰু ঢকুৱাখনা বিধানসভা সমষ্টিৰ যুতিকা দলে গণতান্ত্ৰিক আন্দোলনৰ একোজন একনিষ্ঠ কৰ্মী। সংবাদ সম্বোধন কৰি যুতিকা দলেই কয়, চৰকাৰে বিকাশৰ কথা কলেও, যি ভাৱে জিএছটি সহ বিভিন্ন ট্যেৰে চৰকাৰে জনসাধাৰণক শোষণ কৰিছে, তাৰ তুলনাত আজিৰ অত্যাধুনিক প্ৰযুক্তিৰ দিনত জনসাধাৰণৰ জীৱনত কোনো সুফল অহা নাই। তেখেতে উল্লেখ কৰে যে, লখিমপুৰ জিলাত চৰকাৰৰ উদ্যোগত কোনো কল-কাৰখানা গঢ়ি উঠা নাই। চৰকাৰী চাকৰি নাই, চৰকাৰী পদ বিলুপ্ত কৰি দিছে। ফলত ৰাজ্যৰ বাহিৰত গৈ নাম মাত্ৰ পাৰিশ্ৰমিকেৰ বিনিময়ত অমানুষিকভাৱে কষ্ট খাটিবলৈ বাধ্য হৈছে অসমৰ যুৱক-যুৱতীসকল। গ্ৰামাঞ্চলত চৰকাৰী চিকিৎসালয়সমূহত উন্নত চিকিৎসা ব্যৱস্থা নাই। জল জীৱন মিছনত চূড়ান্ত দুৰ্নীতি হোৱাত বিশুদ্ধ খোৱা পানীৰ সমস্যাৰ সমাধান হোৱা নাই, জলসিঞ্চনৰ কোনো ব্যৱস্থা নাই। তাকে বাদ দি জনগণক বিভ্ৰান্ত কৰিবলৈ সাম্প্ৰদায়িকতাৰ বিষবাষ্প বিয়পাই দিয়া হৈছে। অথচ, আচ্ছে দিনৰ প্ৰতিশ্ৰুতি দিয়েই ক্ষমতাশীল বিজেপি দলে কংগ্ৰেছ চৰকাৰৰ আমোলত যিভাৱে ধনীক পুঁজিপতি শ্ৰেণীৰ স্বাৰ্থত জনবিৰোধী নীতি গ্ৰহণ কৰিছিল তাকেই বিজেপি চৰকাৰে আৰু তীব্ৰতাৰ সৈতে কাৰ্যকৰী কৰিছে। এনে অৱস্থাত সাধাৰণ মানুহৰ জীৱনৰ মৌলিক সমস্যা সমাধানৰ দাবীত ঐক্যবদ্ধ তীব্ৰ গণ আন্দোলন গঢ়ি তোলা আৰু অসম বিধানসভাত জনগণৰ কণ্ঠস্বৰ লৈ যোৱাৰ লক্ষ্যত ভাৰতবৰ্ষৰ একমাত্ৰ প্ৰকৃত বাওঁপন্থী দল এছইউচিআই (চি)ৰ সংগ্ৰামী প্ৰাৰ্থীসকলক জয়যুক্ত কৰিবলৈ দলৰ জিলা সম্পাদক অনুপম চুতীয়াই আহ্বান জনাইছেইছে।

# হাজো সমষ্টিৰ প্ৰাক্তন বিধায়ক ড° হৰেন দাসৰ মৃত্যুত শোকৰ ছাঁ

**অসম বাৰ্তা, হাজো, ২৪ মাৰ্চ** ঃ আসন্ন বিধান সভাৰ নিৰ্বাচনৰ মাজতে হাজোৰ প্ৰাক্তন বিধায়ক ড° হৰেন দাসৰ (৮৫) বাৰ্ধক্য জনিত কাৰণত মৃত্যু হোৱা ঘটনাই হাজো অঞ্চলত শোকৰ ছাঁ পেলায়। অসম বিধান সভাৰ প্ৰাক্তন বিধায়ক, এম.এ., এল.এল.বি. আৰু পি.এইচ.ডি. ডিগ্ৰীধাৰী ড° হৰেন দাস গুৱাহাটী উচ্চন্যায়ালয়ৰ জ্যেষ্ঠ অধিবক্তা আৰু এগৰাকী সমাজকৰ্মী হিচাপেও এক সফল ব্যক্তিত্ব। পূব গুৱাহাটী বিহু সন্মিলনৰ ১৯৯২ৰ পৰা ১৯৯৭ চনলৈ সভাপতিৰ দায়িত্ব লোৱা ড° হৰেন দাসে ১৯৬০-৬১ বৰ্ষৰ কটন কলেজৰ সন্মানীয় সাধাৰণ সম্পাদক হিচাপেও কাৰ্যনিৰ্বাহ কৰে। এগৰাকী ৰাজনীতিক হিচাপে অসম প্ৰদেশ কংগ্ৰেছ সমিতিৰ কেবাটাও গুৰুত্বপূৰ্ণ পদবীত কাৰ্যনিৰ্বাহ কৰি তেখেতে দলৰ সাধাৰণ সম্পাদকৰ দায়িত্বও লাভ কৰিছিল। ড° হৰেন দাস প্ৰেছ কাউঞ্চিল অৱ ইণ্ডিয়াৰ সদস্য', ভাৰতীয় বাৰ কাউঞ্চিলৰ সদস্য, এম জি চিৰ সদস্য, এন এল এচ অৱ আই ইউ বিৰ সদস্য, এম ই চি জি ইউৰ সদস্য, এ এফ চি আদি বিভিন্ন সংস্থাত কাৰ্য সম্পাদন কৰি আহিছিল। তেওঁ লগতে ১৯৬৫ৰ পৰা ১৯৭৫ চনলৈ বি.বৰুৱা মহাবিদ্যালয়ত আৰু ১৯৭৮ৰ পৰা ১৯৯০ চনলৈ জে.বি. আইন মহাবিদ্যালয়ত (অংশকালীন) প্ৰবক্তা হিচাপেও কাৰ্যনিৰ্বাহ কৰে। ২০০১চনত হাজো সমষ্টিত কংগ্ৰেছ দলৰ পৰা বিধান সভালৈ নিৰ্বাচিত হৈছিল। তেওঁৰ মৃত্যুত হাজোৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগতে দল সংগঠনে গভীৰ শোক প্ৰকাশ কৰে। মৃত্যুৰ সময়ত দাসে পত্নী, চাৰি কন্যা সহ অসংখ্য গুণমুগ্ধক ইহ সংসাৰত এৰি থৈ যায়।

পৰিয়ালকেন্দ্ৰিক ৰাজনীতিৰ বিৰুদ্ধে হুংকাৰ দি দাখিল কৰিলে মনোনয়ন

# বঙাইগাঁৱত চক্ৰধৰ দাসৰ বিশাল শক্তি প্ৰদৰ্শন

**অসম বাৰ্তা, বঙাইগাঁও, ২৩ মাৰ্চ** ঃ আগন্তুক বিধানসভা নিৰ্বাচনক কেন্দ্ৰ কৰি বঙাইগাঁও বিধানসভা সমষ্টিত এতিয়া তুংগত উঠিছে ৰাজনৈতিক তৎপৰতা। আজি সমষ্টিটোৰ ৰাজনীতিত এক নতুন মাত্ৰা প্ৰদান কৰি কেইবা শতাধিক সমৰ্থকক লগত লৈ মনোনয়ন পত্ৰ দাখিল কৰিলে প্ৰাক্তন বিজেপি নেতা চক্ৰধৰ দাসে। বঙাইগাঁৱৰ বৰপাৰা ৰাজহুৱা খেলপথাৰৰ পৰা জিলা আয়ুক্তৰ কাৰ্যালয়লৈ এক বিশাল পদযাত্ৰা কৰি দাসে নিজৰ জনপ্ৰিয়তা তথা শক্তি প্ৰদৰ্শন কৰে। মনোনয়ন পত্ৰ দাখিলৰ পাছত সংবাদ মাধ্যমৰ মুখামুখি হৈ চক্ৰধৰ দাসে বঙাইগাঁৱৰ বৰ্তমানৰ ৰাজনৈতিক স্থিতিক তীব্ৰ সমালোচনা কৰে। তেওঁ স্পষ্টকৈ কয় যে বঙাইগাঁও বিধানসভা সমষ্টিক সুদীৰ্ঘ দিন ধৰি চলি থকা 'পৰিয়ালকেন্দ্ৰিক ৰাজনীতি'ৰ কবলৰ পৰা মুক্ত কৰাটোৱেই তেওঁৰ মূল লক্ষ্য। দাসে উল্লেখ কৰে যে বঙাইগাঁৱৰ সাধাৰণ ৰাইজ এতিয়া পৰিৱৰ্তনৰ বাবে সাজু হৈছে আৰু এমুঠিমান লোকৰ হাতত বন্দী হৈ থকা শাসন ব্যৱস্থাটোক জনতাৰ হাতলৈ ঘূৰাই অনাৰ বাবে তেওঁ এই নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হৈছে। প্ৰাক্তন বিজেপি নেতাগৰাকীয়ে আগন্তুক নিৰ্বাচনত নিজৰ বিজয়ৰ সন্দৰ্ভত যথেষ্ট আশাবাদী বুলি মন্তব্য কৰি কয় যে তেওঁ এইবাৰ প্ৰায় ৭৫,০০০ ভোট লাভ কৰি জয়লাভ কৰিব। হাজাৰ হাজাৰ সমৰ্থকৰ জয়ধ্বনিৰে মুখৰিত হোৱা এই পদযাত্ৰাই বঙাইগাঁও বিধানসভা সমষ্টিৰ নিৰ্বাচনী সমীকৰণত এক বৃহৎ প্ৰত্যাহ্বানৰ সৃষ্টি কৰিব বুলি ৰাজনৈতিক বিশ্লেষকসকলে ধাৰণা কৰিছে। উল্লেখযোগ্য যে, চক্ৰধৰ দাসৰ এই পদক্ষেপে বিজেপি আৰু অগপৰ দৰে প্ৰভাৱশালী দলসমূহৰ বাবে নিৰ্বাচনী যুঁজখন অধিক কঠিন কৰি তুলিব পাৰে। বঙাইগাঁৱৰ ৰাইজে এইবাৰ পৰিয়ালকেন্দ্ৰিক ৰাজনীতি নে পৰিৱৰ্তনৰ পক্ষত ৰায় দিয়ে, সেয়া সময়েহে ক'ব।

প্ৰতিখন অনুসূচিত জাতিৰ গাঁৱত বিৰোধীৰ প্ৰচাৰ চলোৱাৰ সংকল্প

# অসন্তুষ্ট মাজুলী অনুসূচিত জাতি পৰিষদৰ সংবাদমেলযোগে জনপ্ৰতিনিধিক তুলাধুনা

**অসম বাৰ্তা, বনগাঁও, ২৪ মাৰ্চ** ঃ অনুসূচিত জাতিৰ লোক সকলক প্ৰতিখন চৰকাৰে অবহেলা কৰি আহিছে। মাজুলীত প্ৰতিনিধি নিৰ্বাচনত গুৰুত্বপূৰ্ণ ভূমিকা লোৱা অনুসূচিত জাতিৰ লোকসকলৰ জীৱন জীৱিকাক আওকান কৰি চৰম প্ৰতাৰণা কৰা শাসনাধিষ্ঠিত চৰকাৰখনক তীব্ৰ সমালোচনা কৰি অহা নিৰ্বাচনত যোগ্য প্ৰাৰ্থীক ভোটদানৰ আহ্বান জনাইছে জাতি পৰিষদৰ শীৰ্ষ নেতৃত্বই। কেৱল ভোটদান কৰাৰ বাবেহে জিয়াই ৰখা অনুসূচিত জাতি পৰিষদৰ অধীনস্থ জনগণক প্ৰতিখন চৰকাৰেই আহিলা হিচাপেহে ব্যৱহাৰ কৰি আহিছে। দীৰ্ঘদিনৰ ক্ষোভ উজাৰি মাজুলী বাসীৰ অন্যতম অংশীদাৰ অনুসূচিত জাতিৰ লোক সকলে এইবাৰ নিৰ্ণায়কৰ ভূমিকা গ্ৰহণ কৰাৰ আশাৰে সংবাদমেল সম্বোধন কৰে। মাজুলীৰ প্ৰায় পঞ্চাশ হাজাৰ অনুসূচিত জাতি পৰিষদৰ লোক আছে। শেহতীয়াকৈ জন প্ৰতিনিধি গৰাকীক জাতিটোৰ স্বাৰ্থত সমস্যা ডাঙি ধৰিলেও চাম বাৰু বুলিকৈ চাৰে তিনি বছৰ কাল তোষামোদৰে অন্ত পেলালে। অনুসূচিত জাতিৰ পিতৃ সংগঠন হিচাপে গুৰুত্ব থকা সংগঠনটিৰ বাবে মাটি থকাস্বত্বেও এটি সাধাৰণ গৃহৰ বাবে সহযোগিতা আগবঢ়াব নোৱাৰাতো অতিশয় দুৰ্ভাগ্যজনক বিষয়। এই জাতিৰ জীৱিকাৰ অন্যতম পথ মৎস্য ক্ষেত্ৰ সমূহত মাছমৰাটো বন্ধ কৰাত মৎস্যজীৱী লোকসকলৰ উপাৰ্জন স্তব্ধ হৈ পৰিল। এইক্ষেত্ৰত জনপ্ৰতিনিধি গৰাকীক বাৰম্বাৰ অনুনয় বিনয় কৰাৰ পিছতো কোনো গুৰুত্বই নিদিলে। মাজুলী উন্নয়নৰ জয়গান গাই শেহতীয়া কাৰ্য্য কালত চকুত লগা একো কাম কৰিব নোৱাৰিলে। প্ৰক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে ৰুইথৈ যোৱা আচনি সমূহৰ বাদে আন আন জিলাই লাভকৰা আচনি মাজুলীতো হৈছে। কিন্তু গনতন্ত্ৰৰ দৰ্শন নথকা জনপ্ৰতিনিধিক ৰাইজে এইবাৰ এঘৰীয়া কৰিবৰ হ'ল। মাজুলীৰ প্ৰতিখন অনুসূচিত জাতি অধ্যুষিত গাঁৱত জাতি পৰিষদে উপযুক্ত জনপ্ৰতিনিধিৰ বাবে ভোট প্ৰদানৰ আহ্বন জনোৱাৰ উদ্দেশ্যে প্ৰচাৰ আৰম্ভ কৰাৰ কথা দৃহতাৰে প্ৰকাশ কৰে মাজুলী জিলা অনুসূচিত জাতি পৰিষদৰ সভাপতি দেৱজিত হাজৰিকাই। একেদৰে উদাত্ত কণ্ঠে পৰিষদৰ সম্পাদক দিগন্ত দাসে তীব্ৰভাষাৰে জনপ্ৰতিনিধি গৰাকীক সমালোচনা কৰি যোগ্যপ্ৰত্যুত্তৰ দিয়াৰ হুংকাৰ দিয়ে। ভূতপূৰ্ব মুখ্যমন্ত্ৰী গৰাকীয়ে মাজুলীখন সজাই তোলাৰ যি প্ৰয়াস কৰিছিল সেয়া মাজুলীবাসীৰ সপোন পূৰণৰ কাম আৰম্ভ কৰিছিল। কিন্তু কুটিল ৰাজনীতিয়ে সোলোৱালক নসাৎ কৰি মাজুলীবাসীৰ সপোন আধৰুৱা কৰিলে। পৰৱৰ্তী সময়ত কমিচনৰ ৰাজনীতি কৰি যিকেইটা আচনিৰ কথা সততে কৈ থাকে সেই আচনি প্ৰতিখন জিলাই লাভ কৰিছে বুলি সোণোৱালক পৰিষদে কেতিয়াও নাপাহৰে বুলিও সংবাদমেলত ব্যক্ত কৰে। মাজুলী জিলা সাংবাদিক সন্থাৰ কমলাবাৰীস্থিত কাৰ্যালয়ত আয়োজিত সংবাদমেলত সাংবাদিক সকলৰ উপৰি অনসূচিত জাতি পৰিষদৰ সভাপতি দেবজিত হাজৰিকা সম্পাদক -দাস আৰু বিষয়ববেয়া সকল ক্ৰমে দেবজিত হাজৰিকা সভাপতি, শিৱৰাম দাস উপসভাপতি, অজিত কুমাৰ দাস সম্পাদক, পুণ্য দাস উপদেষ্টা প্ৰমুখ্যে কুৰিজন শীৰ্ষ বিষয়ববীয়া উপস্থিত থাকি সংবাদমেলত দাঙিধৰা দিশ সমূহক সজোৰে সমৰ্থন জনায়।

# ত্ৰিনয়ন সংগীত মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস সত্ৰীয়া সাংস্কৃতিক সমাৰোহ সম্পন্ন

**অসম বাৰ্তা, মঙলদৈ, ২৪ মাৰ্চ** ঃ ত্ৰিনয়ন সংগীত মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস সত্ৰীয়া সাংস্কৃতিক সমাৰোহ আৰু বিশাৰদ উপাধি প্ৰদান অনুষ্ঠান সফল ভাৱে পাৰ হৈ যায়। ত্ৰিনয়ন সংগীত মহাবিদ্যালয়ৰ অধ্যক্ষ কুশল ডেকাই আঁত ধৰা এই অনুষ্ঠানত বহু কেইজন বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জনোৱা হয়। এই অনুষ্ঠানত পদ্মশ্ৰী ঘনকান্ত বৰা বৰ বায়ন আৰু সংগীত নাটক একাডেমী বঁটা প্ৰাপক গুৰু গোবিন্দ শইকীয়া বৰ বায়নৰ দ্বাৰা বন্তি প্ৰজ্বলনেৰে অনুষ্ঠানৰ শুভাৰম্ভ হয়। এই বিশাৰদ অনুষ্ঠানত ১৩ গৰাকী সত্ৰীয়া নৃত্যৰ ছাত্ৰ-ছাত্ৰীক বিশাৰদ উপাধি প্ৰদান কৰা হয়। সত্ৰীয়া নৃত্যৰ প্ৰাণকেন্দ্ৰ স্বৰূপ ত্ৰিনয়ন মহাবিদ্যালয়ৰ সঞ্চালক দিপা ডেকাই সঞ্চালনা কৰা এই অনুষ্ঠানত পদ্মশ্ৰী ঘনকান্ত বৰা বৰবায়ন অধ্যাপক সংগীত নাটক অকাডেমী বঁটা প্ৰাপক গুৰু গোবিন্দ শইকীয়া বৰ বায়ন, বিখ্যাত খোল বাদক কুশ মহন্ত, ভাৰতী বিদ্যাপীঠ পুণে বিশ্ববিদ্যালয়ৰ সঞ্চালক আৰু অধ্যাপক সাঠে শাৰংগধৰ, ভাৰতী বিদ্যাপীঠ পুণে বিশ্ববিদ্যালয়ৰ মুৰব্বী অধ্যাপিকা ড° দেবীকা বৰঠাকুৰ, পৌৰপতি নিৰ্মালী দেৱী, ভাৰতীয় জনতা পাৰ্টিৰ মংগলদৈৰ নীলিমা দেৱী, মংগলদৈ মহাবিদ্যালয়ৰ অধক্ষ্য কমলা কান্ত বৰা, দৰং জিলাৰ বিজেপিৰ সভাপতি মুকুন্দ ডেকা, মঙলদৈ প্ৰেছ ক্লাবৰ সম্পাদক লক্ষ্মী নন্দন কলিতা, সাংবাদিক গণেশ দত্ত, খটৰা সত্ৰৰ সভাপতি যাদৱ চন্দ্ৰ মহন্ত সম্পাদক গংগা ৰাম বৈশ্য। দৰং জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি বৰদা শইকীয়া কিৰণ শইকীয়া, বিশিষ্ট নৃত্য শিল্পী ভানু ডেকা, ৰূপশিখা শালৈ আদি বহুতো অতিথি উপস্থিত থাকে। বন্তি প্ৰজ্বলন কৰে পদ্মশ্ৰী ঘনকান্ত বৰা বৰবায়ন অধ্যাপক আৰু সংগীত নাটক একাডেমী বঁটা প্ৰাপক গুৰু গোবিন্দ শইকীয়া বৰ বায়ন মঞ্চ উদ্বোধন কৰে খটৰা সত্ৰৰ সভাপতি যাদৱ চন্দ্ৰ মহন্ত বাপে। বিশাৰদ প্ৰদান কৰা হয় ১৩ গৰাকী ছাত্ৰ-ছাত্ৰীক ক্ৰমে- অধিবক্তা দীপা মণি দাস, অধিবক্তা কুইন দাস, নিশিতা ডেকা, আৰজু লেইমা দেৱী, ভানেচা অলেমন, নিতিশিখা ডেকা, হেমা চহৰীয়া, ৰুমী বৰুৱা, মধুস্মিতা বৈশ্য, নম্ৰতা কলিতা, বন্দীতা দাস, তুষাপৰ্ণা ডেকা, কাব্যশ্ৰী বনিয়া ভাৰতী বিদ্যাপীঠ পুণে বিশ্ববিদ্যালয়ৰ মুৰব্বী ড° দেৱীকা বৰঠাকুৰৰ সুন্দৰ সত্ৰীয়া নৃত্য প্ৰদৰ্শন। নৃত্য বোৰ হৈছে কুশল ডেকাই কৰিছে সূত্ৰধাৰী আৰু কালীয় দমন কৃষ্ণ বন্দনা, ৰজাঘৰীয়া চালি নাচ, ৰাসলীলা, ঝুমুৰা ৰামদানি নাচ ভোৰতাল, দেৱদাসী নৃত্য আৰু অসমত প্ৰথমবাৰৰ বাবে সত্ৰীয়া শৈলীত অংকীয়া নাটৰ আধাৰত লাচিত বৰফুকন পৰিচালনা পৰিকল্পনা কুশল ডেকা।




# ৰূপহীহাটত পিষ্টল উদ্ধাৰক লৈ চাঞ্চল্য

**অসম বাৰ্তা, ৰূপহীহাট, ২৪ মাৰ্চ** ঃ ৰূপহীহাটৰ ঔ-অনা ৰাজ্যিক ঘাইপথৰ পৰা আজি সন্ধিযা এটা পিষ্টল উদ্ধাৰ হোৱা ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে আজি সন্ধিয়া ৰূপহীহাট আৰক্ষীয়ে নিয়মীয়া তালাচী চলাই আছিল। ঠিক সেই সময়তে এটা বাইকত নগাঁৱৰ পৰা দুটা দুবৃত্ত ৰূপহী লৈ আহি আছিল। দুবৃত্ত দুটাই আৰক্ষীৰ তালাচীৰ উমান পাই এটা বেগ ঔ-অনাৰ নগাঁও-নলতলি ৰাজ্যিক ঘাইপথত পেলাই থৈ ঘটনাস্থলীৰ পৰা তীব্ৰ বেগে পলায়ন কৰে। দুবৃত্ত দুটাই বেগখন পথত পেলাই পলায়ন কৰাৰ দৃশ্য স্থানীয় ৰাইজে প্ৰত্যক্ষ কৰি হুৰা-দুৰা লগাই ৰূপহীহাট আৰক্ষীক খবৰ দিয়ে। ঘটনাস্থলীত ৰূপহীহাট আৰক্ষী থানাৰ বিষয়া সূৰুজ দত্ত উপস্থিত হৈ বেগটো উদ্ধাৰ কৰে। আৰক্ষীয়ে উদ্ধাৰ কৰা বেগটোৰ পৰা এটা পিষ্টল আৰু এটা সজীব গুলি উদ্ধাৰ কৰি দুবৃৰ্ত্তক বিচাৰি অভিযান তীব্ৰতৰ কৰি তুলিছে। নিৰ্বাচনৰ প্ৰাকক্ষণত দুবৃৰ্ত্ত দুটাই কৰবাত ডকাইতি বা ৰাজনৈতিক হিংসা কৰিবলৈ আহিছিল বুলি সন্দেহ হৈছে।